www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

সত্যৰ বাবে বন্দী জীৱনৰ কঠোৰ নিয়ম মানি চলিব লগা হ'লেও আমি মুকলি চাইৰ দৰেই সুখী হ'ব লাগিব। -মহাত্মা গান্ধী

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৬৪২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী।

প্ৰথম বছৰ | সংখ্যা-৩২৭ | সোমবাৰ | ৫ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 327 | Monday | 5th October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

ৰাজ্যিক কেবিনেট বৈঠকত সিদ্ধান্ত; মধুপুৰ সত্ৰলৈ প্ৰতি মাহে অসম চৰকাৰৰ ১ লাখ টকা

# বৈদ্যুতিক, CNG বাহনে দিব নালাগে ছেউজ কৰ

■ লংকা আৰু উমৰাংছুত স্থাপন হ'ব ডালমিয়াৰ দুটাকৈ ইউনিট ■



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** দেওবাৰে লোকসেৱা ভৱনত ৰাজ্যিক কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অসম ছেউজ উপ কৰ নীতি, পুৰণি বাহনৰ মালিকীস্বত্ব হস্তান্তৰ, অগ্নিবীৰৰ বাবে সংৰক্ষণ, জলজীৱন মিছন, সত্ৰলৈ আৰ্থিক অনুদান আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত লোৱা সিদ্ধান্তসমূহৰ বিষয়ে অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "অসম ছেউজ উপ কৰ নীতি, চঞ্চচ্ছ অনুসৰি এতিয়াৰে পৰা পুৰণি বাহন কিনা-বেচা কৰিলে ❑ ৬ পৃষ্ঠাত

## দিল্লী আৰক্ষীৰ বিৰুদ্ধে তিনিগৰাকী মহিলা সাংবাদিকৰ যৌন নিৰ্যাতনৰ অভিযোগ

যন্তৰ-মন্তৰৰ প্ৰতিবাদস্থলীত অভিযোগ; অপৰাধ শাখাত তদন্ত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** ৰাজধানী দিল্লীত শনিবাৰে অনুষ্ঠিত এক প্ৰতিবাদী সমদলৰ সময়ত তিনিগৰাকী মহিলা সাংবাদিকক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগে দিল্লী আৰক্ষীক তীব্ৰ বিতৰ্কত পেলাইছে। অভিযোগ অনুসৰি, নিখিল ভাৰত ছাত্ৰ সন্থা (AISA)ই দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ ❑ ৬ পৃষ্ঠাত

ৰাজ্যিক কৰ্মচাৰীৰ মৰগীয়া বানচলৈ মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ মন্তব্য

## কেন্দ্ৰীয় চৰকাৰৰ হাৰতেই অসম চৰকাৰেও মৰগীয়া বানচ প্ৰদান কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** ৰাজ্যিক কৰ্মচাৰী সকলৰ মৰগীয়া বানচ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। তেওঁ স্পষ্ট কৰি দিয়ে যে অসমৰ চৰকাৰী কৰ্মচাৰীয়ে সময়মতে মৰগীয়া বানচ লাভ কৰি আহিছে। কেবিনেট বৈঠকৰ ❑ ৬ পৃষ্ঠাত

## বানপীড়িতৰ সাহায্যৰ দাবীত অখিল গগৈৰ আন্দোলনক লৈ মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া কেৱল 'ক্ৰেডিট' ল'বলৈহে অখিল গগৈয়ে প্ৰতিবাদ কৰে ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** বানপীড়িতসকলৰ সাহায্যৰ দাবীত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে কৰি থকা আন্দোলন ❑ ৬ পৃষ্ঠাত

## CJPৰ সৈতে মতাদৰ্শগত পাৰ্থক্য আছে 'আছু'ৰ ঃ উৎপল শৰ্মা

সমীৰণ ফুকনৰ মন্তব্যক লৈ CJPৰ ৰাজ্যিক সমন্বয়কৰ সঁহাৰি



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** ক'কৰোচ জনতা পাৰ্টি (CJP)ক লৈ ৰাজ্যজুৰি চলি থকা বিতৰ্কৰ মাজতে সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) সভাপতি উৎপল শৰ্মাই দিফুত সংবাদ মাধ্যমৰ সমুখত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁ স্পষ্ট কৰি দিয়ে যে CJPৰ সৈতে আছুৰ মতাদৰ্শগত পাৰ্থক্য আছে। তথাপি ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানৰ উত্তৰণৰ বাবে কোনোৱে কাম কৰিলে সদৌ অসম ছাত্ৰ ❑ ৭ পৃষ্ঠাত

"এমুঠিমান মানুহক লৈ CJP-এ কৈ থকা কথাত চৰকাৰ লাগি থাকিব নোৱাৰে"

## 'অসমত CJPৰ কোনো প্ৰভাৱ নাই' ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** ক'কৰোচ জনতা পাৰ্টি (CJP)ৰ কাৰ্যকলাপ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য ৰাখিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ স্পষ্ট কৰি দিয়ে যে অসমত CJPৰ ❑ ৬ পৃষ্ঠাত

## গুৱাহাটী মহানগৰ আৰক্ষীৰ যান-বাহন শাখালৈ ৫০খন নতুন মটৰ চাইকেল

লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা বিতৰণ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** অসম আৰক্ষীৰ গতিশীলতা বৃদ্ধি তথা আইন-শৃংখলা ৰক্ষাৰ ক্ষমতা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে গুৱাহাটী মহানগৰ আৰক্ষীৰ যান-বাহন শাখাক আজি ৫০খন নতুন মটৰ চাইকেল প্ৰদান কৰা হয়। লোক সেৱা ভৱনত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই মটৰ চাইকেলসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং আৰু গুৱাহাটী আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্ত উপস্থিত থাকে। নতুনকৈ প্ৰদান কৰা এই মটৰ ❑ ৬ পৃষ্ঠাত

## ইজৰাইলৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ মোডী-স্মিতক নিমন্ত্ৰণ নেতান্যাহুৰ

যাত্ৰীৰ জীৱন ৰক্ষা কৰা ভাৰতীয় পাইলটক 'বিশ্বৰ নায়ক' বুলি অভিহিত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** ফ্লাইডুবাইৰ FZ1073 বিমানত ভয়ংকৰ পৰিস্থিতিৰ মাজতো যাত্ৰীসকলৰ জীৱন ৰক্ষা কৰা ভাৰতীয় কেপ্টেইন স্মিত মাচ্চৰৰ ❑ ৬ পৃষ্ঠাত

আনৰ বীমা পলিচি চুৰি আৰু চহী জালিয়াতিৰ অভিযোগ

## পথালিপাহাৰত এল.আই.চি.ৰ পলিচি জালিয়াতি কৰি ঋণ লৈ গ্ৰেপ্তাৰ প্ৰধান শিক্ষক, বেংক কৰ্মচাৰী

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ অক্টোবৰ ঃ** শিক্ষকতাৰ দৰে এটা পবিত্ৰ বৃত্তিক কলংকিত কৰি আনৰ বীমা পলিচি চুৰি আৰু চহী জালিয়াতিৰে বেংকৰ পৰা বৃহৎ পৰিমাণৰ ঋণ লৈ কাৰাগাৰৰ আলহী হ'ল এজন প্ৰধান শিক্ষক। লখিমপুৰ জিলাৰ নাৰায়ণপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত পথালিপাহাৰৰ ডিক্ৰুং পৰীয়া জনজাতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক টংক ভূঞাক বান্দৰদেৱা আৰক্ষীৰ সহযোগত বিহপুৰীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। অভিযোগ অনুসৰি নিজৰেই সহযোগী পথালিপাহাৰ ন- পমুৱা গাঁৱৰ মদন মোহন প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষয়িত্ৰী দিপাঞ্জলী দত্তৰ দুখন এল. আই. চি.ৰ পলিচী চুৰি কৰি অসম গ্ৰামীন বিকাশ বেংকৰ পৰা ঋণ সংগ্ৰহ কৰাৰ তথ্য পোহৰলৈ আহে। ২০২০ চনতে টংক ভূঞাই এল. আই. চি. ৰ পলিচি ❑ ৬ পৃষ্ঠাত

গৌৰৱ গগৈ ৭৫ শতাংশ ব্ৰিটিছ ঃ পীযুষ হাজৰিকা

## ইচ্ছুবিহীনভাৱে নগাঁও লোক-সভাৰ উপ-নিৰ্বাচনী প্ৰচাৰৰ অন্ত

"পীযুষ পাগল হৈ যাব আৰু হিমন্ত বাংলাদেশত গুচি যাব"



**অসম বাৰ্তা, ভূৰাগাঁও, ৪ অক্টোবৰ ঃ** ইচ্ছুবিহীন ভাৱেই কেৱল তুচ্ছ তাচ্ছিল্য, অশ্ৰাব্য বাক্যবান বাক - বিতণ্ডাৰ মাজেৰে আজি শান্তিপূৰ্ণ ভাৱে সমাপ্ত হ'ল নগাঁও লোক সভাৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ। নিৰ্বাচনী মঞ্চ সমূহত ৰুচিপূৰ্ণ ভাষণ সমালোচনাৰ বিপৰীতে প্ৰথমৰ পৰা শেষলৈকে স্থান লাভ কৰিলে বিৰিয়ানী, কাটা বিস্কুট, পাগলা ❑ ৬ পৃষ্ঠাত

নগাঁও উপ-নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনা মৈৰাবাৰীত কংগ্ৰেছৰ নিৰ্বাচনী সভা

## মুখ্যমন্ত্ৰীক 'গজনী'ৰ নায়কৰ সৈতে তুলনা গৌৰৱ গগৈৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্তিম দিনা মৈৰাবাৰীৰ ইন্দিৰা খেলপথাৰত কংগ্ৰেছে এক নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। এই সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে কংগ্ৰেছ ❑ ৬ পৃষ্ঠাত

❑ প্ৰচাৰৰ অন্তিম দিনা লাহৰীঘাটত প্ৰচাৰ মন্ত্ৰী পীয়ুষ হাজৰীকাৰ ❑

## বিজেপিৰ প্ৰাৰ্থী দুই-আঢ়ৈ লাখ ভোটত জয়ী হ'ব ঃ মন্ত্ৰী হাজৰীকা



**অসম বাৰ্তা, লাহৰীঘাট, ৪ অক্টোবৰ ঃ** আজি নগাঁও উপ-নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনা লাহৰীঘাটত বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই মন্ত্ৰী পীয়ুষ হাজৰিকা। সংখ্যালঘু অধ্যুষিত লাহৰীঘাট বিধান সমষ্টিত মন্ত্ৰী গৰাকীয়ে পূৰ্বৰে পৰা ব্যাপক প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছিল। দিনে নিশাই সমষ্টিটোৰ চোকে কোনে চলাইছিল প্ৰচাৰ। ❑ ৬ পৃষ্ঠাত

## নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰৰ সামৰণিত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সংবাদমেল



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি আনুষ্ঠানিকভাৱে সামৰণি পৰে। প্ৰচাৰ কাৰ্যসূচী অন্ত পৰাৰ লগে লগে মৈৰাবাৰীত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে। সংবাদমেলত প্ৰাৰ্থীগৰাকীয়ে সমগ্ৰ প্ৰচাৰ কালছোৱাত নগাঁও আৰু মৰিগাঁও জিলাৰ ❑ ৬ পৃষ্ঠাত

মহানগৰীত ৬০টা পুথিভঁৰাল নিৰ্মাণৰ পৰিকল্পনা

## গুৱাহাটীৰ প্ৰতিটো পৌৰ ৱাৰ্ডত নিৰ্মাণ হ'ব পুথিভঁৰাল ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** গুৱাহাটী মহানগৰীৰ প্ৰতিটো পৌৰ ৱাৰ্ডত এটাকৈ পুথিভঁৰাল নিৰ্মাণ কৰাৰ ঘোষণা আগবঢ়াইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্য চৰকাৰে মহানগৰীৰ ছাত্ৰ-ছাত্ৰী, গৱেষক তথা গ্ৰন্থপ্ৰেমী পাঠকসকলৰ সুবিধাৰ বাবে গুৱাহাটীত মুঠ ৬০টা পুথিভঁৰাল নিৰ্মাণ কৰিব বুলি তেওঁ 'এক্স' যোগে এই ঘোষণা কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কয়, "গুৱাহাটীৰ গ্ৰন্থপ্ৰেমীসকলৰ বাবে ভাল খবৰ।



মহানগৰীত মুঠ ৬০টা পুথিভঁৰাল নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। প্ৰতিটো পৌৰ ৱাৰ্ডত এটাকৈ পুথিভঁৰাল নিৰ্মাণ কৰা হ'ব, যাতে ছাত্ৰ-ছাত্ৰী, গৱেষক আৰু পাঠকসকলে পঢ়া-শুনা কৰিব পাৰে। তাত শিক্ষা লাভৰ বাবে সকলোৱে সুযোগ পাব আৰু কোনো ধৰণৰ বাধাৰ সৃষ্টি নহ'ব।" উল্লেখ্য, গুৱাহাটীত বৰ্তমান ৰাজহুৱা পুথিভঁৰালৰ সংখ্যা সীমিত। ইয়াৰ ভিতৰত দীঘলীপুখুৰীৰ পাৰত অৱস্থিত জিলা পুথিভঁৰাল অসমৰ আটাইতকৈ ❑ ৬ পৃষ্ঠাত

অভিযুক্তৰ সন্ধানত আৰক্ষীৰ অভিযান

## ডুমডুমাত 'আছা' নেতাক হানি-খুচি হত্যা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৪ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ মাকুম আৰক্ষী থানাৰ অন্তৰ্গত শুকানগুৰি চাহ বাগিচাৰ ১৪নং লাইনত সদৌ আদিবাসী ছাত্ৰ সন্থা, অসম (আছা)-ৰ ডুমডুমা আঞ্চলিক সমিতিৰ উপ-সভাপতি ৰিমিশ টিগ্গাক হানি-খুচি হত্যা কৰাৰ অভিযোগক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাটো শুকুৰবাৰে নিশা সংঘটিত হয়। 'আছা'ৰ সূত্ৰই জনোৱা মতে, শুকুৰবাৰে নিশা প্ৰায় ৯ বজাত বিনোদ টুৰী নামৰ এজন যুৱকে ৰিমিশ টিগ্গাক চোকা অস্ত্ৰৰে আক্ৰমণ কৰে। আক্ৰমণত গুৰুতৰভাৱে আহত টিগ্গাক চিকিৎসাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ নিয়াৰ পথতে তেওঁৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ঘটনাৰ খবৰ পোৱাৰ পিছতে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ চমজি লোৱাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। ঘটনাৰ পিছৰে পৰা অভিযুক্ত বিনোদ টুৰী পলাতক হৈ আছে বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। অভিযুক্তৰ সন্ধানত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। ইফালে, হত্যাকাণ্ডৰ খবৰ বিয়পি পৰাৰ পিছত শনিবাৰে পুৱা স্থানীয় একাংশ লোক উত্তেজিত হৈ অভিযুক্তৰ বাসগৃহ আৰু এখন বাহন ভাঙি পেলোৱা বুলি ❑ ৬ পৃষ্ঠাত

❑ লছ এঞ্জেলছ অলিম্পিকলৈ যোগ্যতা অৰ্জন প্ৰথম লক্ষ্য ❑

## অলিম্পিকত পদকৰ ৰং সলনিৰ লক্ষ্য লাভলীনাৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** অসম কন্যা তথা ভাৰতীয় বক্সাৰ লাভলীনা বৰগোহাঁয়ে এছিয়ান গেমছত স্বৰ্ণ পদক জয় কৰি ভাৰতলৈ উভতি আহিছে। এতিয়া তেওঁৰ পৰৱৰ্তী লক্ষ্য ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিক। টকিঅ' অলিম্পিকত জয় কৰা ব্ৰঞ্জৰ পদকৰ ৰং সলনি কৰাটোৱেই তেওঁৰ সপোন। ২ অক্টোবৰত নিজৰ ২৯সংখ্যক জন্মদিনত লাভলীনাই মহিলাৰ ৭৫ কেজি শাখাৰ ফাইনেলত চীনৰ বাও জিইক ৫-০ ব্যৱধানত পৰাস্ত কৰি স্বৰ্ণ পদক অৰ্জন কৰে। ইয়াৰ লগে লগে ২০২২ চনৰ হাংঝৌ এছিয়ান গেমছত লাভ কৰা ৰূপৰ পদকখনো স্বৰ্ণলৈ ৰূপান্তৰিত হয়। দিল্লীত উপস্থিত হোৱাৰ পিছত সাংবাদিকৰ আগত লাভলীনাই কয় যে জন্মদিনতে স্বৰ্ণ পদক জয় কৰাটো তেওঁৰ বাবে এক বিশেষ অনুভূতি। তেওঁ কয়, "মোৰ বাবে এই অনুভৱ সঁচাকৈয়ে বিশেষ। জন্মদিনত স্বৰ্ণ পদক জয় কৰাটোৱেই আটাইতকৈ ডাঙৰ কথা। প্ৰতিগৰাকী খেলুৱৈয়ে এটা ডাঙৰ প্ৰতিযোগিতাত অংশ লৈ স্বৰ্ণ পদক জয় কৰাৰ সপোন দেখে।" লাভলীনাই কয় যে এয়া তেওঁৰ দ্বিতীয়খন এছিয়ান গেমছ আছিল। সেইবাবে এইবাৰ পদকৰ ৰং সলনি কৰাৰ বাবে তেওঁ দৃঢ়প্ৰতিজ্ঞ আছিল। তেওঁ কয়, "যোৱাবাৰ ৰূপৰ পদক জয় কৰিছিলোঁ। এইবাৰ পদকৰ ৰং সলনি কৰিম বুলি দৃঢ় হৈ আছিলোঁ। সেইবাবেই এই জয় মোৰ বাবে আৰু অধিক বিশেষ।" এতিয়া ❑ ৬ পৃষ্ঠাত

মহিলা হকীত ৪৪ বছৰৰ পাছত স্বৰ্ণ; পূৰ্বৰ তুলনাত ২১টা পদক কম

## মুঠ ৮৫ পদকেৰে এছিয়ান গেমছৰ চতুৰ্থ স্থানত ভাৰত



**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** আইচি-নাগোয়া এছিয়ান গেমছত ভাৰতৰ অন্তিমটো পদক হিচাপে আহিল স্বৰ্ণৰ পদক। পুৰুষ হকীৰ ফাইনেলত মালয়েছিয়াক ৫-১ গ'লত পৰাস্ত কৰি ভাৰতীয় দলে এই স্বৰ্ণ পদক অৰ্জন কৰে। এয়া ভাৰতৰ ২৮সংখ্যক স্বৰ্ণ পদক আছিল আৰু ইয়াৰ লগে লগে ভাৰতৰ মুঠ পদকৰ সংখ্যা ৮৫ত। এই ফলাফলৰ বাবেই পদক তালিকাত ভাৰতে চতুৰ্থ স্থান লাভ কৰে। ১৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হোৱা আইচি-নাগোয়া এছিয়ান গেমছ ৪ অক্টোবৰ, ২০২৬ত অন্ত পৰে। বৃহস্পতিবাৰলৈকে ভাৰত পদক তালিকাৰ শীৰ্ষ ১০১ বাহিৰত আছিল আৰু তেতিয়ালৈকে দেশখনে মাত্ৰ ১০টা স্বৰ্ণ পদক লাভ কৰিছিল। অৱশ্যে শেষৰ দুটা দিনত হকী আৰু ক্ৰিকেট দলে স্বৰ্ণ পদকৰ সংখ্যা বৃদ্ধি কৰে। ইয়াৰ লগতে আৰ্চাৰী, বক্সিং আৰু ❑ ৬ পৃষ্ঠাত

অসমৰ প্ৰথমগৰাকী মহিলা ওজাশিল্পী দেৱযানী তালুকদাৰক বঞ্চনা

# পাঁচ দশক ধৰি জাতীয় কৃষ্টিক জীয়াই ৰখাৰ অহৰহ সংগ্ৰাম

## শিল্পী পেঞ্চনৰ পৰা বঞ্চিত দেৱযানী তালুকদাৰ

**অসম বাৰ্তা, দৌলাশাল, ৪ অক্টোবৰ ঃ** অসমীয়া লোক-সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ ওজাপালি। সময়ৰ পৰিৱৰ্তনৰ মাজতো এই জাতীয় কৃষ্টিক জীয়াই ৰখাৰ বাবে অহৰহ সংগ্ৰাম অব্যাহত ৰাখিছে এগৰাকী মহিলাই। নিজৰ সাধনা, একাগ্ৰতা আৰু সাংস্কৃতিক দায়বদ্ধতাৰে ওজাপালিৰ পৰম্পৰাক আগুৱাই নিয়াৰ প্ৰয়াস চলাই ছে নলবাৰীৰ এগৰাকী মহিলাই। নতুন প্ৰজন্মৰ মাজত ওজাপালিৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰা আৰু এই লোককলাৰ ঐতিহ্য পৰৱৰ্তী প্ৰজন্মলৈ কঢ়িয়াই নিয়াৰ লক্ষ্যৰে তেওঁ অব্যাহত ৰাখিছে নিজৰ সাংস্কৃতিক যাত্ৰা। জাতীয় কৃষ্টি-সংস্কৃতিৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু দায়বদ্ধতাই তেওঁৰ এই সংগ্ৰামৰ মূল প্ৰেৰণা। মহিলাগৰাকীৰ এই নিৰালস্য প্ৰচেষ্টা অসমীয়া লোক-সংস্কৃতিৰ সংৰক্ষণৰ ক্ষেত্ৰত এক উল্লেখযোগ্য নিদৰ্শন। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কালদি গাঁৱৰ লোকশিল্পী দেৱযানী তালুকদাৰে আজিও জাতীয় কৃষ্টি ওজাপালিৰ চৰ্চা অব্যাহত ৰাখিছে। যাঠিৰ উৰ্ধৰ দেৱযানী তালুকদাৰৰ ওজাপালি চৰ্চা গাঁওখনৰ একাংশৰ বাবে আদৰ্শ হৈ পৰিছে। শেহতীয়াভাবে মহিলা ওজাশিল্পীগৰাকীৰ আদৰ্শৰে বাট বুলিছে গাঁওখনৰ এদল লোক। উত্তৰ বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত কালদি গাঁৱৰ প্ৰখ্যাত ওজাশিল্পী স্বৰ্গীয় ধনিৰাম তালুকদাৰ (ধইনা দাইনাপালি)ৰ পত্নী দেৱযানী তালুকদাৰে আজিও জাতীয় কৃষ্টিটোৰ সৈতে জড়িত হৈ সংস্কৃতিটোক জীয়াই ৰখাৰ লগতে জীৱন সংগ্ৰাম অব্যাহত ৰাখিছে। দেৱযানী তালুকদাৰে মাত্ৰ ১১ বছৰ বয়সৰ পৰাই প্ৰয়াত ধনীৰাম তালুকদাৰৰ ওজা শিল্পীৰ দলটিৰ সৈতে অন্তৰ্ভুক্ত হৈ ওজাপালি পৰিৱেশন কৰি আহিছিল। স্বৰ্গীয় ধনীৰাম তালুকদাৰৰ সৈতে বহু বছৰ একেলগে ওজা পালি পৰিৱেশন কৰাৰ পিছতে শিল্পী দেৱযানী তালুকদাৰে অসমৰ প্ৰথমটি মহিলা ওজাশিল্পীৰ দলত দাইনাপালি হিচাপে অন্তৰ্ভুক্ত হৈছিল। দেৱযানী তালুকদাৰে প্ৰতিষ্ঠিত ওজাপালিৰ দলটিত দাইনাপালি হিচাপে পৰিচিত লাভ কৰি অসমৰ বিভিন্ন প্ৰান্তত ওজাপালি পৰিৱেশন কৰি আহিছিল। কিন্তু প্ৰতিষ্ঠা কৰাৰ মাত্ৰ কেইটামান বছৰৰ পিছতে দলটোৰ মহিলা শিল্পীসকলে এজন এজনকৈ বিবাহপাশত আবদ্ধ হোৱাত পৰৱৰ্তী সময়ত মহিলা ওজাশিল্পীৰ দলটি নহোৱা হৈ যায় যদিও পুনৰ দেৱযানী তালুকদাৰে স্বৰ্গীয় ধনীৰাম তালুকদাৰৰ দলটিৰ সৈতে ওজাপালি পৰিৱেশন কৰি আহিছিল। তাৰ পিছতে প্ৰখ্যাত ওজাশিল্পী প্ৰয়াত ধনীৰাম তালুকদাৰৰ সৈতে দেৱযানী তালুকদাৰে বিবাহপাশত আৱদ্ধ হৈ দুয়োজনে পুনৰ একেলগে ওজাপালি পৰিৱেশন কৰি আহিছিল। ১৯৯৬ চনত স্বামী ধনিৰাম তালুকদাৰে (দাইনাপালি) স্বৰ্গগামী হোৱাৰ পিছতে পুৰুষৰ ওজাপালিৰ দলটিৰ দায়িত্ব লয় পত্নী দেৱযানী তালুকদাৰে। তেতিয়াৰ পৰা আজিলৈকে দেৱযানী তালুকদাৰে দলটিত মুল ওজা শিল্পী হিচাপে থাকি শদিয়াৰ পৰা ধুবুৰীলৈকে এই লোককলা পৰিৱেশ্য কৰি আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে বিগত পাঁচ দহক ধৰি এই জাতীয় কৃষ্টিটোক জীয়াই ৰখাত অহোপুৰুষাৰ্থ কৰা মহিলাগৰাকীৰ অৱদান আজিও ৰাজ্য চৰকাৰৰ দৃষ্টি গোচৰ নহ'ল। বিগত পাঁচ দহক ধৰি জাতীয় কৃষ্টিটোক জীয়াই ৰখাৰ অহৰহ সংগ্ৰাম চলোৱা মহিলা ওজাশিল্পী দেৱযানী তালুকাদাৰে আজিও চৰকাৰৰ পৰা নাপালে শিল্পীৰ স্বীকৃতি। অশেষ ত্যাগ, কষ্ট আৰু সাধনাৰে জাতীয় কৃষ্টিটোক জীয়াই ৰখাত দেৱযানী তালুকদাৰৰ আছে অপৰিসীম অৱদান। তৎসত্ত্বেও শিল্পীগৰাকীয়ে অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ শিল্পী পেঞ্চনৰ পৰা বঞ্চিত হৈ আহিছে। পাঁচ দহকে জাতীয় কৃষ্টিটোক জীয়াই ৰাখিবলৈ অহৰহ চেষ্টা চলাই এতিয়া নিজেই কঠোৰ জীৱন সংগ্ৰাম কৰিবলগীয়া হৈছে দেৱযানী তালুকদাৰে। ৰাজ্য চৰকাৰৰ ওচৰত চৰকাৰী শিল্পী পেঞ্চনৰ বাবে বাৰম্বাৰ আবেদন-নিবেদন কৰিও আজিকোপতি সুফল নাপালে দেৱযানী তালুকদাৰে। অসমৰ প্ৰথম মহিলা ওজাপালিৰ দলত ওজাপালি পৰিৱেশন কৰা শিল্পী গৰাকীৰ পাঁচ দহক জোৰা সংগ্ৰামক শিল্পীৰ মৰ্যাদা প্ৰদান কৰি শিল্পী পেঞ্চন প্ৰদান কৰি শিল্পী গৰাকীক জীয়াই থকাৰ প্ৰেৰণা যোগাবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছে অঞ্চলটোৰ ৰাইজে।

# ভাৰত-ম্যানমাৰ সীমান্তৰ সমীপৰ লংখো গাঁৱত এন এছ চি এন-কে (ৰা) কমাণ্ডাৰৰ বাসগৃহত ড্ৰোন আক্ৰমণ

## কিশোৰীসহ ৩ জন আহত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৪ অক্টোবৰ ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তৰ নামপুঙৰ সমীপত নিৰাপত্তাজনিত উত্তেজনা বৃদ্ধি পোৱাৰ সময়তে আজি এক ড্ৰোন আক্ৰমণৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে, ভাৰত-ম্যানমাৰ সীমান্তৰ পৰা প্ৰায় ৩-৪ কিলোমিটাৰ দূৰৈস্থিত লংখো গাঁৱত এন এছ চি এন-কে (ইয়ং আউং)ৰ এজন কমাণ্ডাৰ আখম কনিয়াকৰ বাসগৃহক লক্ষ্য কৰি এই ড্ৰোন আক্ৰমণ সংঘটিত কৰে। শনিবাৰৰ পুৱতি নিশা সংঘটিত এই আক্ৰমণত দুজন সাধাৰণ নাগৰিক আহত হয়। বিপৰীতে ঘটনাত কোনো এন এছ চি এন কেডাৰ আহত হোৱা নাই বুলিও সূত্ৰটোৱে প্ৰকাশ কৰে। উল্লেখ্য যে, যোৱা ২৯ ছেপ্টেম্বৰৰ পুৱা প্ৰায় ৬: ৩০ বজাত চাংলাং জিলাৰ নামপঙৰ সমীপত ২১ আছাম ৰাইফলছৰ টহলদাৰী দলৰ এক ভয়ংকৰ আক্ৰমণৰ ঘটনা সংঘটিত হৈছিল। ঘটনাত হাবিলদাৰ জাংখোকাই কুকি (৪২) নিহত হোৱাৰ লগতে আন চাৰিজন জোৱান গুৰুতৰভাৱে আহত হয়। ঘটনাৰ পিছতে এন এছ চি এন/জিপিআৰএন (ৰাই) আৰু ৰিভল্যুচনেৰী পিপলছফ্ৰণ্টে (আৰ পি এফ) এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছিল। লগতে নিহত আছাম ৰাইফলছৰ জোৱানজনৰ পৰা এটা এ কে ছিৰিজৰ ৰাইফল কাঢ়ি লৈ যোৱা বুলিও দাবী কৰিছিল গোটকেইটাই। অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তৰ নামপঙৰ সমীপত মঙলবাৰে পুৱা ২১ আছাম ৰাইফলছৰ এটা টহলদাৰী দলৰ ওপৰত সংঘটিত কৰা এই আক্ৰমণক গোট কেইটাই "বিদেশী দখলদাৰী শক্তি" বুলি অভিহিত কৰা বিৰোধিতাৰ অংশ হিচাপে অভিহিত কৰি উক্ত ঘটনাক নিজৰ দাবী কৰা সাৰ্বভৌমত্ব ৰক্ষাৰ ঘোষিত লক্ষ্য বুলি অভিহিত কৰিছিল। ভাৰত-ম্যানমাৰ সীমান্তৰ কৌশলগতভাৱে স্পৰ্শকাতৰ পাংছাউ পাছ ছে"ৰৰ সমীপত চলি থকা সীমান্তৰ ফেঞ্চিং কামৰ মাজতে নিৰাপত্তা বাহিনীয়ে চোৰাংচোৱাগিৰি বৃদ্ধি কৰা সময়তে সংঘটিত এই ঘটনাৰ পিছতে অঞ্চলটোত নিৰাপত্তা অভিযান আৰু অনুসন্ধানৰ প্ৰচেষ্টা অধিক তীব্ৰতৰ হৈ পৰে। ইফালে উক্ত ঘটনাৰ পাৰ্শ্বক্ৰিয়া হিচাপে আজি পুৱতি নিশা ম্যানমাৰৰ নাগা স্ব-প্ৰশাসিত মণ্ডলৰ লাহে টাউনশ্বিপৰ লংখো গাঁৱত এন এছ চি এন-কে (ইউং আউং)ৰ জ্যেষ্ঠ নেতা ব্ৰিগেডিয়াৰ আখামৰ বাসগৃহক লক্ষ্য কৰি সংঘটিত কৰা এক ড্ৰোন আক্ৰমণৰ ঘটনাত এগৰাকী ৯ বছৰীয়া কিশোৰীকে ধৰি দুজন সাধাৰণ লোক আহত হোৱা বুলি NSCN(K) -YA ৰ বিবৃতিত প্ৰকাশ। লগতে ব্ৰিগেডিয়াৰ আখামৰ বাসগৃহৰ আশে-পাশে দুটা বোমা নিক্ষেপ কৰাৰ অভিযোগ উত্থাপন কৰে গোটটোৱে। ভাৰতীয় নিৰাপত্তা বাহিনীয়ে ইচ্ছাকৃতভাৱে সাধাৰণ নাগৰিকক লক্ষ্য কৰি লোৱাৰ অভিযোগ উত্থাপন কৰে বিদ্ৰোহী গোটটোৱে। এই ড্ৰোন আক্ৰমণক এন এছ চি এন/জিপিআৰএন-এ লংখো গাঁৱৰ (পূব কন্যাক অঞ্চল) শান্তিপূৰ্ণ নগা জনসংখ্যাৰ ওপৰত ভাৰতীয় দখলদাৰী সেনাই চলোৱা কাপুৰুষ আৰু নিৰ্বিচাৰ ড্ৰোন আক্ৰমণ বুলি অভিহিত কৰে। লগতে গোটটোৱে এই আক্ৰমণক মানৱতাৰ বিৰুদ্ধে এক অনস্বীকাৰ্য অপৰাধ আৰু আন্তঃৰাষ্ট্ৰীয় মানৱীয় আইনৰ প্ৰকাশ্য উলংঘা হিচাপে গণ্য কৰাৰ লগতে এই কাৰ্য্যৰ বাবে ভাৰতীয় সেনা-নিৰাপত্তাৰক্ষী বাহিনী সম্পূৰ্ণৰূপে জবাবদিহি হ'ব লাগিব বুলিও হুংকাৰ দিয়ে উত্তৰ-পূৰ্বৰ অন্যতম বিদ্ৰোহী সংগঠনটোৱে।

জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ অধ্যক্ষতাত গুৰুত্বপূৰ্ণ বৈঠক; স্থানীয় তথ্য সংগ্ৰহ আৰু জনসম্পৃক্ততা বৃদ্ধিৰ ওপৰত গুৰুত্ব

# গোলাঘাটত গাঁওৰক্ষী বাহিনী আৰু নাগৰিক সমিতি শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব

**অসম বাৰ্তা, নুমলীগড়, ৪ অক্টোবৰ ঃ** জিলাখনৰ সামগ্ৰিক সুৰক্ষা আৰু নিৰাপত্তা ব্যৱস্থা অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে আজি গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। গোলাঘাট আৰক্ষীয়ে সামাজিক মাধ্যম যোগে প্ৰকাশ কৰা তথ্য অনুযায়ী গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত জিলাখনৰ সকলো গাঁওৰক্ষা সংগঠনৰ চক্ৰ সংগঠক (COVDO) উপস্থিত থাকে। বৈঠকত বিশেষকৈ জিলাখনৰ গাঁৱৰক্ষী বাহিনী (VDPs) পুনৰ্গঠন আৰু পুনৰ সক্ৰিয়কৰণ, নিষ্ক্ৰিয় হৈ থকা গাঁৱৰক্ষী গোটসমূহক কাৰ্যক্ষম কৰি তোলা আৰু নাগৰিক সমিতিসমূহক অধিক শক্তিশালী কৰাৰ বিভিন্ন দিশত আলোচনা কৰা হয়। স্থানীয় পৰ্যায়ত আৰক্ষীৰ সৈতে ৰাইজৰ সহযোগিতা বৃদ্ধি কৰি নিৰাপত্তা ব্যৱস্থাত জনসাধাৰণৰ অংশগ্ৰহণ অধিক ফলপ্ৰসূ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত গাঁওৰক্ষী বাহিনীক কেৱল আনুষ্ঠানিক সংগঠন হিচাপে সীমাবদ্ধ নাৰাখি স্থানীয় পৰ্যায়ত সতৰ্কতা, পহৰা আৰু সময়োপযোগী তথ্য আদান-প্ৰদানৰ এক কাৰ্যক্ষম মাধ্যম হিচাপে অধিক সক্ৰিয় কৰি তোলাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা হয়। গাঁও বা চুবুৰী পৰ্যায়ত সন্দেহজনক গতিবিধি, সম্ভাব্য অপৰাধমূলক কাৰ্যকলাপ অথবা আইন-শৃংখলাজনিত সমস্যাৰ আগতীয়া তথ্য আৰক্ষীৰ ওচৰলৈ পঠোৱাৰ ক্ষেত্ৰত গাঁওৰক্ষী বাহিনীৰ ভূমিকা অধিক সুসংগঠিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। ইয়াৰ সমান্তৰালভাৱে নাগৰিক সমিতিসমূহক পুনৰ সক্ৰিয় কৰি আৰক্ষী আৰু সাধাৰণ নাগৰিকৰ মাজত নিয়মীয়া যোগাযোগ আৰু মত-বিনিময়ৰ পৰিসৰ বৃদ্ধি কৰাৰ বিষয়েও আলোচনা হয়। স্থানীয় সমস্যা, নিৰাপত্তা-সম্পৰ্কীয় উদ্বেগ আৰু অপৰাধ প্ৰতিৰোধৰ ক্ষেত্ৰত ৰাইজৰ মতামত আৰক্ষীৰ ওচৰলৈ লৈ যোৱাৰ এক ফলপ্ৰসূ মাধ্যম হিচাপে নাগৰিক সমিতিসমূহক ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় আছিল স্থানীয় তথ্য সংগ্ৰহ ব্যৱস্থা অধিক শক্তিশালী কৰা। স্থানীয় লোকসকলৰ সহযোগিতাৰে এলেকাভিত্তিক তথ্য সময়মতে লাভ কৰিব পাৰিলে সম্ভাব্য অপৰাধ বা আইন-শৃংখলাজনিত পৰিস্থিতিৰ ক্ষেত্ৰত আৰক্ষীয়ে আগতীয়াকৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। সেই উদ্দেশ্যে গাঁওৰক্ষী বাহিনী, নাগৰিক সমিতি আৰু আৰক্ষীৰ মাজত সমন্বয় অধিক সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। উল্লেখযোগ্য যে অসমত আৰক্ষী আৰু স্থানীয় ৰাইজৰ মাজত সহযোগিতামূলক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত Village Defence Organisationএ দীৰ্ঘদিন ধৰি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ১৯৬৬ চনৰ Assam Village Defence Organisation Act-ৰ অধীনত এই ব্যৱস্থাই আইনী স্বীকৃতি লাভ কৰে। স্থানীয় পৰ্যায়ত অপৰাধ প্ৰতিৰোধ, আৰক্ষীক সহায় কৰা আৰু জনসাধাৰণৰ মাজত সুৰক্ষা-সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত সংগঠনটোৰ ভূমিকা উল্লেখযোগ্য। আনহাতে, নাগৰিক সমিতিসমূহৰ জৰিয়তে স্থানীয় নাগৰিকসকলক আৰক্ষীৰ সৈতে পোনপটীয়াকৈ মত-বিনিময়ৰ সুযোগ দিয়াৰ লগতে নিজ নিজ এলেকাৰ নিৰাপত্তা আৰু সামাজিক সমস্যাসমূহৰ বিষয়ে আলোচনা কৰাৰ পৰিৱেশ সৃষ্টি হয়। এই ব্যৱস্থাই Community Policingৰ ধাৰণাক তৃণমূল পৰ্যায়লৈ অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব পাৰে। আজিৰ বৈঠকৰ মূল উদ্দেশ্য আছিল আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাৰ সৈতে স্থানীয় সমাজৰ সহযোগিতাক অধিক সুসংগঠিত ৰূপ দিয়া। গাঁওৰক্ষী বাহিনী আৰু নাগৰিক সমিতিসমূহ সক্ৰিয় হ'লে স্থানীয় পৰ্যায়ত সতৰ্কতা বৃদ্ধি, তথ্যৰ দ্ৰুত আদান-প্ৰদান আৰু ৰাইজৰ সৈতে আৰক্ষীৰ যোগাযোগ অধিক সুদৃঢ় হোৱাৰ লগতে জিলাখনৰ সামগ্ৰিক আইন-শৃংখলা ব্যৱস্থাতো ইতিবাচক প্ৰভাৱ পৰাৰ আশা কৰা হৈছে।

# বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ; বৃক্ষৰোপণ আৰু চাফাই অভিযান



**অসম বাৰ্তা, অভয়াপুৰী, ৪ অক্টোবৰ ঃ** আজিৰে পৰা আৰম্ভ হৈছে অভয়াপুৰী সম-জিলা দিৱসৰ প্ৰথম দিনৰ কাৰ্যসূচী। এই উপলক্ষে অভয়াপুৰীৰ অষ্টম অসম আৰক্ষী বাহিনীৰ ২ নং গেটৰ কাযত থকা আৱৰ্ত ভৱন প্ৰাংগণত আজি অনুষ্ঠিত হয় সম-জিলা দিৱসৰ উদ্বোধনী অনুষ্ঠান। অভয়াপুৰী সম-জিলা সহকাৰী আয়ুক্তৰ সঞ্চালনাত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিধায়ক ভূপেন ৰায়ে বন্তি প্ৰজ্বলনেৰে সম-জিলা দিৱসৰ শুভাৰম্ভ কৰে। বন্তি প্ৰজ্বলন কাৰ্যসূচীত বিধায়কগৰাকীক সহযোগ কৰে অভয়াপুৰী সম-জিলা আয়ুক্ত দীপন বৰ্মণে। উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অভয়াপুৰী অঞ্চলৰ সাংবাদিকসকলৰ উদ্যোগত আৰু স্থানীয় যুৱতী-মহিলাসকলৰ সহযোগত এক সমবেত সংগীত পৰিৱেশন কৰা হয়। সমবেত সংগীতে অনুষ্ঠানস্থলীত এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰে। ইয়াৰ পিছতে অষ্টম অসম আৰক্ষী বাহিনীৰ ২ নং চৌহদৰ পৰা আৱৰ্ত ভৱনলৈ দেৱদাৰু গছৰ পুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। পৰিৱেশ সংৰক্ষণ আৰু সেউজ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে অনুষ্ঠিত এই বৃক্ষৰোপণ কাৰ্যসূচীত বিভিন্নজন অংশগ্ৰহণ কৰে। সম-জিলা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে ৰাজবাৰী পুখুৰী উদ্যানতো এক চাফাই অভিযান অনুষ্ঠিত কৰা হয়। স্থানীয় অঞ্চলৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ লগতে জনসাধাৰণৰ মাজত স্বচ্ছতা আৰু পৰিৱেশ সংৰক্ষণৰ সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই অভিযান গ্ৰহণ কৰা হয়। উদ্বোধনী অনুষ্ঠানত বিধায়ক ভূপেন ৰায়, অভয়াপুৰী সম-জিলা আয়ুক্ত দীপন বৰ্মণ, সমাজকৰ্মী উজ্জ্বল কান্তি ৰায়, অষ্টম অসম আৰক্ষী বাহিনীৰ অধিনায়ককে ধৰি বিভিন্ন বিষয়া-কৰ্মচাৰী আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলে সম-জিলা দিৱসৰ তাৎপৰ্য আৰু অভয়াপুৰী সম-জিলাৰ উন্নয়নৰ বিভিন্ন দিশ সন্দৰ্ভত ভাষণ প্ৰদান কৰে। উল্লেখ্য যে, সম-জিলা দিৱস উপলক্ষে অভয়াপুৰীত কেইবাটাও জনমুখী আৰু সামাজিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীসমূহৰ জৰিয়তে প্ৰশাসন আৰু জনসাধাৰণৰ মাজত অধিক সু-সম্পৰ্ক গঢ়ি তোলাৰ লগতে অঞ্চলটোৰ উন্নয়ন, স্বচ্ছতা আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত জনসচেতনতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

# কাগজৰ বুকে, কাপোৰৰ ফুল নিজ হাতেৰে প্ৰস্তুত কৰি স্বাৱলম্বী নাজিৰাৰ এগৰাকী যুৱতী

**অসম বাৰ্তা, গেলেকী, ৪ অক্টোবৰ ঃ** চৰকাৰী চাকৰিৰ পিছত দৌৰি নুফুৰি নিজৰ হাতৰ কাম আৰু প্ৰতিভাৰ বলত স্বাৱলম্বী হৈ এক আদৰ্শ দাঙি ধৰিছে নাজিৰা নগৰৰ ১ নং ৱাৰ্ডৰ নিৱাসী কৃষ্ণামণি গগৈয়ে। স্কুলীয়া দিনৰে পৰাই ছবি অঁকা, হাতৰ কাম আৰু অভিনয়ৰ প্ৰতি গভীৰ আগ্ৰহ থকা কৃষ্ণামণিয়ে নাজিৰা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ পৰা মেজৰসহ স্নাতক ডিগ্ৰী লাভ কৰে। পঢ়া-শুনাৰ লগতে তেওঁ নাজিৰা নগৰস্থিত পিতৃ ৰিপু গগৈৰ ব্যৱসায়িক প্ৰতিষ্ঠান 'ৰিপু বুক ষ্টল' অতি সুন্দৰভাৱে পৰিচালনা কৰি আহিছে। দোকানত গ্ৰাহকক সেৱা আগবঢ়োৱাৰ কামৰ ফাঁকে ফাঁকে তেওঁ নিজ হাতেৰে কাগজৰ বুকে, কাপোৰৰ ফুল আদি আকৰ্ষণীয় সামগ্ৰী প্ৰস্তুত কৰে। ইয়াৰোপৰি তেওঁ কাপোৰ চিলাই কৰা আৰু দহি বটা আদি বিভিন্ন হস্তশিল্পৰ কাম কৰি সেয়া বিক্ৰী কৰি স্বাৱলম্বী হৈছে। কেৱল ব্যৱসায় আৰু হস্তশিল্পতেই সীমাবদ্ধ নহয়, সৰুৰে পৰাই অভিনয়ৰ প্ৰতি অনুৰাগী কৃষ্ণামণিয়ে গুৰুজনাৰ অপূৰ্ব সৃষ্টি ভাওনাত বিভিন্ন চৰিত্ৰত অভিনয় কৰি সত্ৰীয়া সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখিছে। চাকৰিৰ পিছত নদৌৰি নিজৰ হাতৰ কামৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ পথ বাচি লোৱা যুৱতীগৰাকীয়ে মন্তব্য কৰি কয় যে, মানুহে নিজৰ হাতৰ কাৰিকৰী বিদ্যাক সৎ ব্যৱহাৰ কৰিব লাগে। স্বাৱলম্বিতাৰ জৰিয়তে নিজৰ ভৱিত থিয় দি সমাজত আগবাঢ়ি যাবলৈ তেওঁ যুৱপ্ৰজন্মৰ প্ৰতি আহ্বান জনায়।

# লখিমপুৰত 'আছা'ৰ কদম-চিয়াজুলি আঞ্চলিক সমিতিৰ 'কৰম পৰৱ' উদ্‌যাপন



**অসম বাৰ্তা, লীলাবাৰী, ৪ অক্টোবৰ ঃ** আদিবাসী জনগোষ্ঠীৰ জাতীয় উৎসৱ হৈছে কৰম পৰৱ। লখিমপুৰৰ চিয়াজুলিৰ চাইমন সিং হ'ৰ প্ৰেক্ষাগৃহ প্ৰাংগণত আদিবাসী জনগোষ্ঠীৰ বৰ্ণিল উৎসৱ কৰম পৰৱ উদ্‌যাপন কৰে। কৰম পৰৱ প্ৰকৃতি মাতৃৰ লগত মানৱী মাতৃৰ, প্ৰাকৃতিক ফলপ্ৰসূতাৰ লগত মানৱীয় ফলপ্ৰসূতাৰ, প্ৰাকৃতিক উৰ্বৰতাৰ লগত নাৰীৰ উৰ্বৰতা শক্তিৰ, ভূমি কৰ্ষণৰ লগত মৈথুনৰ সম্পৰ্ক আছে। পৰৱটিত শস্য উৎপাদন, শস্য ৰক্ষাৰ বাবে অবৈদিক দেৱতাক সন্তুষ্ট কৰা আৰু মানৱ জীৱনৰ বংশ প্ৰজনন সম্পৰ্কীয় লোকায়ত ধ্যান-ধাৰণাৰ বহিৰ্প্ৰকাশ ঘটে। কৰম পৰৱ উদযাপনৰ কেইবাদিনো আগৰ পৰা আৰম্ভ হয় 'জাৱা জগোৱা' অনুষ্ঠান। জাৱা হৈছে নাৰীৰ দ্বাৰা শস্য অংকুৰণ, উৎপাদন আৰু বংশ প্ৰজননৰ যাদু ক্ৰিয়া প্ৰক্ৰিয়া। জাৱাৰ অৰ্থ হ'ল- জন্ম বা সৃষ্টি। কুমাৰী ছোৱালীসকল উৰ্বৰা শক্তি আৰু প্ৰজনন ক্ষমতাৰ অধিকাৰিনী, সেয়ে এই জাৱা অনুষ্ঠানৰ মাজত নাৰীৰ সন্তান কামনা তথা বংশ প্ৰজননৰ ধাৰণা নিহিত হৈ আছে। জাৱা জগোৱা কৰমতীসকলে নদীৰ বালি আনি টুপাত পঞ্চশস্য সিচি, কৰম পৰৱৰ দিনলৈ শস্যসমূহ আলফুললৈ কিছুমান নীতি-নিয়মৰ মাজেৰে গজাই তোলাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। সাত দিন জাৱা জগোৱাৰ পাছত উদ্‌যাপন কৰে ৰাজহুৱা কৰম পৰৱ। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ কদম-চিয়াজুলি আঞ্চলিক সমিতিৰ উদ্যোগত চিয়াজুলি চাহ বাগিচাৰ চাইমন সিং হ'ৰ প্ৰেক্ষাগৃহ প্ৰাংগণত কৰম পৰৱটি ৰাজহুৱাভাৱে অনুষ্ঠিত হয়। সন্ধিয়া কৰমতীসকলে কৰম ডালৰ লগতে 'জাৱা' আদৰণি কৰা অনুষ্ঠানটিত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক জিলা সভাপতি তথা বৰ্তমানৰ উপদেষ্টা জৰ্জ তিৰ্কীয়ে 'আখড়া' উদ্বোধন কৰে। কৰম ডাল আদৰণিৰ পাছতে 'পাহান'ৰ দ্বাৰা কৰম কাহিনী উপস্থাপন আৰু মাংগলিক অনুষ্ঠানৰ পাছতে লোকবাদ্য মাদলৰ তালে-তালে ওৰে নিশা নাচি-বাগি ৰং-ৰহইচ কৰাৰ লগতে আজি পুৱা কৰম ডাল নদীত বিসৰ্জন কৰে।

# মাজুলীত "অংগন মিলন সেৱা" সম্পন্ন

অংগনৱাদী কৰ্মী-সহায়িকাক সম্বৰ্ধনা আৰু চেক প্ৰদান

**অসম বাৰ্তা, বনগাঁও, ৪ অক্টোবৰ ঃ** দেশজুৰি পালন কৰা "অংগন মিলন সেৱা" ৰাজ্যৰ আন আন জিলাৰ উপৰি মাজুলী জিলাটো আজি ৪ অক্টোবৰত প্ৰতিকুল বতৰৰ মাজত পালন কৰা হয়। জিলাখনৰ উজনি জেংৰাইমুখ আৰু মাজুলী কমলাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প দুয়োটা বিভাগৰ অন্তৰ্গত অংগনৱাদী কেন্দ্ৰ সমূহত নিৰ্দ্ধাৰিত কাৰ্যক্ৰমনিকাৰে "অংগনৱাদী মিলন সেৱা অনুষ্ঠিত হয়। জিলাখনৰ সকলো কেন্দ্ৰতে পুৱা ৮—০০বজাৰ পৰা ১২-০০ বজাৰ ভিতৰত উক্ত কাৰ্যসূচীৰ সু-সম্পন্ন হয়। গড়মুৰ মধুপুৰ মিছিং অংগনৱাদী কেন্দ্ৰত কেন্দ্ৰীয় ভাৱে সফলতাৰে অনুষ্ঠিত হোৱা কাৰ্যসূচীত মাজুলীৰ বিধায়ক ভুৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে অংশ গ্ৰহণ কৰি চৰকাৰৰ এনে কাৰ্যসূচীক আদৰণি জনায় — অসম তথা ভাৰত চৰকাৰৰ জনকল্যাণ মুলক আচঁনি সমূহ ৰাইজক অৱগত কৰে। জিলা ভিত্তিত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংগনৱাদী কৰ্মী/সহায়িকালৈ উপহাৰ হিচাবে আগবঢ়োৱা ১০০০/টকাৰ চেক প্ৰদান কৰাৰ লগতে অংগনৱাদী কৰ্মী/সহায়িকাক বিশেষ সম্বৰ্ধনা জনোৱা হয়। । খণ্ড সমন্বয়ক যদুমনি ভুএঁাই আতঁধৰা অনুষ্ঠানত কমলাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া মিনু দেৱী, উজনি মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া মৌচুমী গগৈ, মুখ্য সেৱিকা আৰতী ডেকা, সমাজ কল্যাণ বিভাগৰ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ বছৰ ধৰি সফলতাৰে ৰাজহুৱা জীৱন অতিক্ৰম কৰা উপলক্ষে অসম চৰকাৰে গ্ৰহণ কৰা মাহযোৱা "সেৱা সংকল্প যাত্ৰা" অংশ স্বৰূপে জিলা খনৰ প্ৰতিটো অংগনৱাদী কেন্দ্ৰত একে সময়তে "মিলন সেৱা" আৰম্ভ হয়। পুৱাৰ প্ৰবল বৰষুণক নেওঁচি পুৱা ৯-০০বজাত মাজুলী কমলাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিভাগৰ দক্ষিণ পাট দিঘলী গাওঁ অংগনৱাদী কেন্দ্ৰত অনুষ্ঠিত "অংগন মিলন সেৱা" কাৰ্যসুচীৰ প্ৰাকক্ষণত পৰিচালনা সমিতিৰ সদস্য গাওঁ প্ৰধান সঞ্জীৱ বৰাইবন্তিপ্ৰজ্বলন কৰাৰ পিছত নিয়োজিত যুৱ সমাজ কৰ্মী শাসকীয় দলৰ দেৱপ্ৰতীম বৰাই মুখ্য বক্তাৰ ভাষণ প্ৰদানে চৰকাৰী আচঁনিৰ বিষয়ে সমৱেত ৰাইজক অৱগত কৰে।



স্থানীয় ৰাইজ আই মাতৃ সকলে অংশ লোৱা কাৰ্যসূচীত পৰিচালনা সমিতিৰ সভাপতি ৰূপম দুৱৰাই বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে। কৰ্ম্মী ৰিঞ্জু বৰা শইকীয়া, সহায়িকা মৃণালী শইকীয়াই আমন্ত্ৰিত অতিথিক একোখনিকৈ গামোছাৰে আদৰনি জনায়। ইয়াৰোপৰি পুৱ মাজুলীৰ আন আন কেন্দ্ৰৰ লগতে ১নং কঢ়াল গাঁও প্ৰাথমিক বিদ্যালয়ত ৩৩ নং আদৰ্শ অংগনৱাদী কেন্দ্ৰত প্ৰধান শিক্ষক ৰাজেন বৰাৰ সভাপতিত্ব এখনি সভা অনুষ্ঠিত হয়। সভাৰ পুৰ্ব্বে সমাজকৰ্মী লক্ষ্যজিৎ ভূএঁা বন্তি প্ৰজ্বলন কৰে। কৰ্ম্মী গৃহলক্ষ্মী ভুএঁাই আতঁধৰা সভাত মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া বিশেষ আমন্ত্ৰিত মুখ্য বক্তাৰ ভাষণ প্ৰদান কৰে। "বিদ্যালয়লৈ যোৱাৰ বাবে সাজু কৰাৰ প্ৰথম খোজৰ ঘৰ খনেই হ'ল অংগনৱাদী কেন্দ্ৰ। শিশুক শিশু কালতেই নৈতিক শিক্ষাৰে শিক্ষিত কৰিলে সমাজখন সুন্দৰ হ'ব, যিখন ঘৰৰ পৰাই শিশোৱে প্ৰাথমিক বিদ্যালয়লৈ জীৱনৰ আদি শিক্ষা গ্ৰহণ যাত্ৰা গঢ়িব পাৰিব বুলি বক্তাজনে ভাষণত উল্লেখ কৰে। বনগাঁও খণ্ডৰ মুখ্যসেৱিকা মনীষা হাজৰিকাই সভাত বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। সমবেত ৰাইজৰ হাত তালিৰ মাজত কেন্দ্ৰৰ কৰ্মী-সহায়িকাক মুখ্যমন্ত্ৰীৰ উপহাৰ চেক প্ৰদান কৰা হয়। সমাজ কৰ্মী লক্ষ্যজিৎ ভূএঁা, মানী শইকীয়াই সমজুৱাৰ একেষাৰত বক্তব্য প্ৰদান।

# সেৱা সেতু অভিযানৰ অধীনত দৰঙৰ পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰ সম্পন্ন

**অসম বাৰ্তা, দেওমৰনৈ, ৪ অক্টোবৰ ঃ** অসম চৰকাৰৰ নিৰ্দেশমৰ্মে সমগ্ৰ ৰাজ্যতে উন্নয়ন খণ্ড ভিত্তিক স্বাস্থ্য আৰু কল্যাণ শিবিৰ ১ অক্টোবৰৰ পৰা আৰম্ভ হৈছে। সেই কাৰ্যসূচীৰ অংশ হিচাবে আজি দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডত জিলাখনৰ তৃতীয়টো স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। সেৱা সেতু অভিযানৰ অধীনত উন্নয়ন খণ্ডটোৰ কাৰ্য্যসূচী ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত আয়োজিত হোৱাৰ সমান্তৰালকৈ ছিপাঝাৰ সামূহিক স্বাস্থ্যকেন্দ্ৰত অনুষ্ঠিত হয় স্বাস্থ্য শিবিৰটো। এই স্বাস্থ্য আৰু কল্যাণ শিবিৰত ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী উপস্থিত থাকি চিকিৎসা দল আৰু ৰাইজৰ সৈতে মত বিনিময় কৰে। এই শিবিৰত মুঠ ৮টা বিভাগৰ বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়োৱাৰ লগতে কেইবাগৰাকীও চিকিৎসকে সেৱা আগবঢ়ায়। তদুপৰি শিবিৰত আভা, প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনা, দিব্যাংগ লোক আৰু জন্ম-মৃত্যুৰ পঞ্জীয়ন কৰাৰ উপৰিও স্বাস্থ্য বিভাগৰ বিভিন্ন আঁচনি আৰু সুস্বাস্থ্য কেনেকৈ বজাই ৰাখিব পাৰি সেই সন্দৰ্ভত সজাগতা সৃষ্টি কৰা হয়। এই শিবিৰত পঞ্জীয়ন কৰা ৰোগীয়ে বিনামূলীয়া ৰক্ত পৰীক্ষা, ঔষধ লাভ কৰে। শিবিৰত সুস্বাস্থ্যৰ বাবে প্ৰয়োজনীয় যোগ প্ৰদৰ্শনো কৰা হয়। এই শিবিৰত মুঠ ৫০৯জন লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। উল্লেখ্য যে অহা ৮ অক্টোবৰত দলগাঁও শিয়ালমাৰী উন্নয়ন খণ্ডৰ অধীনত নাগাজান গাঁও পঞ্চায়তৰ সামূহিক ভৱনত আৰু ৯ অক্টোবৰত বেছিমাৰি উন্নয়ন খণ্ডৰ অধীনত বেছিমাৰি উন্নয়ন খণ্ড কাৰ্যালয়ত স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ অনুষ্ঠিত হ'ব। এই শিবিৰ দুটাত সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে শিবিৰ সফল কৰি তুলিবলৈ দুয়োটা উন্নয়ন খণ্ডৰ ৰাইজলৈ আহ্বান জনাইছে স্বাস্থ্য বিভাগে।

## বাঁহৰ খুঁটাত বান্ধি থোৱা আছে উচ্চ ক্ষমতসম্পন্ন বৈদ্যুতিক তাঁৰ

# ডিব্ৰুগড় প্ৰেছ ক্লাবৰ “গাঁৱলৈ যাওঁ” কাৰ্যসূচী সম্পন্ন

### পশু চিকিৎসা কেন্দ্ৰত নাই চিকিৎসক-কৰ্মচাৰী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ অক্টোবৰ ঃ** ডিব্ৰুগড় প্ৰেছ ক্লাবে সময়ে সময়ে চহৰখনৰ অন্তৰ্গত কিছু ভিতৰুৱা গাঁও আদি অঞ্চল পৰিদৰ্শন কৰি ৰাইজৰ ওচৰলৈ গৈ অভাৱ-অভিযোগ, সমস্যা আদিৰ বুজ লয়। কাৰ্যসূচী মতে যোৱা ৩ অ'ৰ্বৰ তাৰিখে ডিব্ৰুগড় চহৰৰ উপকণ্ঠ তথা চহৰখনৰ পৰা ৩০/৩৫ কিলোমিটাৰ দূৰত্বত থকা ভিতৰুৱা লেজাই-বৰদৈবাম গাঁৱলৈ গৈ “গাঁৱলৈ যাওঁ” কাৰ্যসূচী ৰূপায়ণ কৰে। ডিব্ৰুগড় প্ৰেছক্লাবৰ প্ৰায় অৰ্ধ শতাধিক সাংবাদিকৰ এটি দলে আৰম্ভণিতে বৰদৈবাম সাংস্কৃতিক প্ৰেক্ষাগৃহত সমবেত প্ৰায় শতাধিক স্থানীয় ৰাইজৰ মিলিত হৈ ৰাইজৰ অভাৱ-অভিযোগ, সমস্যা আদিৰ বুজ লয়। ডিব্ৰুগড় প্ৰেছক্লাবৰ সভাপতি মানস জ্যোতি দত্তৰ সভাপতিত্বত অনুষ্ঠিত উক্ত মত বিনিময় সভাৰ আৰম্ভণিতে প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে “গাঁৱলৈ যাওঁ” কাৰ্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা ব্যক্ত কৰে। নেতৃস্থানীয় ৰাইজে প্ৰেছ ক্লাবৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাক একোখনকৈ গামোচা আৰু চেলেং চাদৰেৰে বৰণ কৰি আদৰণি জনায়। লেজাই-বৰদৈবাম অঞ্চলৰ বিভিন্ন অভাৱ অভিযোগৰ বিষয়ে একোটিকৈ ভাষণ দিয়ে নেতৃস্থানীয় হিতেশ গগৈ, ৰূপনাথ মিলি আৰু সঞ্জীৱ চাংমাইয়ে। প্ৰেছ ক্লাবৰ সম্পাদকৰ হাতত স্থানীয় ৰাইজৰ তথা অঞ্চলটোৰ ১১টা বিশেষভাৱে চিনাক্ত কৰা ঠাইৰ অভাৱ অভিযোগ সম্পৰ্কত এখন অভাৱ-অভিযোগ পত্ৰ প্ৰদান কৰাৰ উপৰিও ৰাজহুৱা ভাৱে পাঠ কৰি দিয়ে হিতেশ গগৈয়ে। সভাৰ শেষত স্থানীয় ৰাইজে দেখুৱাই দিয়া কেইটামান সমস্যাজৰ্জৰ স্থান সাংবাদিক সকলে পৰিদৰ্শন কৰে। সাংবাদিক সকলে পৰিদৰ্শন কৰাৰ সময়ত এনে দৃশ্যও প্ৰত্যক্ষ কৰে যে, বিদ্যুৎ বিভাগে গাঁৱৰ ঘৰে ঘৰে স্মাৰ্ট মিটাৰ লগাইছে ঠিকেই, কিন্তু কোনো বিদ্যুৎ বিভাগে লগোৱা খুঁটাৰ পৰা বিদ্যুৎ সংযোগী তাঁৰ ঘৰবোৰলৈ যোৱা নাই, গৈছে গাঁৱৰ ৰাইজে নিজাকৈ লগাই লোৱা বাঁহৰ খুঁটাৰ পৰা। তেনেই নিচেই তলতে সাধাৰণ ৰচিৰে বান্ধি থোৱা বাঁহৰ খুঁটাৰ আৰু উচ্চ ক্ষমতা সম্পন্ন বৈদ্যুতিক তাঁৰৰ তলেদিয়েই বিপদজনক ভাৱে সৰ্বসাধাৰণ ৰাইজে নিতৌ অহা-যোৱা কৰে। বৃহৎ অঞ্চলটোত এখনেই মাত্ৰ পশু চিকিৎসা কেন্দ্ৰ আছে যদিও তাত এজনো চিকিৎসক কিম্বা কৰ্মচাৰী নাই। চিকিৎসা কেন্দ্ৰটো ভাগি ছিগি জৰাজীৰ্ণ হৈ পৰিছে। লেজাই বৰদৈবামৰ পৰা ইটাখুলি থান গাঁৱলৈকে ৩৩ কোটি টকাৰে নিৰ্মাণ কৰা চেঁচা নৈৰ একমাত্ৰ মথাউৰিৰ অৱস্থাও তথৈবচ। স্থানীয় ৰাইজৰ অভিযোগ যে, মথাউৰিটো সম্পূৰ্ণ ভাৱে নিৰ্মাণ নকৰিলে সৰহভাগ টকা উদৰস্থহে কৰিলে ঠিকাদাৰ- বিষয়াই লগহৈ। চেঁচা নদীখনৰ খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱহাৰ কৰা ৫ ঠাইৰ জিঅ'বেগৰ ঠাইত চেঁচাকিনাৰ বৰদৈবাম ঠাইত এটাও জিঅ'বেগ নেপেলালে। বৰদৈবাম পানী যোগান আঁচনিৰ নামত পানী ওলোৱাতো দূৰৰে কথা, পাইপ কেইডালো লগোৱাৰ পিছতে ভাগি চুৰমাৰ হ'ল। সেই অঞ্চলৰ স্থান সমূহ পৰিদৰ্শন কৰা কালত সাংবাদিক সকলৰ আগত স্থানীয় ৰাইজে খং আৰু ক্ষোভত প্ৰকাশ কৰে যে, চৰকাৰে এই ক্ষেত্ৰত যদি কোনো বিহিত ব্যৱস্থা হাতত নলয়, তেন্তে ৰাইজ জীৱন্তে মৰাৰ বাহিৰে কোনো উপায় নেথাকিব।



# আদৰ্শ মাতৃ কনিবালা ৰায়ৰ ষষ্ঠতম মৃত্যু বাৰ্ষিকী পালন

**অসম বাৰ্তা, গৌৰীপুৰ, ৪ অক্টোবৰ ঃ** ধুবুৰী জিলাৰ ঐতিহ্যমণ্ডিত গৌৰীপুৰ চহৰৰ ২ নং ৱাৰ্ডত অৱসৰপ্ৰাপ্ত শিক্ষক তথা ধুবুৰী জিলা বিশ্ব হিন্দু পৰিষদৰ সাধাৰণ সম্পাদক কৈলাস চন্দ্ৰ ৰায়ৰ চহৰস্থিত বাসগৃহত যোৱা কালি এক গম্ভীৰ আৰু আবেগিক পৰিৱেশত তেওঁৰ মাতৃ, আদৰ্শ মাতৃ কনিবালা ৰায়ৰ ষষ্ঠতম মৃত্যু বাৰ্ষিকী পালন কৰা হয়। মাতৃৰ স্মৃতি অম্লান কৰি ৰখাৰ উদ্দেশ্যে আদৰ্শ পুত্ৰ কৈলাস চন্দ্ৰ ৰায়ে আয়োজন কৰা এই বিশেষ অনুষ্ঠানত ৰাজবংশী কবি সন্মিলন আৰু মাতৃৰ জীৱন-আদৰ্শ সম্পৰ্কে এখন আলোচনা সভাৰো আয়োজন কৰা হয়। উল্লেখ্য যে ধুবুৰী জিলাৰ দেৱত্তৰ, হাসদাহ দ্বিতীয় খণ্ড অঞ্চলৰ এগৰাকী সৰল, মৰমিয়াল আৰু আদৰ্শ মাতৃ হিচাপে পৰিচিত আছিল কনিবালা ৰায়। জীৱনকালত সন্তান-সন্ততিৰ প্ৰতি থকা মমতা, দায়িত্ববোধ, নৈতিকতা আৰু মানৱীয় মূল্যবোধৰ বাবে তেওঁ পৰিয়ালৰ লগতে সমাজতো এগৰাকী আদৰ্শ মাতৃ হিচাপে পৰিচিতি লাভ কৰিছিল। তেওঁৰ মৃত্যুৰ পাছতো সন্তান-সন্ততি আৰু পৰিয়ালৰ লোকসকলে তেওঁৰ আদৰ্শ আৰু স্মৃতিক সজীৱ কৰি ৰাখিবলৈ পূৰ্বৰ সময়ত কনিষ্ঠ পুত্ৰ ডাঃ মনিদ্ৰ নাথ ৰায় আৰু জেষ্ঠ পুত্ৰ কৈলাস চন্দ্ৰ ৰায়ে বিভিন্ন স্মৃতিচাৰণমূলক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। যোৱা কালিৰ মৃত্যু বাৰ্ষিকী উপলক্ষে আয়োজিত অনুষ্ঠানত গৌৰীপুৰ তথা ধুবুৰী জিলাৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি, সমাজসেৱক, সাহিত্যপ্ৰেমী, কবি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে আমন্ত্ৰিত অতিথিসকলক শ্ৰদ্ধা আৰু আন্তৰিকতাৰে আদৰণি জনাই আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হয়। ইয়াৰ পিছতে বিশিষ্ট সমাজসেৱক জ্যোতিষ চন্দ্ৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত হয় স্মৃতিচাৰণ আৰু আলোচনা সভা। সভাৰ আৰম্ভণিতে আদৰ্শ মাতৃ কনিবালা ৰায়ৰ প্ৰতিচ্ছবিত পুষ্পমাল্য অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে তেওঁৰ জ্যেষ্ঠ কন্যা শান্তি বালা ৰায়ে। ইয়াৰ পিছতে উপস্থিত বিশিষ্ট ব্যক্তি আৰু ৰাইজে সমূহীয়াভাৱে প্ৰতিচ্ছবিত পুষ্প অৰ্পণ কৰি প্ৰয়াত কনিবালা ৰায়ৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কনিবালা ৰায়ৰ নাতি মৃদুল ৰায়ে। উদ্দেশ্য ব্যাখ্যা কৰি তেওঁ কয় যে এগৰাকী মাতৃ কেৱল এখন পৰিয়ালৰ ভেটি নহয়, এগৰাকী আদৰ্শ মাতৃৰ শিক্ষা, সংস্কাৰ আৰু মূল্যবোধে পৰৱৰ্তী প্ৰজন্মৰ জীৱন গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কনিবালা ৰায়ৰ জীৱন আৰু আদৰ্শও পৰিয়ালৰ বাবে সদায় প্ৰেৰণাৰ উৎস হৈ থাকিব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল বিশেষ ৰাজবংশী কবি সন্মিলন। এই কবি সন্মিলনত উপস্থিত ৰাজবংশী কবিসকলে নিজৰ নিজৰ স্ব-ৰচিত ৰাজবংশী ভাষাৰ কবিতা পাঠ কৰি অনুষ্ঠানটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰে। কবিসকলৰ কবিতাত মাতৃৰ মৰম, ত্যাগ, সন্তানৰ প্ৰতি থকা নিঃস্বাৰ্থ ভালপোৱা আৰু মাতৃৰ স্মৃতিৰ বিভিন্ন দিশ প্ৰতিফলিত হয়। কবিতা পাঠৰ অন্তত আলোচনা সভাত উপস্থিত বিশিষ্ট বক্তাসকলে কনিবালা ৰায়ৰ জীৱন, কৰ্ম, ব্যক্তিত্ব আৰু মাতৃ হিচাপে তেওঁৰ অৱদানৰ বিষয়ে বক্তব্য আগবঢ়ায়। বক্তাসকলে নিজৰ নিজৰ বক্তব্যৰ মাজেৰে এগৰাকী মাতৃৰ জীৱনত থকা ত্যাগ, সন্তানক মানুহ হিচাপে গঢ়ি তোলাত মাতৃৰ ভূমিকা আৰু পৰিয়াল তথা সমাজ গঠনত মাতৃৰ গুৰুত্বপূৰ্ণ অৱদানৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। বক্তাসকলে কয় যে মাতৃৰ মৰম আৰু ত্যাগৰ কোনো তুলনা নাই। এগৰাকী মাতৃয়ে নিজৰ সুখ-দুখ, আশা-আকাংক্ষা সকলো এফালে ৰাখি সন্তানৰ ভৱিষ্যৎ গঢ় দিয়াৰ বাবে জীৱনৰ অধিকাংশ সময় উৎসৰ্গা কৰে। সেয়েহে মাতৃৰ আদৰ্শ আৰু মূল্যবোধক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাটো সকলোৰে দায়িত্ব। অনুষ্ঠানত উপস্থিত অতিথিসকলে কনিবালা ৰায়ৰ সৰলতা, মৰম, মানৱীয়তা আৰু পৰিয়ালৰ প্ৰতি থকা দায়িত্ববোধৰ কথা স্মৰণ কৰি তেওঁৰ স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। লগতে মাতৃৰ আদৰ্শক জীৱনত অনুসৰণ কৰি সমাজৰ প্ৰতি দায়িত্বশীল হ'বলৈ নতুন প্ৰজন্মক আহ্বান জনায়। উল্লেখ্য যে মাতৃৰ ষষ্ঠতম মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এই অনুষ্ঠান কেৱল এগৰাকী প্ৰয়াত মাতৃক স্মৰণ কৰাৰ অনুষ্ঠানতে সীমাবদ্ধ নাথাকি ৰাজবংশী ভাষা-সাহিত্য আৰু সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ অনুষ্ঠান হিচাপে পৰিগণিত হয়। মাতৃৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি, ৰাজবংশী কবিতা পাঠ আৰু বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিচাৰণমূলক বক্তব্যৰ মাজেৰে কনিবালা ৰায়ৰ ষষ্ঠতম মৃত্যু বাৰ্ষিকীৰ অনুষ্ঠানটো এক গম্ভীৰ, আবেগিক আৰু স্মৰণীয় পৰিৱেশত সম্পন্ন হয়। উপস্থিত সকলোৰে এগৰাকী আদৰ্শ মাতৃ হিচাপে কনিবালা ৰায়ৰ স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেওঁৰ আদৰ্শ আৰু মূল্যবোধ আগন্তুক প্ৰজন্মৰ মাজত জীয়াই ৰখাৰ সংকল্প গ্ৰহণ কৰে।

# আজি ভোটগ্ৰহণৰ বাবে নগাঁও-মৰিগাঁৱৰ পৰা ২৩০৭ কেন্দ্ৰলৈ ৰাওনা হ'ব ১১, ৫৩৫ বিষয়াৰ দল

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ অক্টোবৰ ঃ** অহা ৬ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ উপনিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে কাইলৈ ভোটগ্ৰহণকাৰী বিষয়াৰ দলসমূহ নগাঁও আৰু মৰিগাঁও চহৰৰ পৰা ৰাওনা হ'ব। নগাঁও জিলাৰ ৰহা আৰু নগাঁও-বটদ্ৰৱা সমষ্টিৰ বাবে নগাঁও ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰূপহীহাট, চামগুৰি আৰু ধিং সমষ্টিৰ বাবে নগাঁৱৰ ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয় আৰু মৰিগাঁও, জাগীৰোড আৰু লাহৰিঘাট সমষ্টিৰ বাবে মৰিগাঁও মহাবিদ্যালয়ৰ পৰা সৰ্বমুঠ ১১, ৫৩৫ গৰাকী ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰী কাইলৈ আগবেলাৰ ভিতৰতে ৰাওনা হ'ব। ইয়াৰে পোলিং আৰু প্ৰিজাইডিং বিষয়া হৈছে ৯২২৮ আৰু ২৩০৭জন নিৰাপত্তাৰক্ষী। তেওঁলোকে নগাঁও জিলাৰ ১৩৩৯টা আৰু মৰিগাঁও জিলাৰ ৯৬৮ টা, অৰ্থাৎ মুঠ ২৩০৭টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে ৰাওনা হ'ব। প্ৰশাসনে ইয়াৰে ৬২৪টা কেন্দ্ৰক ভিন ভিন দৃষ্টিকোণৰ পৰা স্পষ্টকাতৰ বুলি চিনাক্ত কৰিছে। সংসদীয় সমষ্টিটোৰ অন্তৰ্গত নগাঁও আৰু মৰিগাঁও জিলাৰ মুঠ ৮টা বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ১৯, ০২, ০০৯ জন। ইয়াৰে ৯, ৫৮, ৫৯৫জন পুৰুষ, ৯, ৪৩, ৩৬৪ গৰাকী মহিলা আৰু ৫০ গৰাকী তৃতীয় লিংগৰ ব্যক্তি। ডি-ভোটাৰৰ সংখ্যা হৈছে ১০, ৭৮২ জন। পোলিং -প্ৰিজাইডিং বিষয়াৰ উপৰিও ২০৩জন ছে'ৰ বিষয়া আৰু ৫৩জন জ'নেল বিষয়ায়ো ক্ষেত্ৰ পৰ্যায়ত নিজ নিজ অঞ্চলত উপস্থিত থাকিব। নগাঁও জিলাৰ বাবে নিয়োজিত ৫৪জন মাইক্ৰো অবজাৰভাৰে ভোটগ্ৰহণৰ দিনা স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ কামকাজ পৰ্যবেক্ষণ কৰিব। নগাঁও জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, নগাঁও আৰু মৰিগাঁও জিলা প্ৰশাসনে ইয়াৰ বাবে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তুলিছে। ভোটগ্ৰহণকাৰী বিষয়াসকলৰ বাবে উপযুক্ত খাদ্য আৰু পৰ্যাপ্ত যানবাহনৰো ব্যৱস্থা কৰা হৈছে। নগাঁও ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে নেহেৰুবালি খেলপথাৰত যানবাহন ৰখোৱাৰ লগতে খাদ্যগ্ৰহণৰ ব্যৱস্থা কৰাৰ বিপৰীতে ডচন স্কুলৰ বাবে গৰুফিল্ডত যানবাহন ৰখাৰ ব্যৱস্থা কৰা হৈছে। মৰিগাঁও জিলাৰ বাবে গাছবাৰী, দলবাৰী আৰু ভেটেনেৰী খেলপথাৰত গাড়ী ৰখাৰ ব্যৱস্থা কৰা হৈছে। কেৱল ভোটগ্ৰহণকাৰী দলৰ বাবেই নগাঁও জিলাত ৫৮৪খন আৰু মৰিগাঁও জিলাত ৪২৭খন সৰু-ডাঙৰ গাড়ীৰ ব্যৱস্থা কৰা হৈছে। নিৰ্বাচন সম্পূৰ্ণ সুকলমে আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা ব্যাপক তৎপৰতা চলোৱা হৈছে। সম্ভাব্য যিকোনো ধৰণৰ হিংসাত্মক গতিবিধি ৰোধ কৰাৰ বাবে নিতৌ আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ দ্বাৰা ঠায়ে ঠায়ে ফ্লেগমাৰ্চ অব্যাহত ৰাখিছে। আৰক্ষীয়ে নিয়মীয়া তহলদাৰী বৃদ্ধি কৰিছে। আজিও জনসংযোগ বিভাগৰ দ্বাৰা চামগুৰি, ধিং আৰু ৰূপহীহাট সমষ্টিত ভ্ৰাম্যমাণ দূৰভাষ যন্ত্ৰৰ জৰিয়তে শান্তি ৰক্ষাৰ বাবে ব্যাপক সজাগতামূলক প্ৰচাৰ চলাই থকা দেখা গৈছে। লোকসভা সমষ্টিটোৰ এই উপ-নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া আৰণ্যক শইকীয়াই সমূহ ৰাইজক যিকোনো প্ৰভাৱৰ পৰা মুক্ত হৈ আনন্দমনেৰে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰি গণতন্ত্ৰক সবল কৰি তুলিবলৈ আহ্বান জনাইছে।

# অভয়াপুৰী সমজিলা দিৱসত জ্যেষ্ঠ নাগৰিকৰ বাবে বিনামূলীয়া স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৪ অক্টোবৰ ঃ** অভয়াপুৰী সমজিলা দিৱস উপলক্ষে গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ দ্বিতীয় দিনা আজি জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য সুৰক্ষাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰি এখন বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। অভয়াপুৰীৰ যোগেন্দ্ৰ নাৰায়ণ সোঁৱৰণী ছোৱালী বিদ্যালয়ত অনুষ্ঠিত এই স্বাস্থ্য শিবিৰৰ জৰিয়তে জ্যেষ্ঠ নাগৰিকসকলক স্বাস্থ্য পৰীক্ষা আৰু প্ৰয়োজনীয় স্বাস্থ্যসেৱা আগবঢ়োৱা হয়। স্বাস্থ্য শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে বিশিষ্ট সমাজসেৱী ৰুদ্ৰ কুমাৰ পাঠকে। উদ্বোধনী কাৰ্যসূচীত অভয়াপুৰী সমজিলা আয়ুক্ত দ্বীপন বৰ্মনকে ধৰি কেইবাগৰাকীও বিশিষ্ট নাগৰিক উপস্থিত থাকি কাৰ্যসূচীটোৰ প্ৰতি সমৰ্থন আগবঢ়ায়। জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্যৰ প্ৰতি সজাগতা বৃদ্ধি আৰু তেওঁলোকক সময়মতে স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত এনে উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। সমজিলা দিৱসৰ দৰে বিশেষ উপলক্ষত সমাজৰ জ্যেষ্ঠ নাগৰিকসকলৰ কল্যাণকেন্দ্ৰিক এনে কাৰ্যসূচী গ্ৰহণে সামাজিক দায়বদ্ধতা আৰু মানৱীয় মূল্যবোধৰ এক ইতিবাচক দৃষ্টান্ত দাঙি ধৰিছে।

# বোকাখাত সমজিলাৰ ৩৫৬ অংগনৱাড়ী কৰ্মী আৰু ৩৪৫ গৰাকী সহায়িকাক মুখ্যমন্ত্ৰীৰ স্বাক্ষৰিত প্ৰশংসা পত্ৰ আৰু ১,০০০ টকাৰ চেকেৰে সম্বৰ্ধনা

**অসম বাৰ্তা, নুমলীগড়, ৪ অক্টোবৰ ঃ** পশ্চিম গোলাঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত আজি বোকাখাতত ‘অংগন মিলন সেৱা বিশেষ পৰিপুষ্টি দিৱস’ বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে প্ৰকল্পটোৰ অধীনস্থ মুঠ ৩৬২টা অংগনৱাড়ী কেন্দ্ৰত একেলগে বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। দিৱসটোৰ সৈতে সংগতি ৰাখি প্ৰকল্পটোৰ ৩৫৬গৰাকী অংগনৱাড়ী কৰ্মী আৰু ৩৪৫ গৰাকী অংগনৱাড়ী সহায়িকাক তেওঁলোকৰ তৃণমূল পৰ্যায়ৰ সেৱাৰ স্বীকৃতি হিচাপে মুখ্যমন্ত্ৰীৰ স্বাক্ষৰ সম্বলিত প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। লগতে প্ৰতিগৰাকী কৰ্মী আৰু সহায়িকাক ১,০০০ টকাকৈ চেক প্ৰদান কৰি সন্মানিত কৰা হয়। ৰজাবাৰী অংগনৱাড়ী কেন্দ্ৰত অনুষ্ঠিত মূল অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বোকাখাত সমজিলাৰ আয়ুক্ত সুজাতা গগৈ। বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰি সমজিলা আয়ুক্তগৰাকীয়ে অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। শিশুৰ বিকাশ, মাতৃ আৰু শিশুৰ পুষ্টি, প্ৰাথমিক শিক্ষা তথা চৰকাৰী কল্যাণমূলক আঁচনিৰ সুবিধা তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত অংগনৱাড়ী কৰ্মীসকলে পালন কৰি অহা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে তেওঁলোকক প্ৰশংসা কৰাৰ লগতে নিষ্ঠা আৰু নিৰালস্যতাৰে সেৱা আগবঢ়াই যাবলৈ উৎসাহিত কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা। সাংসদ গৰাকীয়ে অংগনৱাড়ী কেন্দ্ৰত উপস্থিত থকা কণকণ শিশুসকলৰ সৈতে কিছু সময় আন্তৰিকতাৰে অতিবাহিত কৰাৰ লগতে অভিভাৱকসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ অংগনৱাড়ী কেন্দ্ৰসমূহক শিশুৰ জীৱনৰ প্ৰাৰম্ভিক শিক্ষা আৰু সামগ্ৰিক বিকাশৰ অন্যতম গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে অভিহিত কৰে। সাংসদ তাছাই কয় যে শিশুৰ জীৱনৰ প্ৰাৰম্ভিক পৰ্যায়তে তেওঁলোকৰ মাজত নৈতিকতা, মানৱীয় মূল্যবোধ আৰু দেশপ্ৰেমৰ বীজ ৰোপণ কৰাটো অতি গুৰুত্বপূৰ্ণ। অংগনৱাড়ী কেন্দ্ৰসমূহে শিশু সকলৰ প্ৰাথমিক শিক্ষা, পুষ্টি আৰু মানসিক-সামাজিক বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। শিশুসকলৰ সৈতে সাংসদ গৰাকীয়ে কটোৱা আন্তৰিক সময়খিনিয়ে অনুষ্ঠানটোক অধিক আনন্দময় আৰু স্মৰণীয় কৰি তোলে। ‘অংগন মিলন সেৱা’ৰ জৰিয়তে অংগনৱাড়ী কেন্দ্ৰসমূহক অধিক জনমুখী আৰু সমাজৰ সৈতে সংযুক্ত কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ শিশু আৰু মাতৃৰ পুষ্টিৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰাৰ লগতে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক অংগনৱাড়ী সেৱাৰ সৈতে অধিক সক্ৰিয়ভাৱে জড়িত কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইফালে, অনুষ্ঠানত বিভিন্ন চৰকাৰী আঁচনিৰ জৰিয়তে লাভ কৰা সুবিধা সম্পৰ্কে হিতাধিকাৰী সকলে নিজৰ অভিজ্ঞতা আৰু মতামত ব্যক্ত কৰে। প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰতে কৰ্মীসকলে হিতাধিকাৰীসকলৰ সৈতে চৰকাৰী আঁচনিৰ সুবিধা, উপকাৰিতা আৰু ইয়াৰ প্ৰভাৱ সন্দৰ্ভত মত-বিনিময় কৰে। এই উপলক্ষে অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলকো আনুষ্ঠানিক ভাৱে সন্মান জনোৱা হয়। আজিৰ কাৰ্যসূচীত বোকাখাতৰ তথ্য আৰু জনসংযোগ বিষয়া ডঃ বৰ্ণালী দত্ত, সমাজকৰ্মী জগত চন্দ্ৰ কলিতা, বিজেপিৰ গোলাঘাট জিলা সভাপতি চন্দ্ৰজ্যোতি ঠাকুৰ, শিশু উন্নয়ন প্ৰকল্প বিষয়া স্মিতিৰেখা হাজৰিকা, PRI/ULBৰ সদস্য, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM)-ৰ অধীনস্থ স্ব-সহায়ক গোটৰ সদস্য, স্থানীয় সমাজকৰ্মী আৰু বিভিন্ন পৰ্যায়ৰ নিৰ্বাচিত জনপ্ৰতিনিধিসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। লগতে অংগনৱাড়ী কেন্দ্ৰসমূহৰ এলেকাৰ অন্তৰ্গত প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, অৰুণোদয়, নিজুত মইনা, ৰেচন কাৰ্ড আদিকে ধৰি বিভিন্ন চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰে। দিনটোৰ কাৰ্যসূচীৰ সামৰণিত অংগনৱাড়ী কেন্দ্ৰত উপস্থিত থকা শিশু সকলৰ মাজত ফলমূল আৰু পুষ্টিকৰ খাদ্য বিতৰণ কৰা হয়। সামগ্ৰিকভাৱে ‘অংগন মিলন সেৱা বিশেষ পৰিপুষ্টি দিৱস’ৰ জৰিয়তে বোকাখাতত শিশু আৰু মাতৃৰ পুষ্টি, প্ৰাথমিক শিক্ষা আৰু চৰকাৰী জনকল্যাণমূলক আঁচনিৰ বিষয়ে জনসচেতনতা বৃদ্ধিৰ লগতে অংগনৱাড়ী সেৱাক অধিক শক্তিশালী কৰাৰ এক ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা হয়।

## গঁড়, হাতী, ম'হ, হৰিণকে ধৰি বন্যপ্ৰাণীৰ বিচৰণ কৰা নৈসৰ্গিক দৃশ্যত অভিভূত বিদেশী পৰ্যটকে প্ৰশংসা কৰিলে কাজিৰঙাৰ সংৰক্ষণ ব্যৱস্থা

# কাজিৰঙাৰ মুকলি কৰাৰ প্ৰথম দিনতে বিদেশী পৰ্যটকৰ ভিৰ



**অসম বাৰ্তা, নুমলীগড়, ৪ অক্টোবৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ নৈসৰ্গিক সৌন্দৰ্য, বন্যপ্ৰাণীৰ বিচৰণ আৰু মনোমোহা প্ৰাকৃতিক পৰিৱেশে পৰ্যটন বৰ্ষৰ আৰম্ভণিতে বিদেশী পৰ্যটক সকলক মন্ত্ৰমুগ্ধ কৰি তোলে। শনিবাৰে ২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি কৰাৰ দিনাই আমেৰিকা, যুক্তৰাজ্য (ইউ কে) আৰু অষ্ট্ৰেলিয়াৰ পৰা অহা দহ গৰাকী বিদেশী পৰ্যটকে কাজিৰঙাৰ বাগৰি বনাঞ্চল ভ্ৰমণ কৰি বন্যপ্ৰাণীৰ অনন্য সমাহাৰ উপভোগ কৰে। বাগৰি বনাঞ্চলত জীপ ছাফাৰীৰ জৰিয়তে ভ্ৰমণ কৰা বিদেশী পৰ্যটকৰ দলটোৱে গঁড়, বনৰীয়া ম'হ, হৰিণকে ধৰি বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী দেখি উৎফুল্ল হৈ পৰে। বিশেষকৈ মুক্ত প্ৰাকৃতিক পৰিৱেশত এশিঙীয়া গঁড়ৰ বিচৰণ দেখি পৰ্যটকসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হয়। বাগৰি বনাঞ্চলত গঁড়ৰ বিচৰণ উপভোগ কৰাৰ পাছত এগৰাকী আমেৰিকান পৰ্যটকে নিজৰ অনুভৱ ব্যক্ত কৰি কয়- “গঁড় দেখা পাই মই সঁচাকৈয়ে উৎফুল্ল। কিয়নো আমেৰিকাত কেতিয়াও গঁড় দেখা পোৱা নাযায়।” কাজিৰঙাৰ প্ৰাকৃতিক পৰিৱেশত গঁড়ক অতি ওচৰৰ পৰা স্বাভাৱিকভাৱে বিচৰণ কৰা দেখি তেওঁ আশ্চৰ্য প্ৰকাশ কৰে। বিদেশী পৰ্যটকসকলে কাজিৰঙাত বন্যপ্ৰাণীৰ সংৰক্ষণ আৰু পৰিচালনাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাৰো ভূয়সী প্ৰশংসা কৰে। বন্যপ্ৰাণীসমূহক প্ৰাকৃতিক পৰিৱেশত সুৰক্ষিতভাৱে বিচৰণ কৰাৰ সুযোগ প্ৰদান কৰাৰ লগতে পৰ্যটকসকলৰ বাবে নিয়ন্ত্ৰিত আৰু সুৰক্ষিত পৰ্যটন ব্যৱস্থা গঢ়ি তোলাৰ বাবে তেওঁলোকে সন্তুষ্টি প্ৰকাশ কৰে। বাগৰি বনাঞ্চল ভ্ৰমণৰ পাছত বিদেশী পৰ্যটকৰ দলটো পুনৰ কাজিৰঙাৰ কহুঁৰা বনাঞ্চলত উপস্থিত হয়। কহুঁৰা বনাঞ্চলৰ মনোমোহা প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ উদ্দেশ্যে পৰ্যটকসকলে জীপছীত উঠি বনাঞ্চলৰ ভিতৰলৈ যাত্ৰা কৰে। সেউজীয়া অৰণ্য, বিস্তীৰ্ণ তৃণভূমি, জলাশয় আৰু তাৰ মাজেৰে বিচৰণ কৰা বন্যপ্ৰাণীৰ দৃশ্যই তেওঁলোকৰ কাজিৰঙা ভ্ৰমণক অধিক স্মৰণীয় কৰি তোলে। উল্লেখ্য যে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কেৱল এশিঙীয়া গঁড়ৰ বাবেই বিশ্বজুৰি পৰিচিত নহয়; উদ্যানখনত বনৰীয়া ম'হ, হাতী, বিভিন্ন প্ৰজাতিৰ হৰিণ, বাঘ আৰু অসংখ্য চৰাই-বন্যপ্ৰাণীৰ সমৃদ্ধ বৈচিত্ৰ্যই কাজিৰঙাক বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ বন্যপ্ৰাণী পৰ্যটনস্থলী হিচাপে পৰিচিত কৰিছে। নতুন পৰ্যটন বৰ্ষৰ আৰম্ভণিতে বিদেশী পৰ্যটকৰ এই উপস্থিতিয়ে কাজিৰঙাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন ক্ষেত্ৰখনত আকৰ্ষণ দুগুণে বৃদ্ধি হৈছে বুলি পুনৰ এবাৰ প্ৰতিফলিত হৈছে আৰু গত পৰ্যটন বৰ্ষতকৈ এইবাৰ বিদেশী পৰ্যটকৰ আগমন ভিৰ অধিক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

# গুৰুজনাৰ একশৰণ নামধৰ্ম আৰু কৃষ্টি সংস্কৃতি প্ৰচাৰেৰে উত্তৰ প্ৰদেশত মথুৰা-বৃন্দাৱন মহোৎসৱ

**অসম বাৰ্তা, বৰপেটা সদৰ, ৪ অক্টোবৰ ঃ** ড° শ্ৰীশ্ৰীশঙ্কৰদেৱ-মাধৱদেৱ গৱেষণা আৰু বিকাশ কেন্দ্ৰৰ উদ্যোগত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উত্তৰ প্ৰদেশৰ মথুৰা জিলাৰ নাউগাঁৱত জগতগুৰু শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ একশৰণ নাম ধৰ্ম আৰ বৈভৱ কৃষ্টি সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে মথুৰা-বন্দাবন মহোৎসৱ অনুষ্ঠিত হৈছে। এই মহোৎসৱত জগৎগুৰু শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মাধৱদেৱৰ একশৰণ নামধৰ্মৰ গুণ-গৰিমা তথা বৈষ্ণৱ কৃষ্টি সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীশ্ৰী শংকৰদেৱ-মাধৱদেৱ গৱেষণা আৰু বিকাশ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত আজি পুৱা মথুৰাৰ নাওগাঁৱত স্থাপিত নামঘৰৰ পৰা ভাগৱত শোভাযাত্ৰা অনুষ্ঠিত হয়। ভাগৱত শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে। ভাগৱত শোভাযাত্ৰাত জিনকাটা সত্ৰৰ সত্ৰাধিকাৰ বিচিত্ৰ নাৰায়ণ ভকতকে প্ৰমুখ্যে দুশজনীয়া ভকত আই মাতৃ সকলৰ লগতে স্থানীয় লোক সকলে অংশগ্ৰহণ কৰে। ইয়াৰ পিছত নামঘৰত নাম প্ৰসংগ অনুষ্ঠিত হয়। নামঘৰ চৌহদত গছপুলি ৰোপণ কৰে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস আৰু সমাজকৰ্মী কুশান চৌধুৰীয়ে। দুপৰীয়া নামঘৰ প্ৰাংগনত ধৰ্মালোচনা সভা অনুষ্ঠিত হয়। অৱসৰী আয়ুক্ত সচিব, থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনা সভাত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাত জিনকাটা সত্ৰৰ সত্ৰাধিকাৰ বিচিত্ৰ নাৰায়ণ ভকত, শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱ গৱেষণা আৰু বিকাশ কেন্দ্ৰৰ সভাপতি উদ্ধৱ পাঠক, সাংস্কৃতিক কৰ্মী গোপাল জালান, ভকত বান্ধৱ আই মাতৃ সকলৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে সংগীত নাটক অকাডেমী বঁটা প্ৰাপক গুণীন্দ্ৰ নাথ ওজাই।

# বৰপেটাৰোডত নিচামুক্ত সমাজ গঢ়াৰ বাৰ্তাৰে মহা মেৰাথন

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৪ অক্টোবৰ ঃ** নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে জনসচেতনতা গঢ়ি তোলাৰ লগতে এখন নিচামুক্ত আৰু সুস্থ সমাজ নিৰ্মাণৰ লক্ষ্যৰে আজি পুৱা বৰপেটাৰোডত অনুষ্ঠিত হয় ‘নিচা মুক্ত পৰিবাৰ মহা মেৰাথন ২০২৬’। অনুব্ৰত ছ'চাইটি/কমিটিৰ উদ্যোগত আয়োজিত এই সজাগতামূলক মেৰাথন দৌৰে নিচাৰ বিৰুদ্ধে সামাজিক আন্দোলন অধিক শক্তিশালী কৰাৰ বাৰ্তা কঢ়িয়াই আনে। দেশজুৰি চলি থকা ‘নিচা মুক্ত পৰিবাৰ’ (Drug-Free Family) অভিযানৰ অংশ হিচাপে আয়োজন কৰা এই মহা মেৰাথন বৰপেটাৰোড ষ্টেডিয়ামৰ পৰা পুৱাই আৰম্ভ হয়। দৌৰত বিভিন্ন শ্ৰেণীৰ লোকৰ অংশগ্ৰহণে অনুষ্ঠানটোক বিশেষ তাৎপৰ্য প্ৰদান কৰে। আয়োজকসকলে কয় যে নিচাজাতীয় দ্ৰব্যৰ প্ৰতি যুৱসমাজৰ আসক্তি বৰ্তমান সময়ৰ এক গুৰুতৰ সামাজিক সংকট। কেৱল আইন প্ৰয়োগৰ জৰিয়তে এই সমস্যাৰ স্থায়ী সমাধান সম্ভৱ নহয়; ইয়াৰ বাবে প্ৰয়োজন পৰিয়াল, সমাজ আৰু যুৱসমাজৰ মাজত ব্যাপক সজাগতা। সেই উদ্দেশ্যেই ক্ৰীড়া আৰু জনসচেতনতাৰ সমন্বয়ে এই মেৰাথনৰ আয়োজন কৰা হৈছে। মেৰাথনৰ জৰিয়তে নিচাৰ পৰা নিজকে আঁতৰাই ৰখা, পৰিয়ালক নিচামুক্ত কৰি তোলা আৰু যুৱ প্ৰজন্মক সুস্থ-সবল জীৱনশৈলীৰ প্ৰতি উৎসাহিত কৰাৰ আহ্বান জনোৱা হয়। অংশগ্ৰহণকাৰীসকলেও দৌৰৰ জৰিয়তে ‘নিচাৰ বিৰুদ্ধে ঐক্যবদ্ধ হওঁ, সুস্থ সমাজ গঢ়োঁ’— এই ইতিবাচক বাৰ্তা সমাজলৈ আগবঢ়ায়। নিচামুক্ত পৰিয়ালৰ পৰা নিচামুক্ত সমাজ আৰু নিচামুক্ত সমাজৰ পৰাই এখন সুস্থ, সুৰক্ষিত আৰু শক্তিশালী দেশ গঢ়ি তোলাৰ সংকল্পৰে অনুষ্ঠিত এই মহা মেৰাথনে বৰপেটাৰোডত এক ইতিবাচক সামাজিক বাৰ্তা প্ৰেৰণ কৰে।

## সম্পাদকীয়

# জনশিক্ষা আৰু মেধা বিকাশৰ প্ৰতি ভাবুকি

**অ**সম চৰকাৰে চৰকাৰী আৰু প্ৰাথমিক বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতীজৰে পৰা চলি অহা প্ৰাথমিক স্তৰৰ বৃত্তি প্ৰদান পৰীক্ষা সম্পূৰ্ণৰূপে বন্ধ কৰাৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে, সি সমগ্ৰ ৰাজ্যখনৰ শিক্ষা খণ্ডতে এক তীব্ৰ চাঞ্চল্য আৰু গভীৰ চিন্তাৰ সৃষ্টি কৰিছে। এই সিদ্ধান্তৰ বিৰুদ্ধে ‘অল ইণ্ডিয়া ছেভ এডুকেশ্বন কমিটী’ (AISEC)ৰ অসম ৰাজ্যিক কমিটিয়ে প্ৰকাশ কৰা তীব্ৰ প্ৰতিক্ৰিয়া আৰু ৰাজ্যজুৰি গণতান্ত্ৰিক আন্দোলনৰ সকীয়নিয়ে বিষয়টোৰ সংবেদনশীলতা পুনৰ প্ৰমাণ কৰিছে। চৰকাৰৰ এই পদক্ষেপ সঁচাকৈয়ে শৈক্ষিক সংস্কাৰ নে ই সৰ্বসাধাৰণ দুখীয়া পৰিয়ালৰ সন্তানৰ শিক্ষাৰ অধিকাৰ খৰ্ব কৰাৰ এক ব্যৱস্থা, তাক লৈ এক ব্যাপক বিতৰ্কৰ সূচনা হৈছে।

প্ৰাথমিক স্তৰৰ বৃত্তি কেৱল এক আৰ্থিক সাহায্যই নাছিল, ই আছিল ৰাজ্যৰ গ্ৰামাঞ্চল তথা দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলৰ মেধা বিকাশ আৰু প্ৰতিযোগিতামূলক মানসিকতা গঢ়ি তোলাৰ প্ৰথমটো আনুষ্ঠানিক মঞ্চ। এই পৰীক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনত পঢ়া-শুনাৰ প্ৰতি এক সুকীয়া উৎসাহৰ সৃষ্টি কৰিছিল। চৰকাৰী বিদ্যালয়ৰ দৰে সম্পদহীন পৰিৱেশত পঢ়ি থকা ল'ৰা-ছোৱালীয়ে যেতিয়া বৃত্তি লাভ কৰিছিল, সেয়া আছিল তেওঁলোকৰ আত্মবিশ্বাস আৰু সামাজিক স্বীকৃতিৰ এক বৃহৎ উৎসৰ। গতিকে, এই পৰীক্ষা বন্ধ কৰি দিয়াৰ সিদ্ধান্তই চৰকাৰী আৰু ৰাজহুৱা শিক্ষা ব্যৱস্থাত এক ডাঙৰ আঘাত হানিছে।

চৰকাৰী পক্ষই বৈষম্যহীন শিক্ষা আৰু সৰ্বাত্মক মূল্যায়নৰ দোহাই দি এনে সিদ্ধান্ত সমৰ্থন কৰিব পাৰে। আধুনিক শিক্ষা ব্যৱস্থাত পৰীক্ষাৰ চাপ কমোৱা আৰু সকলো শিশুক সমভাৱে আগবঢ়াই নিয়াৰ ধাৰণা অন্যতম। কিন্তু ভাৰত বা অসমৰ দৰে সামাজিক বৈষম্যৰে ভৰা ৰাজ্যখনত প্ৰাথমিক বৃত্তিৰ দৰে ব্যৱস্থাই দুখীয়া আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীক কিছু পৰিমাণে হ'লেও আগুৱাই নিয়াত অৰিহণা যোগাইছিল। সেয়েহে, চৰকাৰৰ এই সিদ্ধান্তই উঠি অহা প্ৰজন্মক উচ্চ মানৰ জ্ঞান অৰ্জনৰ পৰা আঁতৰাই ৰাখি সামগ্ৰিকভাৱে ৰাজহুৱা শিক্ষা খণ্ডক দুৰ্বল কৰাৰ এক প্ৰচেষ্টা বুলি বিৰোধী তথা শিক্ষাবিদসকলৰ মনত সন্দেহ উপজিছে।

AISEC-ৰ ৰাজ্যিক সভাপতি অধ্যাপক ত্ৰিদীব গগৈয়ে উত্থাপন কৰা অভিযোগ অনুসৰি, ৰাজহুৱা শিক্ষা ব্যৱস্থা অচল হৈ পৰাৰ সময়ত এনে জনবিৰোধী সিদ্ধান্তই দুখীয়া ল'ৰা-ছোৱালীৰ শিক্ষাৰ পথ অধিক ৰুদ্ধ কৰিব। ইয়াৰ আঁৰত ব্যক্তিগত তথা ক'ৰ্পৰেট খণ্ডক সুবিধা কৰি দিয়াৰ এক গভীৰ ষড়যন্ত্ৰ থকাৰ বুলিও তেওঁলোকে অভিযোগ কৰিছে। যদিহে চৰকাৰী বিদ্যালয়ৰ গুণগত মান আৰু ছাত্ৰ-ছাত্ৰীৰ উদগনি হ্ৰাস পায়, তেন্তে স্বাভাৱিকতে অভিভাৱকসকল ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ ঢাপলি মেলিবলৈ বাধ্য হ'ব, যিটো বেছিভাগ দুখীয়া পৰিয়ালৰ বাবে অসম্ভৱ।

কোনো এক শিক্ষা নীতি কাৰ্যকৰী কৰাৰ পূৰ্বে ইয়াৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশ তন্ন তন্নকৈ নিৰীক্ষণ কৰাটো চৰকাৰৰ দায়িত্ব। যদি পৰীক্ষা ব্যৱস্থাত কিবা ত্ৰুটি আছিল, তেন্তে সংস্কাৰৰ যোগেদি তাক অধিক স্বচ্ছ আৰু সৰ্বজনীন কৰি তুলিব পৰা গ'লহেঁতেন। কিন্তু সম্পূৰ্ণভাৱে বৃত্তি প্ৰদান বন্ধ কৰি দিয়াটো কোনো সুস্থ সমাধান হ'ব নোৱাৰে। চৰকাৰে উপলব্ধি কৰা উচিত যে শিক্ষা কেৱল এক অৰ্থনৈতিক বিষয় নহয়, ই সমাজ গঢ়াৰ মূল ভেটি।

সেয়েহে, ৰাজ্যৰ সকলো শুভবুদ্ধিসম্পন্ন আৰু শিক্ষাপ্ৰেমী ৰাইজৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে এই কঠোৰ তথা শিক্ষা বিৰোধী সিদ্ধান্ত পুনৰ বিবেচনা কৰাটো অত্যন্ত জৰুৰী। গণতান্ত্ৰিক ৰাজ্যখনত যাতে শৈক্ষিক বাতাবৰণ বিনষ্ট নহয় আৰু ছাত্ৰ-ছাত্ৰীসকল ৰাজপথৰ আন্দোলনৰ অংগ হ'বলগীয়া নহয়, তাৰ বাবে চৰকাৰে এই সিদ্ধান্ত অতি সোনকালে বাতিল কৰি প্ৰাথমিক স্তৰৰ বৃত্তি ব্যৱস্থা পুনৰ আৰম্ভ কৰা উচিত।

# বিশ্ব শিক্ষক দিৱস শিক্ষকতাৰ মৰ্যাদা, প্ৰত্যাহ্বান আৰু ভৱিষ্যৎ



*আজিৰ বহু শিক্ষকে নিজৰ মূল শিক্ষণ-কাৰ্য এৰি বিভিন্ন ধৰণৰ অপ্ৰয়োজনীয় প্ৰশাসনিক কাম, তথ্য সংগ্ৰহ, অবিৰত নথিপত্ৰ প্ৰস্তুতি আৰু আনুষংগিক দায়িত্বৰ বোজাত ভাৰাক্ৰান্ত হ'বলগীয়া হয়। ১৯৬৬ চনৰ আন্তঃৰাষ্ট্ৰীয় পৰামৰ্শতো এই বিষয়ে স্পষ্ট সকীয়নি দিয়া হৈছিল যে, শিক্ষকৰ বহুমূলীয়া সময় আৰু শক্তিৰ অপচয় ৰোধ কৰি তেওঁলোকক মূল পেছাগত দায়িত্বত অধিক মনোনিৱেশ কৰাৰ অনুকূল কৰ্মপৰিৱেশ প্ৰদান কৰাটোও শিক্ষকতাৰ মৰ্যাদা আৰু শিক্ষাৰ গুণগত মান ৰক্ষাৰ বাবে অতি প্ৰয়োজনীয়। অৱশ্যে শিক্ষকৰ অধিকাৰ আৰু মৰ্যাদাৰ দাবীৰ সমান্তৰালভাৱে শিক্ষক সমাজৰ পেছাগত দায়বদ্ধতাৰ দিশটোও সমানে গুৰুত্বপূৰ্ণ। শিক্ষকতা এক পেছাগত দায়িত্বৰ লগতে গভীৰ সামাজিক দায়বদ্ধতাৰে জড়িত বৃত্তি। শিক্ষকসকলে নিজৰ জ্ঞানক সদায় আধুনিক সময়ৰ সৈতে খাপ খুৱাই নৱীকৰণ কৰি থাকিব লাগে। শিক্ষাদানৰ মানদণ্ড বজাই ৰখাৰ লগতে শিক্ষাৰ্থীৰ প্ৰতি সমবেদনশীল, নিৰপেক্ষ আৰু পক্ষপাতহীন দৃষ্টিভংগী অটুত ৰখাটো শিক্ষকৰ পেছাগত ধৰ্ম। একেদৰে শিক্ষা ব্যৱস্থাৰ উৎকৰ্ষ সাধনৰ বাবে শিক্ষক আৰু অভিভাৱকৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ আৰু সহযোগিতামূলক সম্পৰ্ক গঢ়ি উঠাটো অত্যন্ত প্ৰয়োজনীয়।*

**মা**নৱ সভ্যতাৰ বিকাশ আৰু সমাজ গঠনৰ ধাৰাবাহিক ইতিহাসত শিক্ষকৰ ভূমিকা সদায়ে অনন্য আৰু অপৰিহাৰ্য। এগৰাকী শিশুৰ জীৱনত পিতৃ-মাতৃৰ স্নেহাশ্ৰয়ৰ পিছতেই যিগৰাকী ব্যক্তিৰ প্ৰভাৱে শিক্ষা আৰু ব্যক্তিত্বৰ ভেটি নিৰ্মাণ কৰে, তেওঁৱেই হৈছে শিক্ষক। পৰিয়ালৰ পৰিসৰত শিশোৱে জীৱনৰ প্ৰাথমিক পাঠ আৰু আৱেগিক নিৰাপত্তা লাভ কৰে সঁচা, কিন্তু সমাজ নামৰ বহল জগতখনৰ সন্মুখীন হ'বলৈ প্ৰয়োজনীয় জ্ঞান, যুক্তি, শৃংখলাবোধ, নৈতিক চেতনা আৰু নাগৰিক হিচাপে দায়িত্ববোধৰ সু-সংগঠিত শিক্ষা লাভ কৰে বিদ্যালয়ৰ মজিয়াত শিক্ষাগুৰুৰ সান্নিধ্যত। শিশুৰ সৰ্বাংগীণ বিকাশ সাধন কৰি তেওঁক জ্ঞানৰ জ্যোতিৰে উজলাই এজন সৎ চৰিত্ৰৱান সুনাগৰিক কৰি গঢ়ি তোলাত শিক্ষকেই সকলোখিনি অৰিহণা আগবঢ়ায়। শিক্ষক কেৱল পাঠ্যপুথিৰ জটিল তথ্য বা সূত্ৰসমূহ মুখস্থ কৰোৱা ব্যক্তি নহয়। তেওঁ শিশুসকলক আশাৰ বতৰা দিয়ে, বিপথগামী মনক সঠিক দিশৰ সন্ধান দিয়ে আৰু প্ৰতিগৰাকী শিক্ষাৰ্থীৰ অন্তৰ্নিহিত সম্ভাৱনাক আৱিষ্কাৰ কৰি আত্মবিশ্বাসৰ বাট মুকলি কৰে। সেয়েহে প্ৰাচীন কালৰ পৰাই শিক্ষকক কেৱল শিক্ষাদানৰ মাধ্যম হিচাপে নহয়, সমাজৰ নৈতিক চালিকাশক্তি আৰু ভৱিষ্যৎ নিৰ্মাণৰ প্ৰধান কাৰিকৰ হিচাপে গণ্য কৰা হৈ আহিছে।

শিক্ষক সমাজৰ এই অপৰিসীম অৱদানক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি দিয়া, তেওঁলোকৰ অধিকাৰ আৰু দায়িত্বৰ প্ৰতি সজাগতা সৃষ্টি কৰা আৰু শিক্ষকতা বৃত্তিক উপযুক্ত মৰ্যাদা প্ৰদানৰ লক্ষ্যৰে প্ৰতি বছৰে ৫ অক্টোবৰৰ দিনটো সমগ্ৰ বিশ্বতে ‘বিশ্ব শিক্ষক দিৱস’ হিচাপে পালন কৰা হয়। এই দিৱস কোনো এটা বিশেষ ভৌগোলিক সীমা, জাতি বা মতাদৰ্শৰ মাজত আৱদ্ধ নহয়। বৰঞ্চ ই সমগ্ৰ বিশ্বৰ শিক্ষাব্যৱস্থাৰ সৈতে জড়িত এক সৰ্বজনীন অনুষ্ঠান। এই দিৱসৰ ঐতিহাসিক ভিত্তি নিহিত হৈ আছে ১৯৬৬ চনৰ ৫ অক্টোবৰত পেৰিছত অনুষ্ঠিত এখন বিশেষ আন্তঃচৰকাৰী সন্মিলনত। য'ত ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা (ইউনেস্কো) আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ (ILO) যৌথ উদ্যোগত ‘শিক্ষকৰ মৰ্যাদা সম্পৰ্কীয় পৰামৰ্শ’ গ্ৰহণ কৰা হৈছিল। এই ঐতিহাসিক পৰামৰ্শই শিক্ষকৰ অধিকাৰ আৰু দায়িত্ব, পেছাগত প্ৰস্তুতি, নিয়োগ, কৰ্মপৰিস্থিতি, পেছাগত স্বাধীনতা আৰু সামাজিক সুৰক্ষাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ ভিত্তি স্থাপন কৰিছিল। পৰৱৰ্তী সময়ত ১৯৯৪ চনৰ পৰা সমগ্ৰ বিশ্বত প্ৰতি বছৰে ৫ অক্টোবৰৰ দিনটো ‘বিশ্ব শিক্ষক দিৱস’ হিচাপে পালন কৰি অহা হৈছে। চলিত ২০২৬ চনৰ বিশ্ব শিক্ষক দিৱস সমগ্ৰ বিশ্বৰ বাবে এক বিশেষ মাইলৰ খুঁটি। কাৰণ এই বছৰ ১৯৬৬ চনৰ সেই যুগান্তকাৰী আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা/ ইউনেস্কো পৰামৰ্শৰ ষাঠি বছৰ সম্পূৰ্ণ হৈছে। বিশ্ব শিক্ষক দিৱসত প্ৰতি বছৰে একোটা বিশেষ বিষয়ক মূল বিষয়বস্তু বা থীম হিচাপে নিৰ্বাচন কৰি শিক্ষকতাৰ একোটা গুৰুত্বপূৰ্ণ দিশ বিশ্ববাসীৰ সন্মুখত তুলি ধৰা হয়। চলিত বৰ্ষত ৬০ বছৰীয়া পূৰ্তিৰ তাৎপৰ্যৰ সৈতে সংগতি ৰাখি ২০২৬ চনৰ বাবে মূল বিষয়বস্তু নিৰ্ধাৰণ কৰা হৈছে- “শিক্ষকৰ সৈতে থিয় দিয়াঃ শিক্ষকতা বৃত্তিৰ সুৰক্ষা, মৰ্যাদা উন্নীতকৰণ আৰু আমাৰ ভৱিষ্যৎ গঢ়ি তোলাৰ ৬০ বছৰ”। এই বিষয়বস্তুৰে অতীতৰ সাফল্যৰ লগতে বিগত ছয়টা দশকত সলনি হোৱা গোলকীয় পটভূমিত শিক্ষকতা বৃত্তিয়ে সন্মুখীন হোৱা জটিল সমস্যাসমূহক পুনৰীক্ষণ কৰাৰ আৰু নীতি-নিৰ্ধাৰকসকলক দায়িত্বশীল কৰি তোলাৰ এক স্পষ্ট আহ্বান জনাইছে। বৰ্তমান ইউনেস্কো আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ সহযোগিতাত ১৯৬৬ চনৰ এই পৰামৰ্শখনক একবিংশ শতিকাৰ নতুন বাস্তৱতা যেনে- ডিজিটেল প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, জলবায়ু পৰিৱৰ্তন, প্ৰব্ৰজন আৰু অন্তৰ্ভুক্তিমূলক শিক্ষাৰ প্ৰয়োজনীয়তা অনুযায়ী পুনৰীক্ষণ আৰু সংশোধনৰ প্ৰক্ৰিয়া চলি আছে।

বিগত সময়ছোৱাৰ বিশ্ব শিক্ষক দিৱসৰ বিষয়বস্তুসমূহ বিশ্লেষণ কৰিলে বুজা যায় যে, বিশ্বজুৰি শিক্ষকতাৰ প্ৰত্যাহ্বানসমূহ কেনেদৰে ক্ৰমাগতভাৱে সলনি হৈছে। ২০১৭ চনত শিক্ষকসকলক ক্ষমতাশালী আৰু আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে ‘শিক্ষক সকলৰ সৱলীকৰণ’ৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু একে সময়তে ১৯৯৭ চনৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত শিক্ষকসকলৰ মৰ্যাদা সম্পৰ্কীয় পৰামৰ্শৰ কুৰি বছৰীয়া জয়ন্তী উদযাপন কৰা হৈছিল। ২০১৮ চনত ‘শিক্ষাৰ অধিকাৰৰ অৰ্থ হৈছে যোগ্য শিক্ষকৰ অধিকাৰ’ শীৰ্ষক বাৰ্তাৰে স্পষ্ট কৰি দিয়া হৈছিল যে, প্ৰশিক্ষিত আৰু যোগ্য শিক্ষক অবিহনে শিশুৰ মানসম্পন্ন শিক্ষাৰ অধিকাৰ কেতিয়াও বাস্তৱায়িত হ'ব নোৱাৰে। আনহাতে ২০২৩ চনত ‘আমি বিচৰা শিক্ষাৰ বাবে আমাক প্ৰয়োজনীয় শিক্ষকসকল’ বিষয়বস্তুৰ জৰিয়তে বিশ্বজুৰি ভয়াৱহভাৱে বৃদ্ধি পোৱা শিক্ষকৰ নাটনিৰ সমস্যাটো আন্তঃৰাষ্ট্ৰীয় মঞ্চত দাঙি ধৰা হৈছিল। ২০২৪ চনত ‘শিক্ষকৰ মতামতক মূল্য দিয়াঃ শিক্ষাৰ বাবে এক নতুন সামাজিক চুক্তিৰ দিশে’ মূলভাৱৰ জৰিয়তে শৈক্ষিক নীতি প্ৰণয়ন আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত শিক্ষকৰ প্ৰত্যক্ষ অংশগ্ৰহণ আৰু অভিজ্ঞতাৰ গুৰুত্ব পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনোৱা হৈছিল।


নলিনী ৰঞ্জন ভূঞা

বৰ্তমান পৃথিৱী ১৯৬৬ চনৰ সেই পৰিচিত পৰিৱেশত নাই। বিজ্ঞান-প্ৰযুক্তিৰ অভূতপূৰ্ব বিকাশ আৰু বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা বা এআইৰ ক্ষিপ্ৰ প্ৰসাৰে সমগ্ৰ শিক্ষাজগতখনলৈ বৈপ্লৱিক পৰিৱৰ্তন আনিছে। আজিৰ শিক্ষাৰ্থীসকলে হাতৰ টিপতে বিশ্বৰ সকলো তথ্য লাভ কৰিব পাৰে। কিন্তু তথ্য লাভ কৰা আৰু সত্য জ্ঞান আহৰণ কৰা একে কথা নহয়। ইণ্টাৰনেটৰ বিশাল মহাসাগৰৰ মাজত কোনটো তথ্য সঠিক, কোনটো পক্ষপাতদুষ্ট, কোনটো বিশ্বাসযোগ্য আৰু কোনটো ক্ষতিকাৰক- এই বিচাৰবুদ্ধি, বিশ্লেষণাত্মক চিন্তা আৰু নৈতিক দৃষ্টিভংগী গঢ়ি তোলাত শিক্ষকৰ ভূমিকা এতিয়া অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। আধুনিক শিক্ষণ-প্ৰযুক্তিয়ে শিক্ষকৰ কামক অধিক ফলপ্ৰসূ কৰি তুলিব পাৰে। কিন্তু শিক্ষকৰ পেছাগত বিচাৰবুদ্ধি, মানৱীয় সংযোগ আৰু নৈতিক দায়বদ্ধতাৰ সম্পূৰ্ণ বিকল্প হ'ব নোৱাৰে। ভৱিষ্যতৰ শিক্ষক কেৱল তথ্যৰ বাহক হৈ নাথাকিব। তেওঁ হ'ব তথ্যৰ সত্যতা বিচাৰ কৰা, প্ৰযুক্তিক সৃষ্টিশীলভাৱে ব্যৱহাৰ কৰা আৰু শিক্ষাৰ্থীৰ মানৱীয় বিকাশক পথ দেখুওৱা এগৰাকী পেছাদাৰী পথপ্ৰদৰ্শক।

তথ্য-প্ৰযুক্তিৰ উপৰিও আধুনিক বিশ্বৰ শিক্ষকসকলে জলবায়ু পৰিৱৰ্তনৰ ভাবুকি, বৃদ্ধি পোৱা আৰ্থ-সামাজিক বৈষম্য, যুদ্ধ-বিগ্ৰহৰ ফলত সৃষ্টি হোৱা প্ৰব্ৰজন আৰু স্থানচ্যুতি, অন্তৰ্ভুক্তিমূলক শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ছাত্ৰ-ছাত্ৰীৰ মানসিক সুস্থতা আৰু মানসিক স্বাস্থ্যৰ সৈতে জড়িত উদ্বেগ আদি নানাবিধ জটিল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এনে এক পৰিস্থিতিত বিশ্বৰ শিক্ষা ব্যৱস্থাৰ অন্যতম গুৰুতৰ প্ৰত্যাহ্বান হৈছে শিক্ষকৰ অভাৱ। ইউনেস্কো আৰু শিক্ষাৰ বাবে ২০৩০ কাৰ্যসূচীৰ আন্তঃৰাষ্ট্ৰীয় শিক্ষক কাৰ্যদলে (International Task Force on Teachers for Education 2030) প্ৰকাশ কৰা ২০২৪ চনৰ ‘শিক্ষকসকলৰ ওপৰত বৈশ্বিক প্ৰতিবেদন’ অনুসৰি, ২০৩০ চনৰ ভিতৰত বিশ্বৰ সকলো শিশুৰ বাবে সৰ্বজনীন প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা নিশ্চিত কৰিবলৈ বিশ্বজুৰি প্ৰায় ৪ কোটি ৪০ লাখ অতিৰিক্ত শিক্ষকৰ প্ৰয়োজন হ'ব। এই সংখ্যাৰ ভিতৰত এক বৃহৎ অংশ ইতিমধ্যে কৰ্মৰত শিক্ষকসকলৰ অৱসৰ, চাকৰি ত্যাগ আদি কাৰণত সৃষ্টি হোৱা শূন্য পদ পূৰণৰ বাবে প্ৰয়োজন হ'ব, আৰু বাকী অংশ নতুন শিক্ষক পদ সৃষ্টিৰ বাবে প্ৰয়োজন হ'ব। এই তথ্যই বিশ্বজুৰি শিক্ষক অভাৱৰ গুৰুতৰ সমস্যাটো স্পষ্ট কৰি তুলিছে। প্ৰতিবেদনখনে কেৱল অধিক শিক্ষক নিযুক্তিৰ ওপৰত গুৰুত্ব দিয়াই নহয় শিক্ষকৰ উপযুক্ত প্ৰশিক্ষণ, উন্নত কৰ্ম-পৰিস্থিতি, পেছাগত বিকাশ, উপযুক্ত মৰ্যাদা প্ৰদান আৰু শিক্ষকসকলক দীৰ্ঘদিন পেছাটোত ধৰি ৰখাৰ ব্যৱস্থাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। লগতে যোগ্য, উৎসাহিত আৰু পৰ্যাপ্ত সহায়-সমৰ্থন লাভ কৰা শিক্ষক নিশ্চিত কৰাৰ বাবে দেশসমূহক নীতি-নিৰ্ধাৰণ আৰু বিনিয়োগৰ ক্ষেত্ৰত দিশনিৰ্দেশনা আগবঢ়াইছে। শিক্ষকৰ এই অভাৱ কেৱল অনুন্নত দেশসমূহৰ মাজতে সীমিত নহয়।

বিশ্বৰ বহু উচ্চ-আয়ৰ দেশতো শিক্ষকতা বৃত্তিৰ আকৰ্ষণ আৰু যোগ্য শিক্ষকক পেছাটোত ধৰি ৰখাৰ ক্ষেত্ৰত গুৰুতৰ প্ৰত্যাহ্বান দেখা গৈছে। যেতিয়ালৈকে শিক্ষকসকলক উপযুক্ত পাৰিতোষিক, সামাজিক মৰ্যাদা আৰু সুৰক্ষিত কৰ্মপৰিৱেশ প্ৰদান কৰা নহয়, তেতিয়ালৈকে যোগ্য আৰু দক্ষ যুৱক-যুৱতীক শিক্ষকতা বৃত্তিৰ প্ৰতি আকৰ্ষিত কৰা আৰু পেছাটোত দীৰ্ঘদিন ধৰি ৰাখিব পৰাটো কঠিন হৈ থাকিব। কেৱল চাৰিবেৰ আৰু চালি থাকিলেই এখন শিক্ষানুষ্ঠান প্ৰকৃত বিদ্যালয় হৈ নুঠে, তাত শিক্ষাদানৰ অনুকূল পৰিৱেশ, পৰ্যাপ্ত পাঠদান সামগ্ৰী আৰু উপযুক্ত শ্ৰেণীকক্ষ থকাটো জৰুৰী।

আটাইতকৈ উদ্বেগজনক বিষয়টো হ'ল- আজিৰ বহু শিক্ষকে নিজৰ মূল শিক্ষণ-কাৰ্য এৰি বিভিন্ন ধৰণৰ অপ্ৰয়োজনীয় প্ৰশাসনিক কাম, তথ্য সংগ্ৰহ, অবিৰত নথিপত্ৰ প্ৰস্তুতি আৰু আনুষংগিক দায়িত্বৰ বোজাত ভাৰাক্ৰান্ত হ'বলগীয়া হয়। ১৯৬৬ চনৰ আন্তঃৰাষ্ট্ৰীয় পৰামৰ্শতো এই বিষয়ে স্পষ্ট সকীয়নি দিয়া হৈছিল যে, শিক্ষকৰ বহুমূলীয়া সময় আৰু শক্তিৰ অপচয় ৰোধ কৰি তেওঁলোকক মূল পেছাগত দায়িত্বত অধিক মনোনিৱেশ কৰাৰ অনুকূল কৰ্মপৰিৱেশ প্ৰদান কৰাটোও শিক্ষকতাৰ মৰ্যাদা আৰু শিক্ষাৰ গুণগত মান ৰক্ষাৰ বাবে অতি প্ৰয়োজনীয়। অৱশ্যে শিক্ষকৰ অধিকাৰ আৰু মৰ্যাদাৰ দাবীৰ সমান্তৰালভাৱে শিক্ষক সমাজৰ পেছাগত দায়বদ্ধতাৰ দিশটোও সমানে গুৰুত্বপূৰ্ণ। শিক্ষকতা এক পেছাগত দায়িত্বৰ লগতে গভীৰ সামাজিক দায়বদ্ধতাৰে জড়িত বৃত্তি। শিক্ষকসকলে নিজৰ জ্ঞানক সদায় আধুনিক সময়ৰ সৈতে খাপ খুৱাই নৱীকৰণ কৰি থাকিব লাগে। শিক্ষাদানৰ মানদণ্ড বজাই ৰখাৰ লগতে শিক্ষাৰ্থীৰ প্ৰতি সমবেদনশীল, নিৰপেক্ষ আৰু পক্ষপাতহীন দৃষ্টিভংগী অটুত ৰখাটো শিক্ষকৰ পেছাগত ধৰ্ম। একেদৰে শিক্ষা ব্যৱস্থাৰ উৎকৰ্ষ সাধনৰ বাবে শিক্ষক আৰু অভিভাৱকৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ আৰু সহযোগিতামূলক সম্পৰ্ক গঢ়ি উঠাটো অত্যন্ত প্ৰয়োজনীয়। কিয়নো শিশুৰ মানসিক বিকাশ কেৱল শ্ৰেণীকোঠাৰ চাৰিবেৰৰ ভিতৰতে সম্পূৰ্ণ নহয়। ঘৰুৱা পৰিৱেশ আৰু সামাজিক বাতাবৰণেও সমানে ভূমিকা লয়।

আমাৰ অসমৰ দৰে চহকী ভাষা, সংস্কৃতি আৰু সামাজিক বৈচিত্ৰ্যৰে ভৰপূৰ এখন ৰাজ্যত শিক্ষকৰ দায়িত্ব অধিক স্পৰ্শকাতৰ তথা গুৰুত্বপূৰ্ণ। অসমৰ সামাজিক প্ৰেক্ষাপটত বিদ্যালয়সমূহ কেৱল পৰীক্ষাৰ নম্বৰ বা উত্তীৰ্ণৰ হাৰ নিৰ্ধাৰণ কৰা কাৰখানা নহয়। সেয়া সমন্বয়, সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধৰ মিলনক্ষেত্ৰ। মাতৃভাষাৰ প্ৰতি অনুৰাগ সৃষ্টি কৰা, নিজৰ সমৃদ্ধ লোক-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল কৰা, আনৰ ভাষা-সংস্কৃতিৰ প্ৰতি উদাৰ দৃষ্টিভংগী গঢ়ি তোলা আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগ কৰাত অসমৰ শিক্ষক সমাজে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত চৰিত্ৰ গঠনৰ ক্ষেত্ৰত শিক্ষকৰ আদৰ্শ আৰু সততাই আটাইতকৈ গভীৰ অনুপ্ৰেৰণা হিচাপে কাম কৰে।

ভাৰতবৰ্ষত প্ৰতি বছৰে ৫ ছেপ্টেম্বৰৰ দিনটো মহান শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মজয়ন্তী উপলক্ষে ‘ৰাষ্ট্ৰীয় শিক্ষক দিৱস’ হিচাপে অত্যন্ত শ্ৰদ্ধাৰে পালন কৰা হয়। ইয়াৰ সমান্তৰালভাৱে ৫ অক্টোবৰৰ বিশ্ব শিক্ষক দিৱসে সমগ্ৰ বিশ্বৰ শিক্ষক সমাজৰ সৈতে একাত্ম হোৱাৰ আৰু শিক্ষাৰ গোলকীয় সমস্যাসমূহৰ প্ৰতি সচেতন হোৱাৰ এক সুবৰ্ণ সুযোগ প্ৰদান কৰে। বিশ্ব শিক্ষক দিৱসৰ প্ৰকৃত মৰ্যাদা কেৱল আনুষ্ঠানিক ফুলৰ তোৰা আগবঢ়োৱা, গামোচা পিন্ধোৱা বা সভা পাতি অভিনন্দন জনোৱাৰ মাজতে সীমাবদ্ধ থাকিব নোৱাৰে। এই দিৱসে আমাৰ সমাজখনক আত্মবিশ্লেষণৰ এটা সুযোগ প্ৰদান কৰে। সমাজে সঁচাকৈয়ে শিক্ষকক কিমান সন্মান দিয়ে? চৰকাৰ আৰু নীতি-নিৰ্ধাৰকসকলে শিক্ষকৰ পেছাগত স্বাধীনতা আৰু জীৱনধাৰণৰ মান নিশ্চিত কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিদ্যালয়সমূহত প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু শিক্ষকৰ সংখ্যা পৰ্যাপ্তনে? এই মৌলিক প্ৰশ্নবোৰৰ বাস্তৱসন্মত উত্তৰ বিচৰাটোহে বিশ্ব শিক্ষক দিৱস উদযাপনৰ উদ্দেশ্য হোৱা উচিত।

পৰিশেষত ক'ব পাৰি যে, শিক্ষাৰ অধিকাৰ সাৰ্থক কৰাৰ মূল সেতুবন্ধন হৈছে শিক্ষক। শ্ৰেণীকোঠাৰ ভিতৰত নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰা শিক্ষকসকলেই প্ৰকৃত অৰ্থত দেশ আৰু সমাজৰ ভৱিষ্যৎ নিৰ্মাণ কৰে। এগৰাকী শিক্ষকে কেৱল জ্ঞান প্ৰদান কৰাতে আৱদ্ধ হৈ নাথাকে, তেওঁ শিক্ষাৰ্থীৰ মনত আত্মবিশ্বাস, নৈতিকতা আৰু মানৱীয় মূল্যবোধৰ বীজো ৰোপণ কৰে। সেয়ে শিক্ষকতা বৃত্তিৰ মৰ্যাদা অক্ষুণ্ণ ৰখা, শিক্ষকৰ অধিকাৰ আৰু কৰ্মপৰিৱেশ সুৰক্ষিত কৰা তথা তেওঁলোকৰ সমস্যাসমূহৰ আন্তৰিক সমাধান কৰাটো কেৱল শিক্ষাখণ্ডৰ দায়িত্বই নহয়- ই এখন উন্নত, ন্যায়সংগত আৰু মানৱীয় সমাজ গঢ়াৰ বাবে আমাৰ সকলোৰে সামূহিক দায়িত্ব হোৱা উচিত।

# অসমীয়া লিপিৰ বিৱৰ্তনৰ ইতিহাস

অসমীয়া লিপিৰ ক্ৰমবিৱৰ্তনৰ যাত্ৰা আমাৰ ভাষাটোৰ দীৰ্ঘদিনীয়া সাংস্কৃতিক প্ৰাণৱন্ততাৰ এক অনবদ্য নিদৰ্শন যাৰ ঐতিহাসিক গুৰুত্বৰ বাবেই অসমীয়াই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰিছে। আমাৰ অসমীয়া লিপিৰ এই সুদীৰ্ঘ বংশলতিকাৰ আৰম্ভণি হৈছিল খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ সম্ৰাট অশোকৰ সময়ৰ প্ৰাচীন ব্ৰাহ্মী লিপিৰ পৰা। আনুমানিক চতুৰ্থ-প্ৰথম শতিকাত এই লিপিৰ উত্তৰ ভাৰতীয় ৰূপটো বিকশিত হৈ গুপ্ত লিপিত পৰিণত হয়। ইয়াৰ প্ৰথম আৰু স্পষ্ট চানেকি গুৱাহাটীৰ নীলাচল পাহাৰত থকা ৰজা সুৰেন্দ্ৰবৰ্মণৰ উমাচল শিলালিপিত দেখিবলৈ পোৱা যায়। একেদৰেই গোলাঘাটৰ নাগাজৰী-খনিকৰগাঁও শিলালিপিত (যি বৰ্তমান গুৱাহাটীৰ অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত) ব্ৰাহ্মী আৰু গুপ্ত লিপিৰ সংমিশ্ৰণৰ অপূৰ্ব চানেকি পোৱা যায় যাৰ দ্বাৰা প্ৰমাণ হয় যে লিখিত পৰম্পৰা ১৬০০ বছৰতকৈও পুৰণি আছিল। তদুপৰি নগাঁৰৰ বৰগংগা শিলালিপি, বৰপেটাৰ ডুবি তাম্ৰপত্ৰ আৰু কুমাৰ ভাস্কৰবৰ্মাৰ প্ৰখ্যাত নিধানপুৰ তাম্ৰপত্ৰ আদিয়ে এই লিপিৰ ধাৰাবাহিকতাক প্ৰমাণ কৰে। কালক্ৰমত এই আঞ্চলিক ৰূপটোৱেই কামৰূপী লিপি (বা প্ৰাচীন অসমীয়া লিপি) হিচাপে সুপ্ৰতিষ্ঠিত হয় যি পঞ্চমৰ পৰা ত্ৰয়োদশ শতিকালৈ প্ৰাচীন কামৰূপ ৰাজ্যত স্বতন্ত্ৰভাৱে ব্যৱহৃত হৈছিল। এই কামৰূপী লিপিৰ শিপাৰ পৰাই পৰৱৰ্তী সময়ত অসমীয়া আৰু বঙালী দুয়োটা লিপিৰ সমান্তৰালভাৱে বিকাশ ঘটে। অৰ্থাৎ অসমীয়া লিপি বঙালী লিপিৰ পৰা অহা নাই বৰঞ্চ এই দুয়োটা লিপিক সহোদৰ বা ভগ্নী লিপি বুলিহে ক'ব পাৰি। উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলৰ লিপিত (১২০৬ খ্ৰীষ্টাব্দ) তুৰ্কী আক্ৰমণকাৰী মহম্মদ বিন বখতিয়াৰ খিলজীৰ পৰাজয়ৰ ইতিহাস খোদিত আছে আৰু নগাঁৰৰ গছতল স্তম্ভলিপিত (১৩৬২ খ্ৰীষ্টাব্দ) আধুনিক অসমীয়া লিপিৰ আদিমতম ৰূপ স্পষ্টকৈ দেখিবলৈ পোৱা যায়। মধ্যযুগ আৰু আহোম শাসনকালত অসমত এই লিপিৰ মূলতঃ তিনিটা স্বকীয় হস্তাক্ষৰ বা শৈলী আছিল— অনা-ব্ৰাহ্মণসকলৰ দ্বাৰা প্ৰশাসন, হিচাপ-নিকাচ আৰু চৰ্য্যাপদ বা বৈষ্ণৱ সাহিত্যত ব্যৱহৃত কাইথেলী (বা লখৰী) শৈলী, ব্ৰাহ্মণসকলে সংস্কৃত চৰ্চাত ব্যৱহাৰ কৰা বামুণীয়া শৈলী আৰু আহোম ৰাজদৰবাৰৰ চৰকাৰী বৰঞ্জী তথা ৰাজকীয় নথি-পত্ৰ লিখনত ব্যৱহৃত হোৱা অতি সুন্দৰ গোলকাৰ ৰূপৰ গড়গঞা শৈলী।

অসমীয়া লিপিৰ আধুনিক আৰু মান্যকৰণ হৈছিল ১৮১৩ যেতিয়া কলিয়াবৰৰ আত্মাৰাম শৰ্মাই শ্ৰীৰামপুৰ মিছনৰ সহযোগত প্ৰথমবাৰৰ বাবে অসমীয়া ভাষাত ধৰ্মপুস্তক (বাইবেল) ছপা কৰি উলিয়াইছিল। যিহেতু সেই সময়ত যান্ত্ৰিক ছপা কাৰ্য সম্পূৰ্ণ নতুন আছিল আৰু সমসাময়িক ব্ৰিটিছ প্ৰশাসনে অসমৰ আদালত-কাৰ্যালয়ত বঙালী ভাষা জাপি দিছিল সেয়েহে ছপাখানাৰ কৰ্তৃপক্ষই ইতিমধ্যে তৈয়াৰ হৈ থকা বঙালী আখৰ ব্যৱহাৰ কৰিয়েই অসমীয়া পুথিখনো ছপা কৰিছিল। এই যান্ত্ৰিকীকৰণৰ বাবেই সাঁচিপাতত লিখা কাইথেলী বা গড়গঞাৰ দৰে অনন্য হস্তলিপিৰ শৈলীবোৰ লাহে লাহে হেৰাই যাবলৈ ধৰে আৰু আধুনিক অসমীয়া তথা বঙালী লিপিৰ ছপা ৰূপটো দেখাত প্ৰায় একে হৈ পৰে। তথাপিও অসমীয়া বুদ্ধিজীৱী আৰু সাহিত্যিকসকলে নিজৰ ভাষিক পৰিচয় উদ্ধাৰৰ বাবে তীব্ৰ সংগ্ৰাম কৰিছিল আৰু আমাৰ স্বকীয়তা প্ৰকাশ কৰা তিনিটা বিশেষ বৰ্ণ ‘ৰ’, ‘ৱ’ আৰু ‘ক্ষ’ অক্ষৰক লিপিত সুৰক্ষিত কৰি ৰাখিছিল। সেয়েহে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিৰ বাবে আমাৰ লিপিৰ এই ঐতিহ্যৰ বিষয়ে জনাটো এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক দায়িত্ব যাতে আধুনিক ছপা মাধ্যমৰ মেচিনৰ মাজত আমাৰ লিপিৰ ঐতিহাসিক স্বকীয়তা কেতিয়াও হেৰাই নাযায়। এই বিলুপ্তপ্ৰায় ঐতিহাসিক লিপি শৈলীসমূহ আমি পুনৰ শিকিম আৰু ইয়াৰ সংৰক্ষণ কৰিম।

***চৈয়দা তনজিয়া ৰাবিছা আজমি***
*ঠিকনা ঃ তিতাবৰ, যোৰহাট*

# মানৱ জীৱনত ধৰ্মৰ প্ৰকৃত স্বৰূপ আৰু ইয়াৰ সাৰ্থকতা

**মা**নৱ সভ্যতাৰ আদিম কালৰে পৰা প্ৰতিজন চিন্তাশীল মানুহৰ হৃদয়ত দুটা চিৰন্তন প্ৰশ্নই অনবৰতে আলোড়ন সৃষ্টি কৰি আহিছে- ধৰ্ম প্ৰকৃততে কি? আৰু ধৰ্ম কেতিয়া সাৰ্থক হয়? ধৰ্ম শব্দটোক লৈ যুগে যুগে বহু মনীষীয়ে ভিন্ন ধৰণৰ ব্যাখ্যা আগবঢ়াই আহিছে। কোনোবাই যদি এক অদৃশ্য ঐশ্বৰিক শক্তিক বিশ্বাস কৰা আৰু সেই সৃষ্টি-স্থিতি-লয়ৰ স্ৰষ্টাৰ প্ৰতি আস্থা ৰাখি ভক্তি-আৰাধনা কৰাটোকেই ধৰ্ম বুলিছে, আন কোনোবাই আকৌ এক নিৰ্দিষ্ট ধৰ্মীয় পথ বা মতক ধৰ্মৰ আখ্যা দিছে। কিন্তু ধৰ্মৰ প্ৰকৃত অৰ্থ ইয়াতকৈয়ো বহু বেছি গভীৰ, ব্যাপক আৰু সৰ্বজনীন।

প্ৰকৃত অৰ্থত, ‘ধৰ্ম’ শব্দটো সংস্কৃত ‘ধৃ’ ধাতুৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে- ধাৰণ কৰা। অৰ্থাৎ, যি শক্তিয়ে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ নিয়ন্ত্ৰণ আৰু সমতা ধাৰণ কৰি ৰাখিছে, সেয়াই ধৰ্ম। প্ৰকৃতিৰ বুকুলৈ চালে আমি ইয়াৰ আটাইতকৈ সৰল আৰু সুন্দৰ প্ৰকাশ দেখিবলৈ পাওঁ। সূৰ্যই সদায় পূব দিশত উদয় হৈ পোহৰ আৰু উত্তাপ দিয়াটো সূৰ্যৰ ধৰ্ম, পানী সদায় ওপৰৰ পৰা তললৈ বৈ যোৱাটো পানীৰ ধৰ্ম। ইয়াত ধৰ্ম মানে হৈছে নিজৰ ব্যক্তিত্ব ধৰি ৰখা আৰু নিজৰ গুণগত বৈশিষ্ট্যক চিৰকাল অক্ষুণ্ণ ৰখা।

ঠিক তেনেদৰে, ঈশ্বৰৰ শ্ৰেষ্ঠ সৃষ্টি মানুহৰো এটা প্ৰকৃত ধৰ্ম আছে, যাক ‘মানৱ ধৰ্ম’ বুলি কোৱা হয়। ঈশ্বৰ, ভগৱান, আল্লাহ বা গড- আমি যি নামেৰেই উপাসনা নকৰোঁ কিয়, সকলো ধৰ্মীয় পথৰে শেষ গন্তব্য স্থান কিন্তু একেটাই। পৃথিৱীত মানুহভেদে মত বা পথ ভিন্ন হ'ব পাৰে, কিন্তু প্ৰকৃত ধৰ্ম সদায় এক আৰু অভিন্ন। এই ধৰ্মৰ আটাইতকৈ মূল মন্ত্ৰটো হৈছে- ‘বাঁচা আৰু বৃদ্ধি পোৱা’। ধৰ্মই কেতিয়াও জীৱনক অস্বীকাৰ নকৰে; বৰঞ্চ ই নিজে এক সুস্থ, শান্তিপূৰ্ণ আৰু পবিত্ৰ জীৱন জীয়াই থকা আৰু সমাজৰ প্ৰতিটো সৰু-বৰ জীৱক জীয়াই থকাত সহায় কৰাটোকে বুজায়। নিজৰ সংকীৰ্ণ স্বাৰ্থৰ পৰা ওপৰলৈ উঠি সমগ্ৰ সমাজৰ কল্যাণৰ বাবে নিজৰ জ্ঞান, প্ৰেম আৰু কৰ্মৰ পৰিসৰ বৃদ্ধি কৰাটোৱেই হৈছে ধৰ্মৰ আচল উদ্দেশ্য।

কিন্তু এই ধৰ্ম ৰাজ্যত প্ৰৱেশ কৰাটো ইমান সহজ নহয়। ইয়াৰ বাবে মানুহে এক কঠিন সংগ্ৰাম কৰিবলগীয়া হয়। আমি আমাৰ নিজৰ মনৰ দুৰ্বলতা আৰু ষড়ৰিপুৰ বিৰুদ্ধে যুদ্ধ কৰিহে ধৰ্ম ৰাজ্যত প্ৰৱেশ কৰিব লাগিব। ঈশ্বৰে মানুহক সৃষ্টি কৰাৰ লগতে কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্য- এই ছয় ৰিপুও দিছে। মানুহ স্বাভাৱিকতে এই ৰিপুসমূহৰ ওচৰত অবাধ্য বা বশ নহৈ; বৰঞ্চ বিবেকৰ দ্বাৰা ইহঁতক পৰাজিত কৰিব লাগে। যেতিয়ালৈকে আমি এই দুৰ্বলতাবোৰৰ বশ হৈ থাকিম, তেতিয়ালৈকে আমি প্ৰকৃত ধাৰ্মিক বা ধৰ্ম সাধক হ'ব নোৱাৰোঁ। মানুহে কৰা ভাল কৰ্মবোৰ যদি ধৰ্ম হয়, তেন্তে নিজৰ প্ৰয়োজন বা ব্যক্তিগত স্বাৰ্থত অন্ধ হৈ কৰা বেয়া কামবোৰ কেতিয়াও ধৰ্ম হ'ব নোৱাৰে। নিজৰ স্বাৰ্থৰ বাবে আন জীৱক অনিষ্ট কৰাটো আচলতে মনৰ দুৰ্বলতা আৰু অধৰ্মহে। যেতিয়া ব্যক্তিৰ অন্তৰত দয়া, মমতা, ক্ষমা আৰু সহায় কৰাৰ পৰায়োণতা চিৰস্থায়ী হয়, তেতিয়াহে তেওঁ প্ৰকৃত ধাৰ্মিক হৈ পৰে।

ধৰ্মৰ প্ৰকৃত সাৰ্থকতা লুকাই আছে এই অন্তৰ যুদ্ধৰ জৰিয়তে নিজক জয় কৰাত, স্বাৰ্থহীন কৰ্মত আৰু নিষ্কাম ভক্তিত। ধৰ্ম বা ঈশ্বৰৰ প্ৰতি থকা ভক্তি মাৰ্গক সাৰথি কৰি যেতিয়া এজন মানুহে সমাজত নিজৰ ব্যক্তিত্ব অক্ষুণ্ণ ৰাখিব পাৰে, নিজকে শাৰীৰিক আৰু মানসিকভাৱে সুস্থ, সুঠাম তথা উন্নত কৰি এজন আদৰ্শ মানুহ হিচাপে গঢ়ি তুলিব পাৰে, তেতিয়াহে ধৰ্মই প্ৰকৃত সাৰ্থকতা লাভ কৰে।

এই সমগ্ৰ যাত্ৰাৰ একেবাৰে চৰম আৰু সৰ্বোচ্চ আধ্যাত্মিক স্তৰটো হৈছে- আত্মা পৰমাত্মাৰ লগত সমাহিত হোৱা। আমাৰ অন্তৰত থকা এই চেতনা বা আত্মা প্ৰকৃততে সেই এক পৰমাত্মাৰেই সৃষ্টি। এইপ্ৰসংগত আমাৰ যুগদ্ৰষ্টা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অতি স্পষ্টকৈ কৈ গৈছে- “কুকুৰ শৃগাল গদৰ্ভৰো আত্মা ৰাম, জানিয়া সবাকো পৰি কৰিবা প্ৰণাম”। অৰ্থাৎ কুকুৰ, শিয়াল, গাধ বা পৃথিৱীৰ প্ৰতিটো জীৱৰে আত্মা আচলতে একেজন পৰমাত্মাৰেই অংশ। গতিকে সকলো জীৱকে সমজ্ঞানে সন্মান কৰিব লাগে। যেতিয়া মানুহে নিজৰ অহংকাৰ আৰু সকলো মানসিক দুৰ্বলতা মোচন কৰি নিজৰ আত্মাক পৰমাত্মাৰ সৰ্বব্যাপী প্ৰেম আৰু চেতনাৰ সৈতে একাকাৰ কৰি দিয়ে, তেতিয়াই ধৰ্মৰ প্ৰকৃত বাণী সাৰ্থক হয়।

শেষত ক'ব পাৰি যে, ধৰ্ম কোনো বাহ্যিক আড়ম্বৰ বা কেৱল লোকাচাৰ নহয়। নিজৰ বিবেকক সজাগ ৰাখি, মনৰ দুৰ্বলতাবোৰক পৰাজিত কৰি, আত্মা আৰু পৰমাত্মাৰ অভেদত্বক অনুভৱ কৰি সকলো জীৱকে সমভাৱে মৰম কৰিব পৰা মানৱীয় গুণখিনিয়েই হৈছে আচল ধৰ্ম।

***শচীন্দ্ৰ কুমাৰ দাস***
*পলাশবাৰী*

# বৰ্ণাঢ্য কাৰ্যসূচীৰে নৱম স্বৰ্ণ কাপৰ সামৰণি

## অইল ইণ্ডিয়াৰ বিৰুদ্ধে ৰোমাঞ্চকৰ জয়েৰে ট্ৰফী জিনিলে পঞ্জাৱে

**অসম বাৰ্তা, দুলীয়াজান, ৪ অক্টোবৰ ঃ** অযুত দৰ্শকৰ আশা আৰু আৱেগক ম্লান পেলাই নৱম অইল ইণ্ডিয়া স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাৰ খিতাপ দখল কৰিলে পঞ্জাৱ এফ চিয়ে। শনিবাৰে নিশা দুলীয়াজানৰ নেহৰু ময়দান ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত এক ৰুদ্ধশ্বাস ফাইনেলত পঞ্জাৱে ঘৰুৱা দল অইল ইণ্ডিয়া এফ চিক পেনাল্টী শ্বুটআউটত পৰাস্ত কৰে। নিৰ্ধাৰিত আৰু অতিৰিক্ত সময়ৰ অন্তত মেচখন ১-১ গ'লত অমীমাংসিত হৈ থকাৰ পিছত টাইব্ৰেকাৰত ভাগ্য নিৰ্ণয় হয় পঞ্জাৱৰ সপক্ষে। আনহাতে, উৎকৃষ্ট খেল প্ৰদৰ্শন কৰিও অইল ইণ্ডিয়া এফ চি ৰানাৰ্ছ আপ খিতাপতে সন্তুষ্ট থাকিবলগীয়া হয়। খেলপথাৰত প্ৰথমৰে পৰাই দুয়োটা দলেই সমানে সমানে যুঁজ দিয়া পৰিলক্ষিত হয়। প্ৰথম অৰ্ধৰ ৩৩ মিনিটত আক্ৰাং নাৰ্জাৰীৰ এক দৰ্শনীয় গ'লৰ সহায়ত অইল ইণ্ডিয়া এফ চিয়ে প্ৰথমে অগ্ৰগতি লাভ কৰি ষ্টেডিয়ামত উপস্থিত অগণন সমৰ্থকক উল্লসিত কৰি তোলে। কিন্তু দ্বিতীয় অৰ্ধত পঞ্জাৱ এফ চিয়ে সুন্দৰ প্ৰত্যাৱৰ্তনেৰে খেলৰ গতি সলনি কৰে। ৬১ মিনিটত য়েণ্ড্ৰেম্বাম ৰবী সিঙে পঞ্জাৱৰ হৈ সমতাসূচক গ'লটো স্ক'ৰ কৰে। পৰৱৰ্তী সময়ত আৰু অতিৰিক্ত সময়তো দুয়োটা দলে বিজয়ী গ'লৰ সন্ধানত তীব্ৰ আক্ৰমণ-প্ৰত্যাক্ৰমণ চলাইছিল যদিও কোনো পক্ষই গ'ল কৰিবলৈ সক্ষম নহ'ল। অৱশেষত পেনাল্টী শ্বুটআউটত নিজৰ স্নায়ুৰ নিয়ন্ত্ৰণ ৰাখি পঞ্জাৱ এফ.চি.য়ে চূড়ান্ত বিজয় সাব্যস্ত কৰে। চূড়ান্ত মেচখনৰ পূৰ্বে এক বৰ্ণাঢ্য সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰাজ্যসভাৰ সাংসদ তেৰচ গোৱালা, আৰু বিশিষ্ট অতিথি হিচাপে নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈ, অইল ইণ্ডিয়াৰ আৱাসিক মুখ্য বিষয়া সঞ্জয় বৰ্মাকে ধৰি অইলৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া উপস্থিত থাকে। দুলীয়াজান ক্লাব মিউজিক একাডেমীৰ ছাত্ৰ-ছাত্ৰী আৰু জনপ্ৰিয় কণ্ঠশিল্পী দীপান্বিতা ডেকাৰ গীত-মাতে ফাইনেলৰ সন্ধিয়াটোক আৰু অধিক জীপাল কৰি তোলে। বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী আৰু ৰানাৰ্ছ আপ দলক ট্ৰফী প্ৰদান কৰাৰ লগতে খেলুৱৈসকলৰ ব্যক্তিগত বঁটাসমূহো প্ৰদান কৰা হয়। ব্যক্তিগত বঁটাপ্ৰাপকসকল হ'ল - ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ ছিংগামায়ুম শ্বামিত (পঞ্জাৱ এফ চি), শ্ৰেষ্ঠ গ'লৰক্ষক নৱজ্যোতি অয়ন (অইল ইণ্ডিয়া এফ চি), শ্ৰেষ্ঠ লিংকমেন অনিকেত যাদৱ (পঞ্জাৱ এফ চি), শ্ৰেষ্ঠ ডিফেণ্ডাৰ সূৰজ মুৰ্মু (পঞ্জাৱ এফ চি) আৰু প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ ঋতুৰাজ মোহন (অইল ইণ্ডিয়া এফ চি)। এক বৰ্ণিল কাৰ্যসূচীৰে নৱম অইল ইণ্ডিয়া স্বৰ্ণ কাপৰ সফল সামৰণি পৰে। এই সমগ্ৰ প্ৰতিযোগিতাখন সুকলমে আৰু সাফল্যমণ্ডিতভাৱে সম্পন্ন হোৱাত আয়োজক সমিতিৰ সভাপতি মাধুৰ্য বৰুৱাই উপস্থিত ৰাইজ, প্ৰতিযোগী আৰু সকলো সহায়কাৰীলৈ অশেষ ধন্যবাদ জনায়।

# কুশবাৰী আঞ্চলিক এম.ই. স্কুলৰ বিদ্যালয় পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, অভয়াপুৰী, ৪ অক্টোবৰ ঃ** সৃজনগ্ৰাম শিক্ষা খণ্ডৰ কুশবাৰী মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত কুশবাৰী আঞ্চলিক এম ই স্কুলৰ পৰিচালনা সমিতি গঠনাৰ্থে আজি এখন সাধাৰণ সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ পূৰ্বৰ পৰিচালনা সমিতিৰ সভাপতি জহিৰ উদ্দিনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক মহিৰ উদ্দিন প্ৰামাণিকে। সভাত বিভাগীয় পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে মজিবৰ ৰহমান আৰু কুশবাৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক বাহাৰুল ইছলামে। বিদ্যালয়খনৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাত অভিভাৱকৰ পৰা ছয়জন পুৰুষ সদস্য আৰু ছয়জন মহিলা সদস্যা নিৰ্বাচিত কৰা হয়। বিভাগীয় নিয়ম অনুসৰি প্ৰধান শিক্ষকে অহা এক সপ্তাহৰ ভিতৰত পুনৰ সভা অনুষ্ঠিত কৰি আজি নিৰ্বাচিত কৰা অভিভাৱক সদস্য-সদস্যাৰ মাজৰ পৰা এজন সভাপতি আৰু এজন উপ সভাপতি নিৰ্বাচিত কৰা হ'ব। আজিৰ সভা খনত অঞ্চলটোৰ সচেতন ৰাইজ আৰু অভিভাৱকৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাত শান্তিপূৰ্ণভাৱে বিদ্যালয় পৰিচালনা সমিতি গঠন কৰা বাবে শলাগ লৈছে অঞ্চলটোৰ সচেতন ৰাইজে।

## ABVP-NSUI সংঘৰ্ষ, ABVPৰ ছাত্ৰীক শ্লীলতা হানিৰ গুৰুতৰ অভিযোগ

# বৰপেটাৰোডৰ বি এইচ কলেজত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, বৰপেটাৰোড, ৪ অক্টোবৰ ঃ** বৰপেটাৰোডৰ অগ্ৰণী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বি এইচ কলেজৰ (BH College) প্ৰেক্ষাগৃহত আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ (ABVP) বৰপেটা জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত এক যুৱতী সন্মিলনক কেন্দ্ৰ কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যাপক উত্তেজনাই বিৰাজ কৰে। বিশিষ্ট অভিনেত্ৰী আঙুৰলতা ডেকা আৰু ডিএছপি (DSP) বিকশিত বৰদলৈকে ধৰি কেইবাগৰাকীও আমন্ত্ৰিত অতিথিৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া সভাক লৈ ABVP আৰু NSUI তথা আন কেইবাটাও ছাত্ৰ সংগঠনৰ মাজত হোৱা বাক-যুদ্ধই ক্ৰমে হিংসাত্মক ৰূপ লয়। ৰাজনৈতিক অনুষ্ঠানৰ বিৰোধিতা NSUIৰ। মহাবিদ্যালয় চৌহদত এনে ধৰণৰ ৰাজনৈতিকভাৱে প্ৰভাৱিত অনুষ্ঠান আয়োজন কৰাৰ তীব্ৰ বিৰোধিতা কৰিছিল NSUI ৰ সদস্যসকলে। বিৰোধিতাৰ পৰিণতিস্বৰূপে দুয়োটা পক্ষৰ ছাত্ৰ-ছাত্ৰীৰ মাজত তগীয়াল বাক-বিতণ্ডা আৰম্ভ হয় আৰু পৰৱৰ্তী সময়ত সি হাতাহাতি পৰ্যায় পায়গৈ। পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে যেতিয়া ABVP ৰ ছাত্ৰী সদস্যসকলে একাংশ NSUI ছাত্ৰৰ বিৰুদ্ধে তেওঁলোকৰ ওপৰত শ্লীলতা হানিৰ অপচেষ্টা চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। আৰক্ষীৰ হস্তক্ষেপে নিয়ন্ত্ৰণ কৰে পৰিস্থিতি ঘটনাৰ খবৰ পোৱাৰ লগে লগে হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত এক সচ্ছল আৰক্ষী বাহিনী তৎক্ষণাৎ ঘটনাস্থলীত উপস্থিত হৈ লাঠিচালনা তথা বুজাবুজিৰে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। সমগ্ৰ ঘটনা সন্দৰ্ভত ABVP ৰ ছাত্ৰীসকলে দোষীসকলক শীঘ্ৰে চিনাক্ত কৰি ২৪ ঘণ্টাৰ ভিতৰত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনাইছে। ইফালে, মহাবিদ্যালয় খনত এই ধৰণৰ বিতৰ্কিত সভা অনুষ্ঠিত কৰাৰ অনুমতি দিয়াৰ বাবে অধ্যক্ষ ভূষণ পাঠকৰ ওপৰত তীব্ৰ ক্ষোভ উজাৰে NSUIৰ ছাত্ৰ-ছাত্ৰীসকলে। অৱশ্যে, সংবাদ মাধ্যমৰ বাৰংবাৰ প্ৰশ্নৰ মাজো এই সমগ্ৰ ঘটনা সন্দৰ্ভত মহাবিদ্যালয় খনৰ অধ্যক্ষগৰাকীয়ে কোনো ধৰণৰ আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পৰা বিৰত থাকে। বৰ্তমান আৰক্ষীৰ কঢ়া নিৰীক্ষণত মহাবিদ্যালয় চৌহদত এতিয়াও এক চেপা উত্তেজনা বিৰাজ কৰিছে।

# পথালিপাহাৰত এল.আই.চি.ৰ পলিচি জালিয়াতি কৰি ঋণ লৈ গ্ৰেপ্তাৰ প্ৰধান শিক্ষকৰ লগতে দুই বেংক কৰ্মচাৰী

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ অক্টোবৰ ঃ** শিক্ষকতাৰ দৰে এটা পবিত্ৰ বৃত্তিক কলংকিত কৰি আনৰ বীমা পলিচি চুৰি আৰু চহী জালিয়াতিৰে বেংকৰ পৰা বৃহৎ পৰিমাণৰ ঋণ লৈ কাৰাগাৰৰ আলহী হ'ল এজন প্ৰধান শিক্ষক। লখিমপুৰ জিলাৰ নাৰায়ণপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত পথালিপাহাৰৰ ডিক্ৰং পৰীয়া জনজাতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক টংক ভূঞাক বান্দৰদেৱা আৰক্ষীৰ সহযোগত বিহপুৰীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। অভিযোগ অনুসৰি নিজৰেই সহযোগী পথালিপাহাৰ ন- পমুৱা গাঁৱৰ মদন মোহন প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষয়িত্ৰী দিপাঞ্জলী দত্তৰ দুখন এল. আই. চি.ৰ পলিচী চুৰি কৰি অসম গ্ৰামীন বিকাশ বেংকৰ পৰা ঋণ সংগ্ৰহ কৰাৰ তথ্য পোহৰলৈ আহে। ২০২০ চনতে টংক ভূঞাই এল. আই. চি. ৰ পলিচি জালিয়াতি কৰি ঋণ প্ৰদান কৰে। বিহপুৰীয়া শিক্ষাখণ্ডৰ অন্তৰ্গত পথালি পাহাৰ আনন্দপুৰ ভকত গাঁৱৰ শিক্ষয়িত্ৰী নিৰ্মালী দত্ত বৰুৱাক আৰু আনখন পলিচিৰে ঋণ প্ৰদান কৰি দিছিল টংক ভূঞাৰ ঘনিষ্ঠ একেখন গাৱঁৰে গৌতমী বৰাক। অৱশ্যে ঘটনাটো দিপাঞ্জলী দত্তই চলিত বৰ্ষৰ আগষ্ট মাহত লখিমপুৰ এল. আই. চি.কাৰ্যালয়ত প্ৰিমিয়াম দিবলৈ গৈ ঘটনাৰ সবিশেষ জানি হতভম্ব হৈ পৰে। ইয়াৰ পিছতে ভুক্তভোগী শিক্ষয়িত্ৰী গৰাকীয়ে বিহপুৰীয়া থানাত এখন এজাহাৰ দাখিল কৰে। ইতিমধ্যে টংক ভূঞাই আৰক্ষীৰ উক্ত বিষয়ৰ তদন্তৰ কথা গম পাই স্বাস্থ্যজনিত কাৰণ দেখুৱাই কিছুদিন গুৱাহাটীত আত্মগোপন কৰি থকা কথা পোহৰলৈ আহে। শিক্ষক ভূঞাই যোৱা ২৯ ছেপ্টেম্বৰত গুৱাহাটীৰ পৰা নিজগৃহলৈ আহি পুনৰ ৩০ছেপ্টেম্বৰত গুৱাহাটী যাবলৈ নাৰায়ণপুৰ সমীপৰ তাঁতিবাহাৰ ৰে'লৰে ষ্টেচন উপস্থিত হয়। বিহপুৰীয়া আৰক্ষীয়ে বিশেষ সূত্ৰে পমখেদি নাৰায়ণপুৰৰ তাঁতিবাহাৰ ৰে'ল ষ্টেচনৰ পৰা আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। টংক ভূঞাক আৰক্ষীয়ে আদালতৰ জৰিয়তে তদন্তৰ বাবে চাৰিদিন নিজৰ জিম্মাত ৰাখি পুনৰ আজি তেওঁক জেল হাজোতলৈ প্ৰেৰণ কৰে। প্ৰকৃত বীমাধিকাৰী নোহোৱাকৈ বা পৰ্যাপ্ত পৰীক্ষা নকৰাকৈ ঋণ প্ৰদান কৰাৰ অভিযোগৰ ভিত্তিত বিহপুৰীয়া আৰক্ষীয়ে শনিবাৰে নিশা পথালিপাহাৰস্থিত অসম গ্ৰামীণ বিকাশ বেংকৰ লগত জড়িত দুই কৰ্মচাৰী ক্ৰমে মাণিক শইকীয়া আৰু প্ৰদীপ শইকীয়াক গ্ৰেপ্তাৰ কৰি আজি আদালতলৈ প্ৰেৰণ কৰে। এই ঘটনাই শিক্ষক সমাজৰ নৈতিকতা আৰু দায়িত্ববোধক লৈ এতিয়া স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## "শালবাৰী মহকুমা সদৰত নিৰ্মাণ হ'ব গান্ধীৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি" ঃ বিধায়ক থানেশ্বৰ বসুমতাৰী

# শালবাৰীত প্ৰশাসনৰ গান্ধী জয়ন্তী উদ্‌যাপন, শান্তি সমদল




**অসম বাৰ্তা, শালবাৰী, ৪ অক্টোবৰ ঃ** শালবাৰী মহকুমা প্ৰসাশনৰ উদ্যোগত শালবাৰীৰ মহকুমাধিপতিৰ কাৰ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত আজি গান্ধী জয়ন্তী উদযাপন কৰা হয়। এই উদ্দেশ্যে শালবাৰী মহকুমাধিপতিৰ কাৰ্যালয় প্ৰাংগনত আৰম্ভণিতে দিনৰ আঠ বজাত মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু গান্ধীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি প্ৰদান কৰে ক্ৰমে- মানস বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰী আৰু শালবাৰী মহকুমাৰ মহকুমাধিপতি মানসজ্যোতি মালাকাৰে। ইয়াৰ পিছতে দিনৰ ৮-৩০ বজাত শান্তি সমদলৰ ফ্লেগ অফ কৰি উদ্বোধন কৰে বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে। উদ্বোধনী ভাষণত বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে কয়- "মহামানৱ মহাত্মা গান্ধীয়ে অহিংস আন্দোলনৰ জৰিয়তে স্বদেশ-স্বজাতিক স্বাধীন কৰি দেশৰ জনগনক শান্তি দিছিল আৰু শান্তি -সমন্বয় প্ৰতিষ্ঠাৰ বাবে আহ্বান জনাইছিল। গান্ধীজীৰ সেই ধৰণৰ আহ্বানক আমি হৃদয়ংগম কৰি সামাজিক শান্তি -সমন্বয় প্ৰতিষ্ঠা কৰিবলৈ সৰ্বস্তৰৰ ৰাইজে ঐক্যবদ্ধতাৰে কাম কৰিব লাগিব।" বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে তেওঁৰ ভাষণত "শালবাৰী মহকুমা সদৰত মহাত্মা গান্ধীৰ এটা পূৰ্ণাংগ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ'ব" বুলিও ঘোষণা কৰে। উল্লেখ্য যে- গান্ধী জয়ন্তী উপলক্ষ্যে শালবাৰী মহকুমাধিপতিৰ কাৰ্যালয় প্ৰাংগনৰ পৰা শালবাৰী মহকুমা সদৰত এক শান্তি সমদল উলিওৱা হয়। বিধায়ক থানেশ্বৰ বসুমতাৰী, শালবাৰীৰ মহকুমাধিপতি মানসজ্যোতি মালাকাৰৰ লগতে পাঁচ শতাধিক প্ৰশাসনৰ লোক, শিক্ষক-শিক্ষাৰ্থী, সমাজকৰ্মীয়ে শান্তি সমদলত অংশগ্ৰহণ কৰে।

# প্ৰচাৰৰ অন্তঃ; নগাঁৱত জাৰি ১৬৩ ধাৰাৰ নিষেধাজ্ঞা

**অসম বাৰ্তা, নগাঁও, ৪ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপনিৰ্বাচনৰ নিৰ্বাচনী প্ৰচাৰ আজি আবেলি ৫ বজাৰ লগে-লগে আনুষ্ঠানিকভাৱে অন্ত পৰে। প্ৰচাৰ সামৰণিৰ পাছতে নগাঁও জিলাত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰে নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া তথা নগাঁও জিলাৰ আয়ুক্ত আৰণ্যক শইকীয়াই। নিষেধাজ্ঞা অনুসৰি জিলাখনত যিকোনো ধৰণৰ ৰাজনৈতিক সভা-সমিতি, সমদল, সমাবেশ আৰু নিৰ্বাচনী প্ৰচাৰ কাৰ্য নিষিদ্ধ কৰা হৈছে। ৰাজনৈতিক উদ্দেশ্যে পাঁচজনতকৈ অধিক লোকৰ সমাগমতো বাধা আৰোপ কৰা হৈছে। ইয়াৰ উপৰি কৰ্তৃপক্ষৰ অনুমতি অবিহনে মেলা আয়োজন, মাইক ব্যৱহাৰ, বেনাৰ-পোষ্টাৰ আঁৰা আৰু যিকোনো উদ্দেশ্যে চান্দা সংগ্ৰহতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে, ভোটগ্ৰহণ কেন্দ্ৰৰ ২০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো ৰাজনৈতিক দলৰ প্ৰচাৰ কাৰ্যালয় স্থাপন কৰিব নোৱাৰিব। লগতে ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰলৈ কৰ্তৃত্বশীল ব্যক্তিৰ বাহিৰে আন লোকক মোবাইল ফোন লৈ প্ৰৱেশতো নিষেধাজ্ঞা জাৰি কৰা হৈছে।

# ওদালগুৰি জিলা প্ৰশাসনৰ উদ্যোগত "সেৱা সংকল্প অভিযান"ৰ অধীনত সেৱা সেতু অভিযান শিবিৰ দেওবাৰে কলাইগাঁও শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ অক্টোবৰ ঃ** বিভিন্ন চৰকাৰী কল্যাণমূলক আঁচনি আৰু সেৱাৰ সুবিধা যোগ্য হিতাধিকাৰীৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যেৰে আজি ৪৮ নং টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত শ্বহীদ সুজিত নাৰ্জাৰী স্মাৰক প্ৰেক্ষাগৃহ চৌহদত "সেৱা সংকল্প অভিযান"ৰ অধীনত সেৱা সেতু অভিযান শিবিৰ অনুষ্ঠিত হয়। ওদালগুৰি জিলা প্ৰশাসন আৰু কলাইগাঁও খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আয়োজিত এই শিবিৰ উদ্বোধন কৰে পশুপালন আৰু পশু চিকিৎসা তথা মীন বিভাগৰ কেবিনেট মন্ত্ৰী তথা ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী নীলিমা দেৱীয়ে। উদ্বোধনী অনুষ্ঠানত টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, ওদালগুৰি জিলাৰ আয়ুক্ত পুলক পাটগিৰিৰ লগতে অতিৰিক্ত জিলা আয়ুক্ত কুশল কলিতা সহিতে জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। এই শিবিৰৰ মূল উদ্দেশ্যে হৈছে চৰকাৰী আঁচনি আৰু সেৱাৰ সুবিধা হিতাধিকাৰীৰ ওচৰলৈ লৈ যোৱা আৰু তেওঁলোকক আঁচনিসমূহৰ সুবিধা লাভ কৰাত সহায় কৰা। এই শিবিৰত ৰেচন কাৰ্ড প্ৰদান, পি এম কিষাণ, কিষাণ ক্ৰেডিট কাৰ্ড, ভূমি পট্টা আৰু নামজাৰি, ভূমি বিক্ৰীৰ অনুমতি, বিবাহ প্ৰমাণপত্ৰ, বেংক একাউণ্ট খোলা, আধাৰ কাৰ্ড, পি এম সূৰ্য ঘৰ, বিনামূলীয়া বিজুলী যোজনা, নিযুত মইনা, নিযুত বাবু আঁচনি, দিব্যাংগজনৰ বাবে অৰুণোদয়, এম জি এন ৰেগাৰ অধীনত জব কাৰ্ড, আয়ুষ্মান কাৰ্ড, জন্ম আৰু মৃত্যুৰ প্ৰমাণ পত্ৰ আদি বিভিন্ন কল্যাণমূলক সেৱা আৰু আঁচনিৰ সুবিধা প্ৰদান কৰা হয়। এই শিবিৰত বিভিন্ন বিভাগৰ সেৱা প্ৰদানকাৰী কাউণ্টাৰ স্থাপন কৰা হয় আৰু ১৭১৩ গৰাকী হিতাধিকাৰীয়ে সেৱা সেতু পৰ্টেলত পঞ্জীয়ন কৰি বিভিন্ন চৰকাৰী সেৱা আৰু আঁচনিৰ সুবিধা গ্ৰহণ কৰে। আনহাতে প্ৰায় সহস্ৰাধিক হিতাধিকাৰীয়ে অৰুণোদয় আঁচনিৰ ক্ষেত্ৰত থকা বিভিন্ন অসুবিধা দূৰীকৰণৰ সুবিধা লাভ কৰে। জিলা প্ৰশাসনে আয়োজন কৰা এই "সেৱা সেতু অভিযান শিবিৰ"ৰ অংশ হিচাপে স্বাস্থ্য বিভাগৰ উদ্যোগতো এক স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ আয়োজন কৰা হয়। অভিভাৱক মন্ত্ৰী নীলিমা দেৱীয়ে টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা আৰু ওদালগুৰি জিলা আয়ুক্ত পুলক পাটগিৰিৰ সৈতে শিবিৰটো পৰিদৰ্শন কৰি স্বাস্থ্য কৰ্মী সকলৰ সৈতে বাৰ্তালাপ কৰে। সেৱা সেতু অভিযানৰ জৰিয়তে চৰকাৰী আঁচনি আৰু সেৱাসমূহ হিতাধিকাৰীৰ মাজলৈ লৈ যোৱাৰ লক্ষ্যৰে এই শিবিৰসমূহ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে জিলা প্ৰশাসনৰ উদ্যোগত ১ অক্টোবৰত ওদালগুৰি বিষ্ণু ৰাভা কৃষ্টি সংঘ আৰু ৩ অক্টোবৰত ৰৌতা ৰঙ্গ মঞ্চত অনুৰূপ সেৱা সেতু অভিযান শিবিৰ অনুষ্ঠিত কৰা হৈছিল।

# বৰপেটাৰ বি এইচ কলেজত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৪ অক্টোবৰ ঃ** বৰপেটা জিলাৰ বি এইচ কলেজত দেওবাৰে ABVP আৰু NSUIৰ কৰ্মী-সমৰ্থকৰ মাজত সৃষ্টি হোৱা বাক-বিতণ্ডাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। কলেজ চৌহদত দুয়োটা ছাত্ৰ সংগঠনৰ মাজত কথাৰ কটাকটি হোৱাত পৰিস্থিতি ক্ৰমাৎ উত্তেজনাপূৰ্ণ হৈ পৰে। ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে দুয়োপক্ষৰ সৈতে কথা পতাৰ লগতে উত্তেজনা অধিক বৃদ্ধি নকৰিবলৈ আহ্বান জনায়। আৰক্ষীৰ তৎপৰতাত অৱশেষত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। ঘটনাটোক কেন্দ্ৰ কৰি কলেজ চৌহদত কিছু সময়ৰ বাবে উত্তেজনাই বিৰাজ কৰিলেও পিছত পৰিস্থিতি স্বাভাৱিক হৈ পৰে। ঘটনাৰ প্ৰকৃত কাৰণ আৰু দুয়োপক্ষৰ মাজত বাক-বিতণ্ডাৰ সূত্ৰপাত কেনেদৰে ঘটিল, সেই সন্দৰ্ভত অধিক তথ্য পোহৰলৈ অহা নাই। কলেজ চৌহদত শৈক্ষিক পৰিৱেশ অটুট ৰখাৰ স্বাৰ্থত সকলো পক্ষকে সংযম আৰু শান্তি বজাই ৰাখিবলৈ আহ্বান জনোৱাৰ লগতে ভৱিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন হৈছে।

# ওদালগুৰি জিলাৰ গৰুৱাঝাৰত মাধ্যম আন্দোলনৰ প্ৰথম শ্বহীদ মোজাম্মিল হকৰ স্মৃতিত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় 'মাতৃভাষা দিৱস' উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ অক্টোবৰ ঃ** অসম সাহিত্য সভাৰ উদ্যোগত ওদালগুৰি জিলা সাহিত্য সভা আৰু গৰুৱাঝৰ কালিখোলা সাহিত্য সভাৰ সহযোগিতাত অবিভক্ত দৰং জিলাৰ সু-সন্তান ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ প্ৰথম শ্বহীদ মোজাম্মিল হকৰ স্মৃতিত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠান 'মাতৃভাষা দিৱস'টি এইবেলি ৬ অক্টোবৰ তাৰিখে এদিনিয়া কাৰ্যসূচীৰে গৰুৱাঝাৰ তিনিআলি মুকলি মঞ্চ প্ৰাঙ্গণত অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাৰ মাতৃভাষা দিৱস উদ্‌যাপনৰ সমিতিখন ক্ৰমে আদৰণী সমিতিৰ সভাপতি চাহেদ আলি আহমেদ, কাৰ্যকৰী সভাপতি ইন্দ্ৰপ্ৰসাদ কলিতা, উপ সভাপতি ৰাজেন প্ৰধান, মণিৰ হুছেইন, খবিৰ আহমেদ, বিজয় বৈশ্য, ৰমিজ আলী, সাধাৰণ সম্পাদক কাছিম আলি, সহকাৰী সম্পাদক মহঃ আলতাফ হুছেইন, মনোজ মিশ্ৰ, সাংগঠনিক সম্পাদক সোণেশ্বৰ শৰ্মা, মইনুল আলী, কবিতা হাজৰিকা, ৰবিন গোৱালা। অনুষ্ঠানত অসম সাহিত্য সভাৰ পতিকা উত্তোলন কৰিব ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলী আহমেদে। শ্বহীদ মোজ্জামিল হকৰ প্ৰতিচ্ছবিত একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব অসম সাহিত্য সভা, ৰাজ্যভাষা মাতৃভাষা প্ৰয়োগ উপ সমিতিৰ আহ্বায়ক ৰাণা আলমে, মাল্যাৰ্পণ কৰিব গৰুৱাঝাৰ কালিখোলা সাহিত্য সভাৰ সভাপতি আশোক তিৱাৰীয়ে। স্মৃতি তৰ্পণ কৰিব আদৰণী সমিতিৰ সভাপতি চাহেদ আলী আহমেদে। মুকলি সভা আৰু স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব অধ্যাপক, বিশিষ্ট সাহিত্যিক, গৱেষক ইছমাইল হুছেইন।

## বৃদ্ধাশ্ৰম, অনাথ আশ্ৰমলৈ সাহায্য



# বিৰিঞ্চি দত্তৰ বিয়োগ

**অসম বাৰ্তা, নিমাতীঘাট, ৪ অক্টোবৰ ঃ** যোৰহাট জিলাৰ চাৰিগাঁও সোণাৰীগাঁও নিৱাসী বিৰিঞ্চি দত্ত(৮১)ৰ ২ অক্টোবৰৰ পুৱতি নিশা বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী সেৱক তথা চেঙেলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰী শিক্ষক গৰাকী মৃত্যুৰ আগমুহূৰ্তলৈকে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেখেতৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেখেতে পুত্ৰ-বোৱাৰী, নাতি সহিতে আত্মীয়-স্বজনক এৰি যায়।

# ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটি, ডিব্ৰুগড় জিলা শাখাৰ মানৱীয় পদক্ষেপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ অক্টোবৰ ঃ** ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটি, ডিব্ৰুগড় জিলা শাখাৰ উদ্যোগত দৰিদ্ৰ আৰু বঞ্চিত পৰিয়ালৰ মাজত অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰাৰ বাবে এলানি পদক্ষেপ হাতত লৈছে। ৰেডক্ৰছ ছ'চাইটি, ডিব্ৰুগড় জিলা শাখাই সমাজৰ দৰিদ্ৰ, বঞ্চিত আৰু দুৰ্বল শ্ৰেণীৰ লোক সকলৰ কাষত থিয় দি বিভিন্ন মানৱীয় কাৰ্যসূচী অব্যাহত ৰাখিছে। ইয়াৰ অংশ হিচাপে জিলা শাখাই খাদ্য সামগ্ৰীকে ধৰি দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰি আহিছে। ডিব্ৰুগড় আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত অৱস্থিত বিভিন্ন বৃদ্ধাশ্ৰম, অনাথ আশ্ৰম, পুনৰ্সংস্থাপন কেন্দ্ৰ আৰু অন্যান্য সামাজিক প্ৰতিষ্ঠানলৈ গৈ ৰেডক্ৰছৰ তৰফৰ পৰা প্ৰয়োজনীয় খাদ্য আৰু অন্যান্য ভোগ্য সামগ্ৰী আগবঢ়োৱা হৈছে। এই প্ৰতিষ্ঠানসমূহ হ'ল প্ৰত্যাৱৰ্তন বৃদ্ধাশ্ৰম, প্ৰেৰণা অনাথ আশ্ৰম, দীপশিখা ফাউণ্ডেচন, কল্যাণ আশ্ৰম ইত্যাদি। অসহায়, বৃদ্ধ, অনাথ আৰু সমাজৰ বঞ্চিত লোকসকলৰ দৈনন্দিন জীৱনৰ কিছু প্ৰয়োজন পূৰণ কৰাই এই পদক্ষেপৰ মূল উদ্দেশ্য। বিভিন্ন সামাজিক আৰু আৰ্থিক কাৰণত বহু লোক এতিয়াও জীৱনৰ মৌলিকপ্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ অসুবিধাৰ সন্মুখীন হৈ আছে। এনে লোকসকলক কিছুসকাহ দিয়াৰ উদ্দেশ্যে ৰেডক্ৰছৰ সদস্য আৰু স্বেচ্ছাসেৱকসকলে প্ৰয়োজনীয় প্ৰতিষ্ঠান আৰু উপযুক্ত হিতাধিকাৰী চিনাক্ত কৰি সহায় আগবঢ়াই আহিছে। উল্লেখযোগ্য যে ৰেডক্ৰছ ছ'চাইটি, ডিব্ৰুগড় জিলা শাখাই জিলাখনত বিভিন্ন মানৱীয় কাৰ্যসূচীৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ আহিছে। এই সন্দৰ্ভত ৰেডক্ৰছৰ বিষয়ববীয়াসকলে কয় যে কোনো ধৰণৰ বৈষম্য নকৰাকৈ বিপদগ্ৰস্ত আৰু অসহায় লোকসকলৰ কাষত থিয় দিয়াই ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটিৰ মূল লক্ষ্য। সমাজৰ দায়বদ্ধ নাগৰিক, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সংগঠনসমূহক আগবাঢ়ি আহি ৰেডক্ৰছৰ এনে মানৱীয় কাৰ্যসূচীৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনোৱা হৈছে।

# ৰাজ্য চৰকাৰৰ সেৱা সংকল্প অভিযান

## জনসাধাৰণৰ দুৱাৰদলিত চৰকাৰী সেৱা শিবিৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৪ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে গ্ৰহণ কৰা 'সেৱা সংকল্প অভিযান'ৰ অধীনত চৰকাৰী সেৱাসমূহ জনসাধাৰণৰ দুৱাৰদলিত উপলব্ধ কৰোৱাৰ উদ্দেশ্যে শুকুৰবাৰে বৰপেটা জিলাৰ ৩ নং বৰদলস্থিত গৰলা হাইস্কুলত 'সেৱা সেতু' শিবিৰ অনুষ্ঠিত হয়। শিবিৰটোত বিভিন্ন চৰকাৰী বিভাগৰ কৰ্মচাৰীসকলে উপস্থিত থাকি ৰাইজক বিভিন্ন চৰকাৰী সেৱা প্ৰদান কৰাৰ লগতে তেওঁলোকৰ অভাৱ-অভিযোগ আৰু সমস্যাসমূহৰ নথি-পত্ৰ গ্ৰহণ কৰে। শিবিৰত অৰুণোদয়, ভূমি পট্টা, নামজাৰি, ভূমি বিক্ৰীৰ অনুমতি, প্ৰধানমন্ত্ৰীৰ সূৰ্য ঘৰ-বিনামূলীয়া বিজুলী আঁচনি, কিষাণ ক্ৰেডিট কাৰ্ড, মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি, নিযুত বাবু আঁচনি, ৰেচন কাৰ্ড, প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আদিকে ধৰি বিভিন্ন জনকল্যাণমূলক আঁচনি আৰু সেৱাৰ বিষয়ে ৰাইজক সহায়-সহযোগিতা আগবঢ়োৱা হয়। লগতে মুঠ ১৬টা বিভাগৰ সৈতে জড়িত বিভিন্ন অভিযোগ আৰু সমস্যাৰ প্ৰয়োজনীয় নথি-পত্ৰ সংগ্ৰহ কৰি 'সেৱা সেতু'ৰ অধীনত পৰৱৰ্তী পৰ্যায়ত সমস্যা সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। চৰকাৰী সেৱা লাভৰ বাবে দূৰ-দূৰণিৰ কাৰ্যালয়লৈ অহা-যোৱা কৰাৰ পৰিৱৰ্তে এনেদৰে গাঁও তথা জনসাধাৰণৰ কাষলৈ চৰকাৰী সেৱা লৈ যোৱাৰ পদক্ষেপে সাধাৰণ ৰাইজক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰা হৈছে। বিশেষকৈ চৰকাৰী আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত প্ৰয়োজনীয় তথ্য, নথি-পত্ৰ আৰু প্ৰক্ৰিয়াগত সহায় লাভ কৰাত এই সেৱা শিবিৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সেৱা সংকল্প অভিযানৰ মূল উদ্দেশ্য হৈছে চৰকাৰী আঁচনি আৰু জনকল্যাণমূলক সেৱাসমূহ যোগ্য হিতাধিকাৰীৰ ওচৰলৈ অধিক সহজ, স্বচ্ছ আৰু ফলপ্ৰসূভাৱে লৈ যোৱা। গৰলা হাইস্কুলত অনুষ্ঠিত এই সেৱা সেতু শিবিৰেও চৰকাৰ আৰু জনসাধাৰণৰ মাজৰ ব্যৱধান হ্ৰাস কৰি প্ৰশাসনক অধিক জনমুখী কৰাৰ এক ইতিবাচক প্ৰয়াস হিচাপে পৰিগণিত হৈছে।

## দিল্লী আৰক্ষীৰ বিৰুদ্ধে তিনিগৰাকী

পদত্যাগৰ দাবীত যন্তৰ-মন্তৰত আয়োজন কৰা প্ৰতিবাদী কাৰ্যসূচী চলি থকাৰ সময়ত আৰক্ষী বিষয়াসকলে তিনিগৰাকী মহিলা সাংবাদিকৰ সৈতে অনুচিত আচৰণ কৰে। দিল্লী আৰক্ষীয়ে দেওবাৰে জানিবলৈ দিয়ে যে তিনিগৰাকী মহিলা সাংবাদিকৰ পৰা তেওঁলোকৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ গুৰুতৰ অভিযোগ লাভ কৰা হৈছে। এই অভিযোগৰ নিৰপেক্ষ তদন্তৰ বাবে গোচৰটো দিল্লী আৰক্ষীৰ অপৰাধ শাখালৈ হস্তান্তৰ কৰা হৈছে। আৰক্ষীৰ 'এক্স' পোষ্টত উল্লেখ কৰা অনুসৰি,, অক্টোবৰ চঞ্চছ তাৰিখে নতুন দিল্লী অঞ্চলত আইন-শৃংখলা ৰক্ষা আৰু প্ৰতিবাদ নিয়ন্ত্ৰণৰ সময়ত এই অভিযোগ উত্থাপন হৈছে। শনিবাৰে মাজনিশা সামাজিক মাধ্যমত প্ৰচাৰিত এক ভিডিঅ' বিবৃতিত এগৰাকী মহিলা সাংবাদিকে অভিযোগ কৰে যে এচিপি পৰ্যায়ৰ এজন আৰক্ষী বিষয়াই তেওঁক যৌন নিৰ্যাতন চলাইছিল। তেওঁৰ ভাষ্য অনুসৰি, ট্ৰচএট্ৰৰ ৰাষ্ট্ৰীয় সভানেত্ৰী নেহা বৰাক আটক কৰাৰ সময়ত তেওঁ ভিডিঅ' ৰেকৰ্ডিং কৰি আছিল; সেই সময়তে উক্ত বিষয়াগৰাকীয়ে তেওঁৰ স্তনত হাত দি ঠেলি দিয়ে। সাংবাদিকগৰাকীয়ে প্ৰতিৰোধ দেখুওৱাত বিষয়াগৰাকী ঘটনাস্থলীৰ পৰা পলায়ন কৰে। তেওঁ দাবী কৰে যে ঘটনাৰ পিছত তেওঁ প্ৰায় তিনিঘণ্টা ধৰি পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট থানাৰ বাহিৰত অপেক্ষা কৰি থাকিলেও আৰক্ষীয়ে তেওঁৰ অভিযোগ পঞ্জীয়ুক্ত কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে। এই ঘটনাৰ প্ৰতিবাদত বিপুল সংখ্যক কৰ্মী, প্ৰতিবাদকাৰী, স্বতন্ত্ৰ সাংবাদিক, ডিজিটেল মাধ্যমৰ কণ্টেণ্ট ক্ৰিয়েটৰ আৰু অন্য সাংবাদিকে থানাৰ বাহিৰত গোট খায়। তেওঁলোকে অভিযুক্ত আৰক্ষী বিষয়াৰ বিৰুদ্ধে এজাহাৰ পঞ্জীয়ন কৰি আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। প্ৰতিবাদকাৰীসকলৰ যুক্তি আছিল যে কোনো আৰক্ষী বিষয়াই মহিলাৰ বিৰুদ্ধে অপৰাধমূলক কাৰ্যত লিপ্ত হ'লে সেই অভিযোগ আন যিকোনো গোচৰৰ দৰেই গণ্য কৰিব লাগে আৰু আইন অনুযায়ী কঠোৰ ব্যৱস্থা ল'ব লাগে। ইফালে, প্ৰেছ ক্লাব অৱ ইণ্ডিয়াই প্ৰতিবাদৰ সংবাদ সংগ্ৰহ কৰি থকা সাংবাদিকসকলৰ প্ৰতি দিল্লী আৰক্ষীৰ আচৰণত হতভম্ব আৰু হতাশা প্ৰকাশ কৰিছে। সংগঠনটোৱে দিল্লী আৰক্ষীক অভিযোগ সন্দৰ্ভত অতি সোনকালে ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। প্ৰেছ ক্লাবৰ বিবৃতিত কোৱা হৈছে, গণতন্ত্ৰত এনে আচৰণ স্বাভাৱিক বুলি গণ্য কৰিব নোৱাৰি। সাংবাদিকসকলে নিৰ্ভয় আৰু মুক্তভাৱে কৰ্তব্য পালন কৰিব পৰা পৰিৱেশ নিশ্চিত কৰিব লাগে; জনগোষ্ঠীয়ে বিভিন্ন বিষয় উত্থাপন কৰিবলৈ গোট খোৱাৰ সময়ত তাৰ তথ্য সংগ্ৰহ কৰাত বাধা দিয়া উচিত নহয়। ৰাষ্ট্ৰীয় ৰাজধানীৰ মাজমজিয়াত সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত এনে আচৰণে ভৱিষ্যতৰ বাবে আশংকা সৃষ্টি কৰিছে বুলি প্ৰেছ ক্লাবে মন্তব্য কৰে। লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে এই ঘটনাক লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক প্ৰশ্ন কৰিছে। 'এক্স'ত তেওঁ লিখিছে, "অমিত শ্বাহ জী, আপুনি ক'ত আছে? এই বিষয়ে আপুনি উত্তৰ দিব লাগিব।" তেওঁৰ মতে, যন্তৰ-মন্তৰত শতাধিক সাংবাদিকে ঘণ্টাৰ পিছত ঘণ্টা ধৰি এজাহাৰ পঞ্জীয়নৰ দাবী জনাই থকাৰ পিছতো পৰিস্থিতিৰ গুৰুত্ব অনুধাৱন কৰা হোৱা নাই। স্মৰ্তব্য, শনিবাৰে দিল্লী আৰক্ষীয়ে প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত AISAৰ কেইবাজনো সদস্যক আটক কৰিছিল। যন্তৰ-মন্তৰৰ সমীপত আৰক্ষীৰ বেৰিকেড ভাঙি সমদল আগুৱাই নিবলৈ চেষ্টা চলোৱাৰ অভিযোগত AISAৰ সভানেত্ৰী নেহা বৰাৰ লগতে জ্যেষ্ঠ অধিবক্তা প্ৰশান্ত ভূষণ আৰু কপিল ছিবালকো আটক কৰা হৈছিল। যোৱা চ অক্টোবৰত যন্তৰ-মন্তৰত অনুষ্ঠিত বৃহৎ প্ৰতিবাদৰ সন্দৰ্ভত দিল্লী আৰক্ষীয়ে কমেও তিনিটা গোচৰ ৰুজু কৰিছে; ইয়াৰে দুটা পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট থানাত আৰু এটা কন'টপ্লেচ থানাত। ইপিনে, নিৰ্বাচন আয়োগ সন্দৰ্ভত শেহতীয়া বিতৰ্কৰ প্ৰসংগতো এক পটভূমি উল্লেখ কৰা হৈছে। যোৱা মাহত 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ'ত প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি, নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সন্ধু আৰু বিবেক যোশীয়ে এছআইআৰ, ভোটাৰ পঞ্জীয়ন আৰু আয়োগৰ প্ৰযুক্তি ব্যৱস্থা সন্দৰ্ভত লোৱা সিদ্ধান্তত ১০ মাহৰ ভিতৰত কমেও ১৪বাৰ আনুষ্ঠানিক আপত্তি উত্থাপন কৰিছিল। কিন্তু সেই আপত্তিসমূহৰ চূড়ান্ত সিদ্ধান্তত প্ৰতিষ্ঠানিক মতানৈক্যৰ সমান বুলি জাৰি কৰা পৰামৰ্শ নিৰ্বাচন আয়োগে নাকচ কৰে। আয়োগে স্পষ্ট কৰে যে খচৰা পৰ্যায়ত উত্থাপন কৰা কাৰ্যকৰী প্ৰশ্ন, ইনপুট আৰু পৰামৰ্শসমূহ আয়োগৰ মানক প্ৰশাসনিক আৰু সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াৰ অংশ। এছআইআৰ প্ৰক্ৰিয়াৰ সময়সূচী সম্পৰ্কীয় সিদ্ধান্তসমূহ সৰ্বসন্মতিক্ৰমে লোৱা হৈছে বুলি নিৰ্বাচন আয়োগে দৃঢ়তাৰে জনায়।

## বৈদ্যুতিক, CNG বাহনে দিব

বিশেষ কৰ দিব লাগিব। ৩ বছৰ বা তাতকৈ অধিক পুৰণি বাহনৰ মালিকীস্বত্ব হস্তান্তৰৰ ক্ষেত্ৰত ৩, ০০০ টকাৰ সেউজ উপ কৰ (গ্ৰীণ চেছ) দিব লাগিব।" তেওঁ লগতে জনায় যে বৈদ্যুতিক বাহন আৰু CNG চলিত বাহনক এই কৰৰ পৰা ৰেহাই দিয়া হৈছে। একেদৰে দুচকীয়া আৰু তিনিচকীয়া বাহনকো ৰেহাই দিয়া হৈছে। বাহনৰ গৰাকীৰ মৃত্যু হ'লে উত্তৰাধিকাৰীয়ে সেই বাহনখন নিজৰ নামত পঞ্জীয়ন কৰালেও এই সেউজ উপ কৰ দিব নালাগে। তেওঁ স্পষ্ট কৰে যে এই কৰ নীতিৰ জৰিয়তে সংগ্ৰহ কৰা ৰাজহ আন চৰকাৰী কামত ব্যৱহাৰ নহ'ব; বনানীকৰণ বা পাৰিপাৰ্শ্বিকতাৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰা হ'ব। কেবিনেট বৈঠকত লোকনিৰ্মাণ বিভাগ সন্দৰ্ভতো গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা লোকনিৰ্মাণ বিভাগ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ)ৰ অস্তিত্ব নাথাকিব। ৰাষ্ট্ৰীয় ঘাইপথ বিভাগক লোকনিৰ্মাণ বিভাগ শ্চপথগ্নৰ লগত সংলগ্ন কৰা হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "লোকনিৰ্মাণ বিভাগৰ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বুলি এটা বিভাগ আছিল। কিন্তু গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ বহু ক্ষেত্ৰত সম্পৰ্ক নাই। সেয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ বিভাগক গৃহৰ পৰা কাটি লোকনিৰ্মাণ বিভাগ (পথ)ৰ লগত সংলগ্ন কৰা হৈছে।" ইয়াৰ লগে লগে ৰাষ্ট্ৰীয় ঘাইপথৰ কাম চাবলৈ এটা অতিৰিক্ত আয়ুক্তৰ পদ সৃষ্টি কৰাৰ বাবে কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে। এতিয়াৰে পৰা এই বিভাগ লোকনিৰ্মাণ বিভাগ শ্চপথ আৰু ৰাষ্ট্ৰীয় ঘাইপথগ্ন হিচাপে জনাজাত হ'ব। জলজীৱন মিছন আঁচনিৰ ক্ষেত্ৰতো কেবিনেটত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। ৰাজ্যৰ অন্য জিলা বা অঞ্চলৰ দৰেই বিটিচি, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদত জলজীৱন মিছনৰ কাম সুস্থুভাৱে পৰিচালনা কৰিবলৈ তিনিখন বুজাবুজি স্মাৰকপত্ৰত কেবিনেটে অনুমোদন জনায়। এই বুজাবুজি স্মাৰকপত্ৰত স্বাক্ষৰ হ'লেই উক্ত অঞ্চলসমূহত জলজীৱন মিছন আঁচনিৰ কাম সুচাৰুৰূপে পৰিচালনা কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। অসমৰ অগ্নিবীৰসকলৰ বাবেও কেবিনেট বৈঠকত বিশেষ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অসমৰ যিসকল স্থায়ী বাসিন্দাই অগ্নিবীৰ আঁচনিৰ জৰিয়তে দেশমাতৃৰ সেৱাত নিয়োজিত হৈ আছে, তেওঁলোকৰ বাবে অসম আৰক্ষী, কাৰাগাৰ বিভাগ, অগ্নি নিৰ্বাপক বাহিনী, এছডিআৰএফ, বন বিভাগ আদি বিভিন্ন বিভাগত কনিষ্ঠবলৰ পদত ৰচ শতাংশ সংৰক্ষণ ৰখা হ'ব। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, বৰ্তমান অগ্নিবীৰ হিচাপে সেৱা আগবঢ়াই থকা অসমৰ স্থায়ী বাসিন্দাসকলে এই পদসমূহৰ বাবে যোগ্য হ'ব। কেবিনেট বৈঠকত ডালমিয়া ভাৰত চিমেণ্ট কোম্পানীৰ বিনিয়োগ প্ৰস্তাৱতো অনুমোদন জনোৱা হয়। এডভাণ্টেজ আছাম ২.০ৰ সময়ত কোম্পানীটোৱে অসমত ১০, ২০০ কোটি টকা বিনিয়োগৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু সেই অনুসৰি চৰকাৰৰ সৈতে বুজাবুজি স্বাক্ষৰ হৈছিল। এই প্ৰস্তাৱক কেবিনেটে অনুমোদন জনায়। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, কোম্পানীটোৱে অসমত চিমেণ্ট উৎপাদনৰ বাবে এই পুঁজি ব্যৱহাৰ কৰিব। লংকা আৰু উমৰাংছুত কোম্পানীটোৰ দুটা ইউনিট স্থাপন কৰা হ'ব। পৌৰ নিগমৰ নিৰ্বাচন সন্দৰ্ভতো কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হয়। পূৰ্বে পৌৰ নিগমৰ নিৰ্বাচনত কোনো বিতৰ্ক হ'লে গুৱাহাটীৰ আদালতত বিষয়টো উত্থাপন কৰাৰ নিয়ম আছিল। কিন্তু এতিয়াৰে পৰা শিলচৰ পৌৰ নিগম আৰু ডিব্ৰুগড় পৌৰ নিগমৰ নিৰ্বাচনত কোনো বিতৰ্ক হ'লে সংশ্লিষ্ট জিলাকেইখনৰ আদালতত বিষয়টো উত্থাপন কৰিব পাৰিব। দেওবাৰে অনুষ্ঠিত কেবিনেট বৈঠকত অসম চৰকাৰে অসমৰ পৌৰ নিগমৰ নিৰ্বাচন (সংশোধনী) নিয়মাৱলী, ২০২৬ত অনুমোদন জনায়। ইয়াৰ উপৰি মেঘালয়ৰ শ্বিলংস্থিত ভাৰতীয় সেনাৰ অসম ৰেজিমেণ্টৰ কাৰ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে **ৰজ্ম** কোটি টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "শেহতীয়াকৈ মই অসম ৰেজিমেণ্টলৈ গৈছিলোঁ। তাত প্ৰায় ৫০ শতাংশ অসমীয়া ল'ৰা-ছোৱালী আছে। তেওঁলোকৰ ল'গ'ত গঁড় আছে। আমি অসম ৰেজিমেণ্টৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰজ্ম কোটি টকাৰ আৰ্থিক অনুদানৰ বাবে কেবিনেটে অনুমোদন জনাইছে।" কেবিনেট বৈঠকৰ আন এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি কোচবিহাৰত থকা মধুপুৰ সত্ৰৰ দৈনন্দিন কাম পৰিচালনা কৰাত সহায়ৰ বাবে অসম চৰকাৰে প্ৰতিমাহে ৰ লাখ টকাকৈ বৰঙনি আগবঢ়াব। চৰকাৰে ভৱিষ্যতে নগাঁৰৰ বৰদোৱাৰ দৰে মধুপুৰ সত্ৰৰ বাবেও বৃহৎ আঁচনি লোৱাৰ পৰিকল্পনা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। গুৱাহাটী নদীপাৰ উন্নয়ন প্ৰকল্পৰ সম্প্ৰসাৰণ সন্দৰ্ভতো বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাছাৰী বজাৰৰ পৰা কামাখ্যা অৰ্থাৎ নীলাচল পাহাৰৰ সমীপলৈ ব্ৰহ্মপুত্ৰ নদীপাৰ উন্নয়ন প্ৰকল্পৰ অধীনত প্ৰকল্পৰ বিশদ প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে টাটা কনছাল্টিং ইঞ্জিনিয়াৰ্ছ লিমিটেডক দায়িত্ব দিয়াৰ সিদ্ধান্ত কেবিনেটে গ্ৰহণ কৰে। লগতে, কেবিনেট বৈঠকত বিটিচিৰ কোকৰাঝাৰত থকা পাতগাঁও প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলক ৰাজহ গাঁৱলৈ পৰিৱৰ্তন কৰাৰ সিদ্ধান্ত কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত কয়, "পাতগাঁৱত বিশেষ গছ-গছনি নাই। তাত বিভিন্ন জনগোষ্ঠীৰ লোকে বাস কৰে। সেয়ে পাতগাঁও প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলক আমি ৰাজহ গাঁৱলৈ পৰিৱৰ্তন কৰাৰ সিদ্ধান্ত লৈছোঁ। এতিয়া তাত থকা লোকসকলে ভূমিপট্টা লাভ কৰিব পাৰিব। বিটিচি প্ৰশাসনৰ অনুৰোধ মৰ্মে এই সিদ্ধান্ত লোৱা হৈছে।" মধুপুৰ সত্ৰলৈ অসম চৰকাৰে প্ৰতি মাহে ৰ লাখ টকা আগবঢ়াব বুলি সিদ্ধান্ত লোৱা হয়। মধুপুৰ সত্ৰৰ আৰ্থিক সমস্যা দূৰ কৰাৰ বাবেই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বৰদোৱাৰ দৰে মধুপুৰ সত্ৰৰ বাবেও বৃহৎ প্ৰকল্প লোৱাৰ পৰিকল্পনা কৰা হৈছে।

## গুৱাহাটীৰ প্ৰতিটো পৌৰ ৱাৰ্ডত

পুৰণি ৰাজহুৱা পুথিভঁৰালসমূহৰ অন্যতম। সেই পুথিভঁৰালত প্ৰায় ৮৫, ০০০ৰো অধিক কিতাপৰ সংগ্ৰহ আছে বুলি জনা যায়। আনহাতে লতাশিল-উজান বজাৰত অৱস্থিত বিষ্ণু নিৰ্মলা শিশু পুথিভঁৰাল শিশু আৰু কিশোৰ-কিশোৰীসকলৰ বাবে এক উৎকৃষ্ট পুথিভঁৰাল হিচাপে পৰিচিত। বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তা তথা ডিজিটেল মাধ্যমৰ প্ৰভাৱত নতুন প্ৰজন্মই কিতাপ পঞ্জাৰ পৰা আঁতৰি যোৱাৰ বিষয়ে বহুসময়ত উদ্বেগ প্ৰকাশ কৰা হয়। তদুপৰি বহু শিক্ষাৰ্থীয়ে আৰ্থিক সমস্যাৰ বাবে প্ৰয়োজনীয় গ্ৰন্থ ক্ৰয় কৰিব নোৱাৰে। এনে পৰিস্থিতিত ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীত পুথিভঁৰাল নিৰ্মাণৰ যি পদক্ষেপ লৈছে, তাৰ জৰিয়তে বহু শিক্ষাৰ্থী আৰু গ্ৰন্থপ্ৰেমীয়ে উপকৃত হ'ব বুলি আশা কৰা হৈছে।

## ইচ্ছুবিহীনভাৱে নগাঁও লোকসভাৰ

টাইপ বিধায়ক, ইনশ্বাল্লাহ, শুকান মাছ আদিৰ বিতৰ্কই। চলিল ছাদেৰ লাও লোক গীতৰ পৰা আকৌ এবাৰ মোডী চৰকাৰ গীতৰ নৃত্যৰ সমাহাৰ। আজি অন্তিম প্ৰচাৰৰ দিনা বৃহৎ ৰেলিৰ বিপৰীতে লাহৰীঘাট সমষ্টিৰ বুথে বুথে বিজেপিয়ে চলাই ৰেলি। ইফালে লাহৰীঘাট সমষ্টিৰ বৰবঞ্জী গাঁও পঞ্চায়ত এলেকাত হোৱা বিজেপিৰ বৃহৎ নিৰ্বাচনী সভাত দেবাশীষ শৰ্মাৰ হৈ প্ৰচাৰ চলাই মন্ত্ৰী পীযুষ হাজৰিকাই। অন্তিম প্ৰচাৰ সভাখনতো পূৰ্বৰ দৰেই লাহৰীঘাট সমষ্টিত কৰা কাম কাজ আৰু আচনিৰ প্ৰলোভনেৰে হাজৰিকাই প্ৰচাৰ সামৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত হাজৰীকাই আগন্তুক লোক সভাৰ উপ নিৰ্বাচনত দেবাশিষ শৰ্মা আঢ়ৈ লাখ ভোট লাভ কৰিব বুলি দাবী কৰে। তদুপৰি লাহৰীঘাট আৰু চামগুৰিত বিজেপিৰ ভাল ফলাফল হব বুলি দাবী কৰে। বিৰোধীৰ দখলত থকা চাৰি বিধান সভা সমষ্টিত আগতেও ডেৰ লাখ ভোট পোৱা বুলি তেওঁ কয়। এ আই ইউ ডি এফ চ্ছু ৰ পৰা ৪.৫ লাখ ভোট পাব কৰিব বুলি তেওঁ কয়। তেওঁ দৃঢ়তাৰে কয় যে দুইৰ পৰা আঞ্চলৈাখত বিজেপি জিকিব। লাহৰীঘাটৰ বিধায়ক আছিফ নাজাৰৰ সন্দৰ্ভত তেওঁ কয় যে নাজাৰৰ টিকট কটাৰ ভয়ত মুখ্যমন্ত্ৰীৰ ওচৰলৈ নাযায়। সেয়ে সমষ্টিৰ উন্নয়নৰ কাম নহয়। মন্ত্ৰী গৰাকীয়ে গৌৰৱ গগৈক সমালোচনা কৰি কয়, গৌৰৱ গগৈয়ে ইমান ডাঙৰ কথা কয় কিন্তু তেওঁ নিজৰ বুথতে হাৰিছে। গৌৰৱ গগৈ জ্ঞ্জু শতাংশ ব্ৰিটিছ। কোনদিনা তেৰো ব্ৰিটিছ হয় থিক নাই। গতিকে এনে মানুহে কত কি কয় থিক নাই। ইফালে সমষ্টি টোৰ অন্তৰ্গত মৈৰাবাৰী ইন্দিৰা ফিল্ডত কংগ্ৰেছৰ অন্তিমখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰে গৌৰৱ গগৈ, বিধায়ক ৰেকিবুদ্দিন, ডাঃ আছিফ মহম্মদ নাজাৰ আৰু কেবাজনো দলীয় নেতাই। উক্ত সভাত গৌৰৱ গগৈয়ে মমতাজৰ প'ষ্ট বেক সন্দৰ্ভত বিজেপি দলক কঠোৰ সমালোচনা কৰে। বিজেপি দলক ভোট চোৰ আখ্যা দি গগৈয়ে কয় বৰ্তমান বিজেপি দল চোৰ দগাবাজ, ছেণ্ডিকেট মাফিয়াৰে ভৰি পৰিছে। জ্ঞানেশ কুমাৰৰ প্ৰসঙ্গ উল্লেখ কৰিও বিজেপিক সমালোচনা কৰে। তেওঁ দাবী কৰে যে কেন্দ্ৰত বিজেপি চৰকাৰ কোন সময়ত পতন হয় থিক নাই। ২০২৯ ত ৰাহুল গান্ধী প্ৰধান মন্ত্ৰী হোৱাটো নিশ্চিত। তেতিয়া হিমন্ত বিশ্ব শৰ্মা জেললৈ যোৱাটো খাটাং। বদৰ উদ্দিন আজমলক হিমন্তই মাতি আনি সংখ্যালঘুৰ ভোট বিভাজনৰ চেষ্টা কৰিছে। ইফালে ড° আছিফ মহম্মদ নাজাৰে কয় যে আছনি কাঢ়ি নিয়াৰ ভয় দেখুৱাই বিজেপিয়ে সংখ্যালঘুৰ ভোট লব বিছাৰিছে। কিন্তু আছনিৰ পৰা চৰকাৰে কাকো বঞ্চিত কৰিব নোৱাৰে। আচনিৰ ধন বিজেপি দলৰ নহয়। তদুপৰি তেওঁ কয়, বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মা বিজেপিয়ে ভাল মানুহ বুলি প্ৰচাৰ চলাইছে। কিন্তু দেৱাশিস শৰ্মাৰ আচল ৰূপ মানুহে দেখা নাই। দেৱাশিস শৰ্মা নিমকি গুণ্ডা। ৰেকিবুদ্দিন আৰু অন্যান্য প্ৰচাৰক সকলেও বিজেপি আৰু এ আই ইউ ডি এফক সমালোচনা কৰে। ইফালে সমষ্টি টোৰ তিনিচুকীয়া ৰাজীৱ গান্ধী খেলপথাৰত এ আই ইউ ডি এফে বৃহৎ নিৰ্বাচনী সভাৰে অন্তিম প্ৰচাৰ চলাই আজমলে। মৰিগাঁও জিলা সমিতিৰ সভাপতি ছিদ্দিক আহমেদৰ সভাপতিত্বত অনুষ্ঠিত নিৰ্বাচনী সভাত মিনাক্ষী ৰহমানে বিজেপিৰ আচনিৰ লোভ বাদ দি জাতিৰ অপমানৰ প্ৰতিশোধ লবৰ বাবে ভোটাৰক আহ্বান জনাই। কেন্দ্ৰীয় সম্পাদক খন্দকাৰ আশ্বাদুল মামুনে প্ৰদ্যুত বৰদলৈক গাদ্দাৰ আখ্যা দিয়ে। কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক মজিবুৰ ৰহমানেও কংগ্ৰেছ দলক কঠোৰ সমালোচনা কৰে। মহাৰাষ্ট্ৰৰ ডাঃ আলী চাহাবে কয় যে বিজেপিক যদি উৎখাত কৰিব পৰা নাযায় তেন্তে আগন্তুক দিনত মুছলমানৰ ধৰ্মীয় পৰম্পৰাৰ ওপৰত আইন কৰি আমাৰ ধৰ্মীয় আচাৰত প্ৰতিবন্ধকতা সৃষ্টি কৰিব। তেনে প্ৰচেষ্টাক বধা দিবলৈ কেন্দ্ৰত আজমলৰ দৰে মুছলমান প্ৰতিনিধি পথাব লাগে। নহলে জাতি সংকটত পৰিব। লণ্ডনৰ বাসিন্দা ইলিয়াছ আনছাৰীয়ে মুছলমানৰ সংকট সন্দৰ্ভত আবেগিক বক্তব্যৰে ভোটাৰসকলক আবেগিক কৰি তোলে। ইফালে ৰেজাউল কৰিমে উদ্দাত্ত ভাষণেৰে সংখ্যালঘু জনতাক নিৰ্দয় ভাৱে কৰা উচ্ছেদ সন্দৰ্ভত বক্তব্য ৰাখি ৰকিবুল হুছেইনক মিৰ্জাফৰ জাতিৰ গাদ্দাৰ বুলি অভিহিত কৰে। ইফালে সকলোৰে অন্তত আজমলে বক্তব্য ৰাখি কয় যে এয়া উচ্ছেদৰ বদলা লোৱাৰ সময়, ধুবুৰীত পৰাজিত কৰাৰ বদলা লোৱাৰ সময়। তদুপৰি তেওঁ দাবী কৰে যে বৰ্তমান কংগ্ৰেছক ৰাইজে বিদায় দিব ওলাইছে। ভয় কৰি লাভ নাই। নগাঁও লোক সভা সমষ্টিত প্ৰায় ৰচ হাজাৰ মুছলমান ভোটাৰ আছে। হিন্দুৰ সমষ্টিত যদি আমাক ভোট নিদিয়ে তেন্তে মুছলমানৰ ভোট কিয় তেওঁলোকক দিব। কিয় মুছলমান প্ৰতিনিধি নপথাই আমি হিন্দু প্ৰাৰ্থীক জয়ী কৰাম। নগাঁৱত মই একমাত্ৰ মুছলমান প্ৰাৰ্থী। ইতিমধ্যে দৃশ্য বোৰে বুজাই দিছে আমাৰ জয়। ৰপ্ত লাখ ভোট মই পাব লাগিব। ভাষণৰ মাজতে মঞ্চত থকা এজনে কথা কোৱাত আজমলৰ খং উঠি মঞ্চৰ পৰা নমাই দিয়ে তেওঁক। মঞ্চৰ পৰা নমাই পুনৰ তেওঁ বক্তব্য আৰম্ভ কৰি কয়, আমাৰ জয় নিশ্চিত ইনশ্বাল্লাহ। এইবাৰ নিৰ্বাচনত কংগ্ৰেছ বিজেপিৰ মুখেৰে ইনশ্বাল্লাহ ওলাইছে। বৰ ভালকৈ শিকিছে। আৰু শিকাব লাগিব আমি। নিৰ্বাচনৰ ফলাফলৰ পাছত ৰকিবুল হুছেইন বেহুছ হৈ যাব, গৌৰৱ গগৈ পাগল হৈ যাব, দেৱাশিস শৰ্মা আধাপাগল হৈ যাব, পুয়ুষ হাজৰিকা পুৰা পাগল হৈ যাব আৰু হিমন্ত বিশ্ব শৰ্মা বাংলাদেশ গুছি যাব। তদুপৰি আজমলে কয় পীযুষ হাজৰীকাৰ দাদাগিৰি নচলিব। আমি দাদাগিৰি ভয় নকৰো। আমি কেৱল আল্লাক ভয় কৰো। আজমলৰ সভাত তাৰ মাজতে আজমলৰ প্ৰচাৰত থকা শিৱসাগৰৰ জন্মান্ধ শিল্পীৰ কণ্ঠত মুখৰিত হয় জুবিনৰ মায়াবিনী গীত। আজমলেও গীত গাই ৰাইজক সহযোগ কৰিবলৈ আহ্বান জনাই গীতৰ অন্তত কয় - জয় জুবিন দা, জয় জুবিন দা। জুবিনৰ ন্যায় আমাক লাগিবই। এনেদৰেই সভা সামৰে আজমলে।

## মুঠ ৮৫ পদকেৰে এছিয়ান গেমছৰ চতুৰ্থ

মল্লযুঁজতো ভাৰতে ভাল প্ৰদৰ্শন কৰে। এই অন্তিম পৰ্যায়ৰ উত্থানে ভাৰতৰ পদক তালিকাত আৰু ৰৰটা স্বৰ্ণ পদক যোগ কৰে আৰু ভাৰতে চতুৰ্থ স্থান লাভ কৰে। ইয়াৰ ফলত এছিয়ান গেমছৰ সমাপ্তিৰ পূৰ্বে ভাৰতৰ অভিযানত এক প্ৰয়োজনীয় ইতিবাচক পৰিৱৰ্তন আহে। পূৰ্বৰ সংস্কৰণতকৈ আইচি-নাগোয়া এছিয়ান গেমছত ভাৰতৰ মুঠ পদকৰ সংখ্যা চ্ৰটা হ্ৰাস পাইছে। লগতে হাংঝৌ ২০২২ এছিয়ান গেমছৰ তুলনাত স্বৰ্ণ পদকৰ সংখ্যাও ৭টা কমিছে। হাংঝৌত ভাৰতে মুঠ ১০৬টা পদক অৰ্জন কৰিছিল আৰু প্ৰথমবাৰৰ বাবে ১০০টা পদকৰ সীমা অতিক্ৰম কৰিছিল। আইচি-নাগোয়াত ভাৰতৰ অভিযান মিশ্ৰ অভিজ্ঞতাৰে ভৰা আছিল। কিছুমান ক্ষেত্ৰত আশাব্যঞ্জক ফলাফল লাভ কৰাৰ বিপৰীতে আন কিছুমান ক্ষেত্ৰত হতাশাজনক প্ৰদৰ্শনো দেখা গৈছিল। অৱশ্যে প্ৰতিযোগিতাৰ শেষৰ ফালে শক্তিশালী প্ৰদৰ্শনে ভাৰতৰ অভিযানক পুনৰ গতি প্ৰদান কৰে। ২০২৬ৰ এছিয়ান গেমছত ভাৰতীয় মহিলা হকী দলে স্বৰ্ণ পদক অৰ্জন কৰি দেশবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। ভাৰতীয় মহিলা হকী দলে শেষবাৰৰ বাবে এছিয়ান গেমছত স্বৰ্ণ পদক জয় কৰিছিল ১৯৮২ চনৰ দিল্লী এছিয়ান গেমছত। সেইবাৰেই প্ৰথমবাৰৰ বাবে এছিয়ান গেমছত মহিলা হকী অন্তৰ্ভুক্ত কৰা হৈছিল। এইবাৰ অধিনায়ক চালিমা টেটে আৰু প্ৰশিক্ষক মাৰিণৰ নেতৃত্বত ভাৰতীয় দলটোৱে পুনৰ ইতিহাস ৰচে। মন কৰিবলগীয়া যে আমাৰ দেশৰ ক্ৰীড়া ক্ষেত্ৰখনত প্ৰতিভাৰ অভাৱ নাই; কিন্তু এই প্ৰতিভাবান খেলুৱৈ তথা এথলিটসকলৰ সৰহসংখ্যকে গাঁৱৰ ভিতৰুৱা অঞ্চলৰ পৰা অহা। তদুপৰি পৰ্যাপ্ত সা-সুবিধা নোপোৱাৰ বাবেও বহু খেলুৱৈয়ে দেশৰ হৈ আন্তৰ্জাতিক পৰ্যায়ত পদক অৰ্জন কৰাৰ পৰা বঞ্চিত হৈ ৰয়। ইয়াৰ উপৰি ক্ৰীড়া ক্ষেত্ৰখনৰ লগত জড়িত বিভিন্নজনে অভিযোগ উত্থাপন কৰে যে ভাৰতৰ বিভিন্ন ৰাজ্যত ক্ৰীড়াতকৈ ৰাজনীতিৰ প্ৰভাৱ বেছি। যাৰবাবে বহু খেলুৱৈয়ে সা-সুবিধা তথা সুযোগ লাভৰ পৰা বঞ্চিত হৈ থাকে। তথাপি এইবাৰৰ এছিয়ান গেমছত ভাৰতীয় মহিলা হকী দলে ৪৪ বছৰৰ পাছত যি সাফল্য দেখুৱালে, তাৰ পৰা অনুপ্ৰাণিত হৈ নৱ প্ৰজন্মৰ খেলুৱৈসকল নিশ্চিতভাৱে আগবাঢ়ি আহিব।

## বিজেপিৰ প্ৰাৰ্থী দুই-আঢ়ৈ লাখ ভোটত

পূৰ্বৰ তুলনাত এইবাৰ সংখ্যালঘু ৰাইজেও বিজেপিৰ প্ৰতি আকৃষ্ট হোৱা দেখা গৈছে। আজি উপ নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনা লাহৰীঘাটৰ দাতীয়ালবঞ্জী বৰবঞ্জী খেল পথাৰত মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত অনুষ্ঠিত হোৱা প্ৰচাৰ সভাখন পাঁচ সহস্ৰাধিক ভোটাৰ ৰাইজে অংশগ্ৰহণ কৰে। মন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত বিজেপি চৰকাৰত উন্নয়নমূলক কাম কাজৰ কথা উল্লেখ কৰি কয় যে, এইবাৰো ৰাইজে বিজেপিক ভোট দিলে লাহৰীঘাটত পূৰ্বতকৈ অধিক উন্নয়ন কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। সংখ্যালঘু ৰাইজে বিজেপিক ভোট দিয়া নাছিল যদিও চৰকাৰে ইতিমধ্যে লাহৰীঘাটত নদী বান্ধ, বানপানীৰ প্ৰতিৰোধৰৰ লগতে বহু উন্নয়নমূলক কাম-কাজ কৰিছে। যদি এইবাৰ সংখ্যালঘু মুছলমান ৰাইজে বিজেপিক ভোট প্ৰদান কৰে তেন্তে শিক্ষা, কৃষি, স্বাস্থ্যৰ লগতে বহু উন্নয়নমূলক কাম কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰী গৰাকীয়ে লগতে লাহৰীঘাটৰ বিধায়ক আছিফ নাজাৰক তীব্ৰ সমালোচনা কৰে। বিধায়কজনে সমষ্টি উন্নয়নৰ বাবে কোনো কাম কৰা নাই আৰু নকৰে। বিধায়কজনে সমষ্টিৰ উন্নয়নৰ স্বাৰ্থৰ কথা চিন্তা নকৰি কেৱল নিজৰ টিকটৰ বাবে গৌৰৱ গগৈৰ পিছে পিছে ঘূৰি ফুৰে। লগতে যোৱা নিশা বিধায়ক আছিফ নাজাৰৰ গৃহত একাংশ লোকে কংগ্ৰেছ গ'বেগ ধ্বনি দিয়া সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, মানুহে কংগ্ৰেছৰ ওপৰত ইমানেই বিক্ষোপ্ত হৈ আছে মাতি নিয়া মানুহখিনিও কংগ্ৰেছ গ'বেগ ধ্বনি দিছে। এয়া কংগ্ৰেছৰ বাবে অশনি সংকেত। লগতে মন্ত্ৰী গৰাকীয়ে কয় যে, এইবাৰ নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মা দুই আঢ়ৈ লাখ ভোটৰ ব্যৱধানত জয় লাভ কৰিব বুলি মন্তব্য প্ৰকাশ কৰে।

## 'অসমত CJPৰ কোনো প্ৰভাৱ নাই' ঃ

কোনো প্ৰভাৱ নাই। ৰাজ্যত চৰকাৰে ৰাইজৰ বাবে কাম কৰি আহিছে আৰু ৰাইজৰ স্বাৰ্থত আন্তঃগাঁথনি উন্নয়নৰ কাম চলাই আছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিদিনে কিমান বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন হৈছে, সেই কথা শিক্ষামন্ত্ৰীয়ে সদায় আপডেট দি আহিছে। কিন্তু CJP-এ এই সন্দৰ্ভত কোনো কথা নকয়। ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ উন্নয়ন, আন্তঃগাঁথনি সম্প্ৰসাৰণ আৰু জনসেৱাৰ বিভিন্ন দিশত চৰকাৰে কৰি থকা কামৰ বিষয়ে CJP-এ আলোচনা নকৰে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে মাত্ৰ এমুঠিমান মানুহক লৈ CJP- এ কৈ থকা কথাত চৰকাৰ লাগি থাকিব নোৱাৰে। কোনো এটা সংগঠন বা ব্যক্তিয়ে কিবা ক'লে তাৰ আধাৰত ৰাজ্য চৰকাৰৰ সমগ্ৰ কাম-কাজ থমকি ৰ'ব নালাগে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰি দিয়ে যে কোনোবাই ক'লে বুলিয়েই ৰাজ্যৰ ৪৮ হাজাৰ বিদ্যালয়ৰ চাফ-চিকুণৰ কাম মুখ্যমন্ত্ৰীয়ে নিজে কৰিব নোৱাৰে। চৰকাৰৰ কাম হৈছে সুশাসন, উন্নয়ন আৰু জনসেৱা নিশ্চিত কৰা; সেই লক্ষ্যৰে ৰাজ্য চৰকাৰে কাম কৰি আছে বুলি তেওঁ মন্তব্য ৰাখে। সেয়েহে ট্ৰগ্নতুৰ কাৰ্যকলাপ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰখা এই বক্তব্যৰে ৰাজনৈতিক মহলত বিশেষ তাৎপৰ্য বহন কৰিছে।

## ইজৰাইলৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ

সাহসিকতাক পুনৰবাৰ প্ৰশংসা কৰিছে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে। শনিবাৰে কেপ্টেইন স্মিতৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত ককপিটৰ ঘটনাৰ সবিশেষ শুনি নেতান্যাহু আৱেগিক হৈ পৰে। স্মিতৰ মুখেৰে ঘটনাৰ বিৱৰণ শুনি তেওঁ ভাৰতীয় পাইলটগৰাকীক 'নায়ক' বুলি অভিহিত কৰে। নেতান্যাহুৱে কয়, "আপুনি ইজৰাইলৰ নায়ক, ভাৰতৰ নায়ক আৰু সমগ্ৰ বিশ্বৰ নায়ক।" ইয়াৰ পিছতে তেওঁ কেপ্টেইন স্মিতক আনুষ্ঠানিকভাৱে ইজৰাইলৰ স্বাধীনতা দিৱস উদযাপনলৈ নিমন্ত্ৰণ জনায়। কেৱল স্মিতেই নহয়, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীকো এই বিশেষ অনুষ্ঠানলৈ নিমন্ত্ৰণ জনোৱা হৈছে। নেতান্যাহুৱে জানিবলৈ দিয়ে যে অহা বছৰ ইজৰাইলৰ স্বাধীনতা দিৱসত ক, খ, গ, ঘ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কেপ্টেইন স্মিত মাচচাৰক দেশখনে প্ৰদান কৰা সৰ্বোচ্চ সন্মান আগবঢ়োৱা হ'ব। লগতে দুয়োগৰাকী অতিথিয়ে ইজৰাইলৰ স্বাধীনতা দিৱসৰ পৰম্পৰাগত মশাল জ্বলোৱাৰ সুযোগ লাভ কৰিব। উল্লেখ্য, ইয়াৰ পূৰ্বেও নেতান্যাহুৱে কেপ্টেইন স্মিতৰ অসাধাৰণ সাহসিকতাৰ প্ৰশংসা কৰিছিল। মাজ আকাশত সৃষ্টি হোৱা ভয়ংকৰ পৰিস্থিতিৰ মাজতো ধৈৰ্য আৰু উপস্থিত বুদ্ধিৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে বিশ্বজুৰি প্ৰশংসিত হৈছে ভাৰতীয় পাইলটগৰাকী। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কেপ্টেইন স্মিতৰ বুদ্ধিমত্তা আৰু সাহসক প্ৰশংসা কৰি আৰু কি উল্লেখ কৰিছিল? তেওঁ স্মিতক কয়, "সঁচা কথা ক'বলৈ গ'লে আপোনাৰ সাহসত মই আচৰিত হৈছো। সেই অসম্ভৱ পৰিস্থিতিত আপুনি যিদৰে আপোনাৰ শীতলতা ৰাখিছিল, তাক লৈ মই আচৰিত হৈছো। আপুনি অতি সাহস দেখুৱাইছে। আপুনি বহুতৰে জীৱন ৰক্ষা কৰিছে। মই আপোনাৰ পত্নীকো মোৰ আৰু মোৰ পত্নীৰ শুভেচ্ছা জনাইছো। মই জানো যে আপোনাৰ এটা পৰিয়াল আছে। অনুগ্ৰহ কৰি সোনকালে সুস্থ হওক। সকলো কামৰ বাবে ধন্যবাদ।" তেওঁ লগতে কয়, "কেপ্টেইন স্মিত আৰু প্ৰধানমন্ত্ৰী মোডী মোৰ বহুত ভাল বন্ধু। উৎসৱমুখৰ মশাল জ্বলাবলৈ তেওঁলোকক নিমন্ত্ৰণ জনাইছো। স্বাধীনতা দিৱসত আমি দিব পৰা এইটোৱেই সৰ্বোচ্চ সন্মান।"

## কেৱল 'ক্ৰেডিট' ল'বলৈহে অখিল

সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি এক সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে এই আন্দোলনলৈ সঁহাৰি জনাই কয় যে চৰকাৰে ইতিমধ্যে বানপীড়িতসকলক সহায়-সাহায্য প্ৰদান কৰাৰ কথা ঘোষণা কৰিয়েই থৈছে। তেওঁৰ মতে, কেৱল 'ক্ৰেডিট' ল'বলৈহে অখিল গগৈয়ে এনে ধৰণৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। ইফালে, বিধায়কগৰাকীৰ সৈতে হোৱা ব্যক্তিগত বাৰ্তালাপৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয়, "অখিল গগৈৰ সৈতে মোৰ কথা-বতৰা হৈয়েই থাকে। তাৰ পাছতো মোক সাক্ষাৎ কৰাৰ বাবে এনেদৰে আঁকোৰগোজ হৈ থকাৰ কাৰণ কি, সেয়া বুজি পোৱা নাই।" মুখ্যমন্ত্ৰীৰ এই মন্তব্যৰ জৰিয়তে ৰাজ্য চৰকাৰৰ অৱস্থান স্পষ্ট হোৱা বুলি ৰাজনৈতিক মহলত চৰ্চা চলিছে।

## পথালিপাহাৰত এল.আই.চি.ৰ পলিচি

জালিয়াতি কৰি ঋণ প্ৰদান কৰে। বিহপুৰীয়া শিক্ষাখণ্ডৰ অন্তৰ্গত পথালি পাহাৰ আনন্দপুৰ ভকত গাঁৱৰ শিক্ষয়িত্ৰী নিৰ্মালী দত্ত বৰুৱাক আৰু আনখন পলিচিৰে ঋণ প্ৰদান কৰি দিছিল টংক ভূঞাৰ ঘনিষ্ঠ একেখন গাৱৰে গৌতমী বৰাক। অৱশ্যে ঘটনাটো দিপাঞ্জলী দত্তই চলিত বৰ্ষৰ আগষ্ট মাহত লখিমপুৰ এল. আই. চি.কাৰ্যালয়ত প্ৰিমিয়াম দিবলৈ গৈ ঘটনাৰ সবিশেষ জানি হতভম্ব হৈ পৰে। ইয়াৰ পিছতে ভুক্তভোগী শিক্ষয়িত্ৰী গৰাকীয়ে বিহপুৰীয়া থানাত এখন এজাহাৰ দাখিল কৰে। ইতিমধ্যে টংক ভূঞাই আৰক্ষীৰ উক্ত বিষয়ৰ তদন্তৰ কথা গম পাই স্বাস্থ্য জনিত কাৰণ দেখুৱাই কিছুদিন গুৱাহাটীত আত্মগোপন কৰি থকা কথা পোহৰলৈ আহে। শিক্ষক ভূঞাই যোৱা ২৯ ছেপ্টেম্বৰত গুৱাহাটীৰ পৰা নিজগৃহলৈ আহি পুনৰ ৱ্ৰছেপ্টেম্বৰত গুৱাহাটী যাবলৈ নাৰায়ণপুৰ সমীপৰ তাঁতিবাহাৰ ৰে'লৰে ষ্টেচন উপস্থিত হয়। বিহপুৰীয়া আৰক্ষীয়ে বিশেষ সূত্ৰে পমখেদি নাৰায়ণপুৰৰ তাঁতিবাহাৰ ৰে'ল ষ্টেচনৰ পৰা আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। টংক ভূঞাক আৰক্ষীয়ে আদালতৰ জৰিয়তে তদন্তৰ বাবে চাৰিদিন নিজৰ জিম্মাত ৰাখি পুনৰ আজি তেওঁক জেল হাজোতলৈ প্ৰেৰণ কৰে। প্ৰকৃত বীমাধিকাৰী নোহোৱাকৈ বা পৰ্যাপ্ত পৰীক্ষা নকৰাকৈ ঋণ প্ৰদান কৰাৰ অভিযোগৰ ভিত্তিত বিহপুৰীয়া আৰক্ষীয়ে শনিবাৰে নিশা পথালিপাহাৰস্থিত অসম গ্ৰামীণ বিকাশ বেংকৰ লগত জঞ্জতি দুই কৰ্মচাৰী ক্ৰমে মাণিক শইকীয়া আৰু প্ৰদীপ শইকীয়াক গ্ৰেপ্তাৰ কৰি আজি আদালতলৈ প্ৰেৰণ কৰে। এই ঘটনাই শিক্ষক সমাজৰ নৈতিকতা আৰু দায়িত্ববোধক লৈ এতিয়া স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ

সৰ্বসাধাৰণ ৰাইজে আগবঢ়োৱা অভূতপূৰ্ব সঁহাৰি, মৰম আৰু আশীৰ্বাদৰ বাবে সমষ্টিবাসীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে প্ৰচাৰৰ সময়ত বিৰোধী তথা বিভিন্ন পক্ষৰ পৰা হোৱা সমালোচনাৰ প্ৰসংগত দেৱাশিস শৰ্মাই কয় যে তেওঁক লৈ কৰা প্ৰতিটো সমালোচনাকে তেওঁ গঠনাত্মক আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিছে। সমষ্টিৰ ভৱিষ্যৎ উন্নয়ন সুনিশ্চিত কৰিবলৈ সকলো স্তৰৰ ভোটাৰ ৰাইজক নিজৰ বিবেক প্ৰয়োগ কৰি ভোটদান কৰিবলৈ তেওঁ বিনম্ৰ অনুৰোধ জনায়। কেন্দ্ৰ আৰু ৰাজ্য দুয়োখন চৰকাৰতে বিজেপি অধিষ্ঠিত থকাৰ কথা উল্লেখ কৰি তেওঁ কয় যে নগাঁও সমষ্টিৰ সৰ্বাংগীণ উন্নয়ন ক্ষিপ্ৰতৰ কৰিবলৈ এই আসনখনতো বিজেপি জয়ী হোৱাটো অত্যন্ত প্ৰয়োজনীয়। প্ৰচাৰৰ সময়ত অচিন্তনীয়ভাৱে কাৰোবাৰ মনত আঘাত লাগিলে বা কোনো মন্তব্য ওলাই গ'লে সেয়া একেবাৰেই ব্যক্তিগত নাছিল বুলি তেওঁ স্পষ্ট কৰি দিয়ে। ৰাইজে সহায়ৰ হাত আগবঢ়াই তেওঁক সেৱা কৰাৰ সুবিধা দিলে নগাঁৱৰ প্ৰতিটো মূল সমস্যা সমাধানৰ বাবে পূৰ্ণ উদ্যমেৰে কাম কৰি যাব বুলি দেৱাশিস শৰ্মাই দৃঞ্জ আশাবাদ প্ৰকাশ কৰে।

## গুৱাহাটী মহানগৰ আৰক্ষীৰ যান

চাইকেলসমূহে মহানগৰীৰ যান-বাহন পৰিচালনা, ট্ৰেফিক নিয়ন্ত্ৰণ আৰু আইন-শৃংখলা ৰক্ষাৰ কামত আৰক্ষীৰ কাৰ্যদক্ষতা বৃদ্ধি কৰিব বুলি কৰ্তৃপক্ষই আশা প্ৰকাশ কৰে। এই পদক্ষেপে জনসাধাৰণলৈ সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত অসম আৰক্ষীক নতুন গতি প্ৰদান কৰিব। ইয়াৰ লগতে জৰুৰী পৰিস্থিতিত দ্ৰুতভাৱে সঁহাৰি জনোৱা আৰু মহানগৰীৰ ভিন্ন প্ৰান্তত আৰক্ষীৰ উপস্থিতি নিশ্চিত কৰাতো সুবিধা হ'ব বুলি অনুষ্ঠানত মন্তব্য কৰা হয়। আৰক্ষী সূত্ৰৰ মতে, এই নতুন বাহনসমূহে যান-বাহন শাখাৰ দৈনন্দিন কৰ্তব্যৰ লগতে জনসাধাৰণৰ সৈতে থকা সংযোগ আৰু সেৱা-সুবিধা বৃদ্ধি কৰাত সহায় কৰিব। সামগ্ৰিকভাৱে অসম আৰক্ষীৰ গতিশীলতা আৰু আইন-শৃংখলা ৰক্ষাৰ ক্ষমতা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে লোৱা এই উদ্যোগক জনহিতকৰ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে।

## কেন্দ্ৰীয় চৰকাৰৰ হাৰতেই অসম

অন্তত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয়, "কেন্দ্ৰীয় চৰকাৰে যি হাৰত আৰু যি ধৰণে মৰগীয়া বানচ প্ৰদান কৰি আহিছে, অসম চৰকাৰেও সেই অনুসৰি কৰ্মচাৰীক মৰগীয়া বানচ দি আছোঁ।" তেওঁ লগতে দাবী কৰে যে দেশৰ আন বহু ৰাজ্যই এই ক্ষেত্ৰত একে ধৰণে মৰগীয়া বানচ প্ৰদান কৰিব পৰা নাই। মুখ্যমন্ত্ৰীগৰাকীয়ে এই প্ৰসংগত কৰ্ণাটক আৰু পশ্চিমবংগৰ উদাহৰণ উল্লেখ কৰে। তেওঁৰ মতে, সেই ৰাজ্যসমূহে কেন্দ্ৰীয় চৰকাৰৰ সমান্তৰালভাৱে মৰগীয়া বানচ প্ৰদান কৰা নাই। তেওঁ কয়, "অসম আটাইতকৈ দুখীয়া ৰাজ্য, কিন্তু কেন্দ্ৰীয় চৰকাৰৰ সমান্তৰালকৈ আমি মৰগীয়া বানচ দি আছোঁ।" ৰাজ্যিক কৰ্মচাৰীসকলৰ মৰগীয়া বানচক লৈ মুখ্যমন্ত্ৰীয়ে কৰা এই মন্তব্য কেবিনেট বৈঠকৰ পাছত অনুষ্ঠিত সংবাদমেলত প্ৰকাশ কৰে। এই মন্তব্যৰ জৰিয়তে ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলৰ বাবে গ্ৰহণ কৰি থকা পদক্ষেপ তথা কেন্দ্ৰীয় চৰকাৰৰ সৈতে সমন্বয়ৰ ভূমিকা স্পষ্ট কৰাৰ চেষ্টা কৰা বুলি ৰাজনৈতিক মহলত চৰ্চা চলিছে।

## মুখ্যমন্ত্ৰীক 'গজনী'ৰ নায়কৰ সৈতে

সাংসদ গৌৰৱ গগৈয়ে। সভাত গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক 'গজনী' চিনেমাৰ নায়কৰ সৈতে তুলনা কৰি তীব্ৰ কটাক্ষ কৰে। তেওঁ কয় যে 'গজনী' চিনেমাত আমিৰ খানে যেনেকৈ কথাবোৰ পাহৰি যায়, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো তেনেকৈ পাহৰি যায়। এই মন্তব্যৰ জৰিয়তে তেওঁ মুখ্যমন্ত্ৰীৰ ওপৰত প্ৰবল আঘাত হানিবলৈ চেষ্টা কৰে। আজিৰ সভাত সাংসদ গৌৰৱ গগৈৰ লগতে বিধায়ক ৰেকিব উদ্দিন আহমেদ, বিধায়িকা বেবী বেগম আৰু বিধায়ক আছিফ মহম্মদ নাজাৰ উপস্থিত থাকে। সভাত প্ৰায় চজ্ঞ হাজাৰৰো অধিক সংখ্যালঘু লোকৰ সমাগম হোৱা বুলি জনা যায়। নগাঁও উপ-নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনটোত মৈৰাবাৰীত অনুষ্ঠিত এই সভাৰ জৰিয়তে কংগ্ৰেছে ভোটাৰসকলক দলীয় প্ৰাৰ্থীৰ সপক্ষে ভোটদানৰ আহ্বান জনায়। সভাখনত কংগ্ৰেছ নেতৃত্বই উপস্থিত ৰাইজক একত্ৰিত হৈ দলীয় প্ৰাৰ্থীক বিজয়ী কৰাৰ বাবে আহ্বান জনায়।

## ডুমডুমাত 'আছা' নেতাক হানি-খুচি

জানিব পৰা গৈছে। ঘটনাটোক লৈ অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। 'আছা'ৰ ডুমডুমা আঞ্চলিক সমিতিয়ে ঘটনাটোৰ তীব্ৰ গৰিহণা দি অভিযুক্তক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ লগতে ফাষ্টট্ৰেক আদালতৰ জৰিয়তে কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে। মাকুম আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰি জেৰা কৰাৰ পিছতহে হত্যাকাণ্ডৰ আঁৰৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব বুলি 'আছা'ৰ নেতৃত্বই আশা প্ৰকাশ কৰে। ঘটনাটোৱে সমগ্ৰ ডুমডুমা-মাকুম অঞ্চলতে গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# গোলাঘাটত আমছু খিলঞ্জীয়া জিলা মহিলা সমিতিৰ উদ্যোগত স্কুল বেগ বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৪ অক্টোবৰ ঃ** গোলাঘাট জিলা আমছু খিলঞ্জীয়াৰ গোলাঘাট জিলা মহিলা সমিতিয়ে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰে। মহিলা সমিতিৰ উদ্যোগত গোলাঘাট জিলাৰ মেলামৰা বৰফলং গাঁৱত প্ৰায় ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুল বেগ বিতৰণ কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰতি অধিক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ শৈক্ষিক যাত্ৰাত সহায় কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। উক্ত কাৰ্যসূচীত আমছু খিলঞ্জীয়া গোলাঘাট জিলা মহিলা সমিতিৰ সভানেত্ৰী কাবেৰী শইকীয়া হুছেইন, সহকাৰী সম্পাদিকা সুকন্যা সিং, উপ-সভানেত্ৰী ৰুকছানা বেগম আৰু সহকাৰী সম্পাদিকা ৰূপশিখা হাণ্ডে হুছেইন উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ মুখত হাঁহি বিৰিঙাই তোলা এই পদক্ষেপক স্থানীয় ৰাইজেও আদৰণি জনায়।

# মাজুলীৰ মধ্য মাজুলীত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম শিশু ভাওনা সমাৰোহ ২০২৭ৰ দিন সলনি

**অসম বাৰ্তা, মাজুলী, ৪ অক্টোবৰ ঃ** মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া অসম শিশু ভাওনা সমাৰোহখন অনিবাৰ্য কাৰণবশতঃ কাৰ্যসূচী সাল সলনি কৰা হৈছে বুলি উদ্‌যাপন সমিতিয়ে জানিবলৈ দিছে। ২০২৭ চনৰ জানুৱাৰী মাহৰ পৰা আৰম্ভ হ'ব লগা বিদ্যালয় সমূহৰ গুণোৎসৱৰ বাবে ২৩ জানুৱাৰী ২০২৭ ৰ পৰা আৰম্ভ হ'বলগীয়া সদৌ অসম শিশু ভাওনা সমাৰোহ ২০২৭ ফেব্ৰুৱাৰী ০৭ তাৰিখৰ পৰা ১৮ তাৰিখ ২০২৭ লৈ পিছুৱাই দিয়া হয়। উদ্‌যাপন সমিতি আৰু মধ্য মাজুলী শিল্পী সমাজৰ বৈঠক অনুষ্ঠিত কৰি এই সিদ্ধান্ত গ্ৰহণ কৰে বুলি সদৰি কৰা হৈছে। সমাৰোহত অংশগ্ৰহণ কৰিবলগীয়া ভাওনাৰ দল সমূহৰ জ্ঞানাৰ্থে সংবাদ মাধ্যমৰ যোগে বিষয়ববীয়া সকলে ঘোষণা কৰা হৈছে। নিৰ্ধাৰিত প্ৰতিযোগিতাৰ কাৰ্যক্ৰমৰ কোনোধৰণৰ সালসলনি নহয় বুলি সদৰি কৰে।

# গুৱাবাৰী ভিচিডিচিত PMAY গৃহ নিৰ্মাণৰ শুভাৰম্ভণি; উপস্থিত MCLA এন্তাজ আলী

**অসম বাৰ্তা, গোসাঁইগাঁও, ৪ অক্টোবৰ ঃ** বিটিচিত বিপিএফ চৰকাৰ গঠন হোৱাৰ পাছতে ২ নং গুমা সমষ্টিৰ অন্তৰ্গত গুৱাবাৰী ভিচিডিচিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণৰ কামৰ শুভাৰম্ভণি কৰা হয়। এই উপলক্ষে অনুষ্ঠিত শুভাৰম্ভণি অনুষ্ঠানত ২ নং গুমা সমষ্টিৰ MCLA এন্তাজ আলী উপস্থিত থাকি PMAYৰ অধীনত নিৰ্মাণ হ'বলগীয়া গৃহৰ কাম আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত গুৱাবাৰী ভিচিডিচিৰ চেয়াৰমেন আব্দুল কৰিম শ্বেখ, গুৱাবাৰী প্ৰাইমাৰীৰ সভাপতি দীপক ব্ৰহ্ম, ভিচিডিচিৰ মেম্বাৰসকল, গাঁওবুঢ়া আনোৱাৰ হুছেইনকে ধৰি বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। PMAYৰ অধীনত গৃহ নিৰ্মাণৰ কাম আৰম্ভ হোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত উৎসাহ-উদ্দীপনাৰ পৰিৱেশৰ সৃষ্টি হয়। এই আঁচনিৰ জৰিয়তে উপযুক্ত আৰু আৰ্থিকভাৱে দুৰ্বল হিতাধিকাৰীসকলে স্থায়ী গৃহ লাভ কৰি উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰিছে এমচিএলএ এন্তাজ আলীয়ে। স্থানীয় ৰাইজে আশা প্ৰকাশ কৰে যে আঁচনিখনৰ ৰূপায়ণৰ জৰিয়তে প্ৰকৃত হিতাধিকাৰীসকলে সময়মতে গৃহ লাভ কৰাৰ লগতে তেওঁলোকৰ জীৱন-যাপনৰ মানো উন্নত হ'ব।

# মেডিকেল পাঠ্যক্ৰমৰ মাচুল বৃদ্ধিৰ বিৰোধিতা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ

## চৰকাৰক মাচুল বৃদ্ধিৰ সিদ্ধান্ত বাতিলৰ দাবী

**অসম বাৰ্তা, লীলাবাৰী, ৪ অক্টোবৰ ঃ** অসম চৰকাৰৰ অধীনস্থ মেডিকেল কলেজ সমূহত পাঠ্যক্ৰমৰ বাৰ্ষিক মাচুল ২, ৪০০ টকাৰ পৰা এক লাখ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্তক তীব্ৰ বিৰোধিতা কৰিছে কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিৰ জৰিয়তে কোচ ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কে আৰ এছ এছৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে উল্লেখ কৰে যে অসম চৰকাৰৰ এনে অত্যধিক মাচুল বৃদ্ধিৰ সিদ্ধান্তই ৰাজ্যখনৰ সৰ্বসাধাৰণ দুখীয়া শ্ৰেণী, মধ্যবিত্ত পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকল চিকিৎসা বিজ্ঞানৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বৃহৎ বাধাৰ সৃষ্টি কৰিব। চৰকাৰী শিক্ষানুষ্ঠানৰ উদ্দেশ্য হৈছে সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সুলভ তথা মানসম্পন্ন শৈক্ষিক ক্ষেত্ৰ নিশ্চিত কৰা, কিন্তু এনেধৰণৰ অত্যধিক মাচুল বৃদ্ধিৰ বিষয়টো শৈক্ষিক সমতা আৰু সুলভতাৰ পৰিপন্থী। কোচ ৰাজবংশী ছাত্ৰনেতা গৰাকীয়ে পুনৰ স্পষ্ট কৰি কয় যে, ২৪০০ টকাৰ পৰা ১ লাখলৈ বাৰ্ষিক মাচুল বৃদ্ধি কৰাৰ সিদ্ধান্ত কোনো কাৰণতে মানি লোৱা নহ'ব। অসম চৰকাৰে অনতিবিলম্বে অদূৰদৰ্শী সিদ্ধান্তটি বাতিল কৰি পূৰ্বৰ মাচুল ব্যৱস্থা বাহাল ৰাখিবলৈ সজোৰে দাবী উত্থাপন কৰিছে।

### ডেউকা হেল্পিং ফাউণ্ডেশ্যন আৰু ১৪২নং বেটেলিয়ন CRPFৰ যৌথ উদ্যোগত ১০০০ গছপুলিৰ বৃক্ষৰোপণ

# সেউজ গোলাঘাট অভিযান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৪ অক্টোবৰ ঃ** "এজোপা গছ, এটা প্ৰাণ"- এই মহান দৰ্শনক সাৰোগত কৰি মানৱ সেৱাৰ ব্ৰতেৰে ব্ৰতী সামাজিক সংস্থা 'ডেউকা হেল্পিং ফাউণ্ডেশ্যন' আৰু ১৪২ নং বেটেলিয়ন, চিআৰপিএফৰ সহযোগত ৪ অক্টোবৰত পুৰণা আমোলাপট্টি (তিতাবৰ বাইপাছ ৰ'ড)ত এক বৃহৎ বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন হৈ যায়। ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন নিৰাপদ, সেউজীয়া আৰু জীপাল পৃথিৱী এৰি যোৱাৰ মানসেৰে "সেউজ গোলাঘাট অভিযান" শীৰ্ষক এই কাৰ্যসূচীত ১০০০ বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হয়। উক্ত কাৰ্যসূচীত হিচাপে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক আৰু অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞা, জ্যেষ্ঠ সাংবাদিক, প্ৰকৃতিপ্ৰেমী অপূৰ্ব বল্লভ গোস্বামী, গোলাঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিণ্টু সন্দিকৈ বিশিষ্ট কবি, লেখিকা সমাজকৰ্মী হেমা চৌধুৰী গগৈ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ, অধিবক্তা তথা প্ৰকৃতি প্ৰেমী দেৱাশিস বৰা, অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ গোলাঘাট জিলা সমন্বয়ক গোলাঘাট জিলা প্ৰেছ ক্লাৱ, বিদ্বান বৰদলৈ, শিক্ষয়িত্ৰী তথা লেখিকা, কুমকম চাংমাই, শিক্ষয়িত্ৰী তথা সমাজকৰ্মী, ৰঞ্জমণী তামোলী শিক্ষয়িত্ৰী তথা সমাজকৰ্মী, ৰিতুপৰ্ণ বৰা সমাজকৰ্মী, গোলাঘাট, সংগীতা বৰা, সমাজকৰ্মী গোলাঘাট, বৰ্ণালী বৰ্মন, শিক্ষয়িত্ৰী ও সমাজকৰ্মী, গোলাঘাট, অনুষ্ঠানটোত ডেউকা হেল্পিং ফাউণ্ডেশ্যনৰ সভাপতি অমূল্য শইকীয়া, অধ্যক্ষ মৃণাল শইকীয়া, উপাধ্যক্ষা জুলি হাজৰিকা, উপদেষ্টা ভাস্কৰ বৰা, মৃগাক্ষী ঠাকুৰ, উপ-সভানেত্ৰী বিউটি বাইলুং, সহ-সম্পাদিকা ৰিচিপ্ৰীয়া বৰুৱা বৰা, পাপু সাধনীকে প্ৰমুখ্য কৰি সংস্থাৰ ৰ বিষয়ববীয়া আৰু বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। এই মহৎ কাৰ্যসূচীত গোলাঘাটৰ সকলো প্ৰকৃতিপ্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহযোগিতা ফাউণ্ডেশ্যনৰ তৰফৰ পৰা আন্তৰিকতাৰে কামনা কৰা হৈছে।

### বৰ্তমানলৈকে প্ৰায় ডেৰশ গৰাকী লোক অসুস্থ বিষক্ৰিয়াত

# মাজুলীৰ শ্ৰীৰাম তেলীয়াবাৰীত খাদ্যৰ বিষক্ৰিয়াৰ ঘটনা

**অসম বাৰ্তা, মাজুলী, ৪ অক্টোবৰ ঃ** উজনি মাজুলীৰ শ্ৰীৰাম তেলীয়াবাৰী গাঁৱত খাদ্যত বিষক্ৰিয়া হৈ কালি বিয়লিৰে পৰা অসুস্থ হৈ পৰে গাঁওখনৰ শিশু, মহিলাৰ পৰা বয়োজ্যেষ্ঠলৈকে প্ৰায় ডেৰশ গৰাকী লোক। বিষক্ৰিয়াৰ ফলত জ্বৰ, বমি, শৌচ, মূৰঘূৰণি আদি হৈ দুৰ্বল হৈ পৰিছে। স্থানীয় ৰাইজে ততাতৈয়াকৈ গড়মূৰৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ত ভৰ্তি কৰা হৈছে ইয়াৰে অসুস্থ বহু লোকক। গাঁও খনৰ এঘৰ লোকৰ ঘৰত সকামৰ প্ৰসাদ খোৱাৰ ফলতেই এই ঘটনা হোৱাৰ আশংকা প্ৰকাশ কৰিছে গাঁৱৰ লোকসকলে। সমগ্ৰ ঘটনাটো মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে তদাৰক কৰি গাঁৱত স্বাস্থ্য শিবিৰ পাতি চিকিৎসা প্ৰদান কৰি আছে বুলি জানিব পৰা গৈছে আৰু আক্ৰান্ত লোকসকল এই বাতৰি লিখাৰ পৰলৈকে বিপদ মুক্ত নহয় বুলি প্ৰকাশ।

### জব্দ ৬৩ লাখ নগদ ধন, বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰী

# নগাঁৱত ফ্লাইং স্কোৱাড-ছাৰ্ভিলেন্স দলৰ ব্যাপক অভিযান

**অসম বাৰ্তা, নগাঁও, ৪ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি অবৈধ ধন আৰু নিচাজাতীয় সামগ্ৰীৰ সৰবৰাহ ৰোধৰ বাবে নগাঁও জিলা প্ৰশাসনে ব্যাপক অভিযান অব্যাহত ৰাখিছে। ফ্লাইং স্কোৱাড টীম (এফ এছ টি)ৰ অভিযানত যোৱা নিশা বৰঘাটত এখন টাটা যোদ্ধা বাহনৰ পৰা ৯.২৬ লাখ টকাৰ নগদ ধন জব্দ কৰা হয়। জানিব পৰা মতে, নিশা প্ৰায় ৯.৪৫ বজাত নিৰ্বাচনী বিধি উলংঘা কৰি ধনখিনি সৰবৰাহ কৰাৰ সময়তে বাহনখন তালাচী চলাই এই ধন জব্দ কৰা হয়। ইয়াৰ পূৰ্বদিনাও চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত বাগৰিত ষ্টেটিক ছাৰ্ভিলেন্স টীমে এখন ভেন্যু বাহনৰ পৰা ১৯.৯০ লাখ টকাৰ নগদ ধন জব্দ কৰিছিল। ৰাষ্ট্ৰীয় ঘাই পথত চলোৱা নিয়মীয়া তালাচীৰ সময়তে উদ্ধাৰ হৈছিল এই বৃহৎ পৰিমাণৰ ধন। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জানিবলৈ দিয়া অনুসৰি, নিৰ্বাচনত অবৈধ ধনৰ ব্যৱহাৰ ৰোধৰ বাবে নগাঁও জিলাত ৪৫টা ফ্লাইং স্কোৱাড টীম আৰু ৪৫টা ষ্টেটিক ছাৰ্ভিলেন্স টীম নিয়োজিত কৰা হৈছে। দলসমূহে জিলাখনৰ বিভিন্ন প্ৰান্তত দিনে-নিশাই তালাচী অভিযান চলাই আছে। বিগত কেইদিনত চলোৱা অভিযানত এতিয়ালৈ মুঠ ৬৩ লাখ টকাৰ নগদ ধন জব্দ কৰা হৈছে। জব্দ কৰা ধনসমূহ নিৰ্বাচনী বিধি অনুসৰি জিলা কোষাগাৰত জমা কৰাৰ লগতে ধনৰ উৎস সন্দৰ্ভত পৰীক্ষাৰ বাবে আয়কৰ বিভাগৰ হাতত অৰ্পণ কৰা হৈছে। ইফালে, আৰক্ষী আৰু আৱকাৰী বিভাগৰ পৃথক অভিযানতো বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰী আৰু অবৈধ সুৰা জব্দ কৰা হৈছে। অভিযানত ৮.৭৮ লাখ টকা মূল্যৰ হেৰোইন, ১০ লাখ টকাৰ য়াবা টেবলেট, ৭০ হাজাৰ টকাৰ গাঞ্জা, ১১৬০ লিটাৰ দেশীয় সুৰা, ৩০০ লিটাৰ দেশত নিৰ্মিত বিদেশী সুৰা, ৯৮ লিটাৰ বীয়েৰ আৰু ৬৫৭৫ কিলোগ্ৰাম দেশীয় মদ প্ৰস্তুত কৰাত ব্যৱহৃত সামগ্ৰী জব্দ বা ধ্বংস কৰা হৈছে। উপ-নিৰ্বাচনক লৈ জিলাখনত এক নিকা, শান্তিপূৰ্ণ আৰু স্বচ্ছ নিৰ্বাচনী পৰিৱেশ নিশ্চিত কৰাৰ লক্ষ্যৰে এই অভিযান অব্যাহত ৰখা হৈছে। অহা দিনসমূহতো অভিযান অধিক তীব্ৰতৰ কৰাৰ বাবে জিলা আয়ুক্ত আৰণ্যক শইকীয়াই সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিছে।

### লিডুৰ অবৈধ কয়লা খনিত মৃত্যু হোৱা শ্ৰমিক জীতেন মূড়াৰ ন্যায় প্ৰদানৰ দাবীৰে স্মাৰক পত্ৰ প্ৰদান

# তিনিচুকীয়া জিলা আয়ুক্তক সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ স্মাৰকপত্ৰ প্ৰদান

**অসম বাৰ্তা বিশেষ, জাগুন, ৪ অক্টোবৰ ঃ** মাৰ্ঘেৰিটা সম জিলাৰ লিডু আৰক্ষী চকীৰ অন্তৰ্গত লিডুৰ এক অবৈধ কয়লা খনিত যোৱা ৩০ ছেপ্টেম্বৰ তাৰিখে এক শোকাবহ দুৰ্ঘটনা সংঘটিত হয়। লিডু চাহ বাগিচাৰ ৭ নং লাইন নিৱাসী ৪৫ বছৰীয়া জীতেন মুডা (চুটু) নামৰ শ্ৰমিক জনে অবৈধ ৰেট হোল মাইনিংত কাম কৰি থকা অৱস্থাত কয়লা মাফিয়াৰ চৰম অৱহেলাৰ বাবে কয়লা খনিৰ পৰা নিৰ্গত হোৱা বিষাক্ত গেছ আৰু ভূমিস্খলনৰ বলি হৈ কৰুণ মৃত্যুক সাৱটি লব লগা হয়। সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাই অভিযোগ উত্থাপন কৰি কয় যে এই সমগ্ৰ ঘটনাক লিডু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে অন্য ৰূপ দি শ্ৰমিক জীতেন মূডাৰ মৃতদেহ পানীৰ পৰা উদ্ধাৰ হোৱা বুলি পৰিয়ালক মৃতদেহ চমজাই দিয়ে। ছাত্ৰ সংগঠনটোৱে এই বুলিও অভিযোগ উত্থাপন কৰে যে শ্ৰমিক জীতেন মূডাৰ মৃত্যু কোনো সাধাৰণ মৃত্যু নহয় ই ধনলোভী একাংশ কয়লা মাফিয়া আৰু মৌনতা অৱলম্বন কৰা লিডু আৰক্ষীৰ যুটীয়া ষড়যন্ত্ৰৰ ফলত সংঘটিত এক হত্যাকাণ্ড। এই সমগ্ৰ ঘটনাৰ এক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত কৰি ঘটনাৰ সৈতে জড়িত বি.গণেশ, ধৰ্মেশ্বৰ পেগু আৰু জনৈক দলে উপাধিৰ কয়লা মাফিয়া কেইটাক অতি শীঘ্ৰে কৰায়ত্ত কৰক। মৃত শ্ৰমিক জীতেন মূডাৰ পৰিয়ালক ১ কোটি টকাৰ একঁকালীন সাহায্য প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰক। লিডু, টিৰাপ, টিপং আদি অঞ্চলত চলি থকা অবৈধ কয়লা খনন স্থায়ী ভাৱে বন্ধ কৰক আৰু উক্ত ঘটনাক গাপ দিবলৈ চেষ্টা কৰা লিডু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই চাৰি দফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ তিনিচুকীয়া জিলা আয়ুক্তক প্ৰদান কৰে ছাত্ৰ সংগঠনটোৱে।

# অসমীয়া যুৱ মঞ্চৰ গোলাঘাট জিলা সমিতিৰ মধ্যকালীন অধিৱেশন

### উদ্যমী যুৱক জীৱন শইকীয়াক প্ৰদান কৰিব 'যুৱ উদ্যমী বটাঁ'

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৪ অক্টোবৰ ঃ** অসমীয়া যুৱ মঞ্চৰ গোলাঘাট জিলা সমিতিৰ মধ্যকালীন অধিৱেশনখন অহা ১ নৱেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙাজানৰ মইনাপাৰাৰ সাধনী ভৱনত অনুষ্ঠিত হ'ব। সেইদিনা পুৱা পতাকা উত্তোলন, বৃক্ষৰোপণ, সাংস্কৃতিক শোভাযাত্ৰা, প্ৰতিনিধি সভাৰ উপৰিও মুকলি সভা আৰু নিশালৈ বটাঁ বিতৰণী আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। মুকলি সভাতেই গোলাঘাটৰ মৰঙী মৌজাৰ থুৰাজান গ্ৰাণ্টৰ মধুবন গাঁৱৰ সফল উদ্যোগী তথা সমাজকৰ্মী যুৱক জীৱন শইকীয়াক 'যুৱ উদ্যমী বটাঁ' প্ৰদান কৰা হ'ব। উল্লেখ্য যে জীৱন শইকীয়াই 'নামৰৰ ফেচিলিটী মেনেজমেণ্ট' নামৰ এটা অনুষ্ঠানৰ জন্ম দি বহু যুৱকক কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰাৰ লগতে বিভিন্ন উন্নয়নমূলক কাম কাজত জড়িত হৈ সমাজ উন্নয়নত ব্ৰতী আহিছে।

# 'সেৱা সংকল্প অভিযান'ৰ অধীনত ডুমডুমা বিধানসভা সমষ্টিত বক্তৃতা, চিত্ৰাংকন প্ৰতিযোগিতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ অক্টোবৰ ঃ** অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে আজি ডুমডুমাৰ পিএমশ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিধানসভা সমষ্টি পৰ্যায়ৰ বক্তৃতা প্ৰতিযোগিতাখন অনুষ্ঠিত হৈ যায়। কাকপথাৰ শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু ডুমডুমা সমজিলা প্ৰশাসনৰ সহযোগত প্ৰতিযোগিতা-খন অনুষ্ঠিত কৰা হয়। 'ক' শাখাত পিএমশ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ দিব্যাংশী বুঢ়াগোঁহাইয়ে প্ৰথম স্থান, কাকজান মধ্য ইংৰাজী বিদ্যালয়ৰ পৰী বৰগোহাঁয়ে দ্বিতীয় স্থান আৰু ফিল'বাৰীৰ ছেইণ্ট পেট্ৰিকছ হাইস্কুলৰ মনদীপ ছেত্ৰীয়ে তৃতীয় স্থান লাভ কৰে। 'খ' শাখাত ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ নিৰু ছেত্ৰীয়ে প্ৰথম স্থান, ফিল'বাৰী ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ নিশাৰাণী ভূঁএগই দ্বিতীয় স্থান আৰু ৰূপাই চাইডিঙৰ মডাৰ্ণ একাডেমীৰ অলিম্পিয়া বৰুৱা আৰু ফিল'বাৰীৰ ছেইণ্ট পেট্ৰিকছ হাইস্কুলৰ ইশা দাসে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। আনহাতে 'সেৱা সংকল্প অভিযান'ৰ অধীনত ডুমডুমা বিধানসভা সমষ্টি ভিত্তিত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' শাখাত ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্বৰ্ণিল দাসে প্ৰথম, ডুমডুমা বংগীয় বিদ্যালয়ৰ কমাবতী তন্তবায়ে দ্বিতীয় আৰু ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আদিয়ান্ত কাশ্যপ আৰু পিএমশ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অভিনৱ শইকীয়াই যুটীয়াভাৱে তৃতীয় স্থান অধিকাৰ কৰিছে। চিত্ৰাংকন প্ৰতিযোগিতাৰ 'খ' শাখাত ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৰণ মৰাণে প্ৰথম, ডুমডুমা বংগীয় বিদ্যালয়ৰ শ্বাহজাদী খাটুনে দ্বিতীয় আৰু ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অনন্যা পাটোৱাৰী আৰু ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰ্গৱ বৰুৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। আনহাতে, চিত্ৰাংকন প্ৰতিযোগিতাৰ 'গ' শাখাত ফিল'বাৰীৰ ছেইণ্ট পেট্ৰিকছ হাইস্কুলৰ ৰাজা বড়াইপ্ৰথম, পিএমশ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ কাশীলতা গগৈয়ে দ্বিতীয় আৰু ডুমডুমাৰ জৱাহৰ হিন্দী ইংলিছ হাইস্কুলৰ অদিতি কুমাৰী আৰু ডুমডুমাৰ ডনবস্ক' চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ কৰণ কুমাৰে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। বিধানসভা সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত ডুমডুমা বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰিব।

### অভ্যৰ্থনা সমিতি গঠন

# সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কৰাইটাৰীত বিশাল জনগোষ্ঠীয় সমাৰোহ

**অসম বাৰ্তা, পৰ্বতঝোৰা, ৪ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত কৰাইটাৰীত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ এখন সভা অনুষ্ঠিত কৰা হয়। পৰিষদৰ কোকৰাঝাৰ জিলা সমিতিৰ যৌথ উদ্যোগত কৰাইটাৰীত সফল আয়োজনাথে অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে অনুষ্ঠিত ৰাজহুৱা সভাত শতাধিক লোকৰ সমাবেশ হয়। কোকৰাঝাৰ জিলা সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ সভাপতি ৰুস্তম আলী ৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকে জিলা পৰ্যায়ৰ পৰা আঞ্চলিক পৰ্যায়ৰ সন্মানীয় পদবীত অধিষ্ঠিত হৈ থকা পদধাৰী সকলোৱে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা সভাখনত পৰিষদৰ কৰাইটাৰী আঞ্চলিক সমিতিৰ সভাপতিয়ে উদ্দেশ্য ব্যাখ্যা কৰে। আদৰণি ভাষণৰ পিছত এটি সুন্দৰ জিকিৰ পৰিৱেশন কৰা দেখা যায়। চৰকাৰে গৰিয়া, মৰিয়া, দেশী, চৈয়দ আৰু চাহ জনগোষ্ঠীয় জলহা আদি সম্প্ৰদায়ৰ লোকসকলক অসমৰ খিলঞ্জীয়া জনগোষ্ঠীয় মৰ্যাদা দি তেওঁলোকৰ প্ৰাপ্য অধিকাৰ শীঘ্ৰে প্ৰদান কৰিব লাগে বুলি মন্তব্য কৰে কোকৰাঝাৰ জিলা সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ সভাপতি ৰুস্তম আলীয়ে। ইয়াৰ পিছতে সৰ্বসন্মতিক্ৰমে উপদেষ্টা, জ্যোতিষ নাথ( Chairman OBC bord kokrajhar) আনোৱাৰ হুছেইন। সভাপতি ডঃ পৰেশ চন্দ্ৰ ৰায় ( প্ৰাক্তন অধ্যক্ষ স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়) কাৰ্যকৰী সভাপতি আব্দুল বাৰেক আহমেদ সাধাৰণ সম্পাদক ৰেজাউল কৰিম ( প্ৰাক্তন সেনা) সাংস্কৃতিক সম্পাদক আব্দুল কৰিম ( আইনজীৱী) বিত্ত সম্পাদক আব্দুল আউয়ালকে ধৰি ২১ জনীয়া অভ্যৰ্থনা সমিতি গঠন কৰা হয়।

# CJPৰ সৈতে মতাদৰ্শগত পাৰ্থক্য আছে

সন্থাই তাক আদৰণি জনাব। উৎপল শৰ্মাই কয়, "ট্ৰিপ্লতন্ত্ৰ-এ কৰা আন্দোলনত সোণম ৱাংচুকৰ প্ৰতি আমি সহমৰ্মিতা প্ৰকাশ কৰিছিলোঁ। CJPৰ সৈতে আমাৰ মতাদৰ্শগত পাৰ্থক্য আছে। তেওঁলোকৰ মঞ্চত যিকোনো ৰাজনৈতিক নেতা যাব পাৰে; কিন্তু আমাৰ মঞ্চত কেতিয়াও ৰাজনৈতিক নেতাক স্থান দিয়া নহয়।" তেওঁ লগতে উল্লেখ কৰে যে মতাদৰ্শৰ পাৰ্থক্য থাকিলেও ৰাজহুৱা খণ্ডৰ শিক্ষা-ব্যৱস্থাৰ উন্নতিৰ বাবে কৰা কামক লৈ আছুৰ কোনো আপত্তি নাই। আছুৰ সভাপতিগৰাকীৰ মতে, ট্ৰিপ্লতন্ত্ৰৰ নেতাই অসমৰ বিদ্যালয় পৰিদৰ্শন কৰাৰ দৰে কাম আছুৱে দশক দশক ধৰি কৰি আহিছে। তেওঁ কয় যে অসমত ৰাজহুৱা খণ্ডৰ শিক্ষা-ব্যৱস্থা বৰ্তমানেও সংকটজনক অৱস্থাত আছে। তেওঁ দাবী কৰে যে অসমত এতিয়াও প্ৰায়, জ্ঞ্মজ্ঞ্ম বিদ্যালয় এজনীয়া শিক্ষকেৰে চলি আছে। আনহাতে প্ৰায় ২০ হাজাৰ বিদ্যালয়ত এতিয়াও চৌহদৰ দেৱাল নাই। উৎপল শৰ্মাই কয়, "অসমৰ ৰাজহুৱা শিক্ষাখণ্ডৰ ফোঁপোলা স্বৰূপ ট্ৰিপ্লতন্ত্ৰ-এ উদঙাই দিয়াত আপত্তি নাই।" অৱশ্যে অসমত কাম কৰিবলৈ অহা সংগঠনসমূহে ৰাজ্যখনৰ আন মৌলিক সমস্যাসমূহো উপলব্ধি কৰাটো তেওঁ বিচাৰে। তেওঁৰ মতে, অসমৰ জনগাঁথনি আৰু ভাষিক পৰিস্থিতিৰ বিষয়টোও CJP-এ বুজি লোৱা প্ৰয়োজন। আছুৰ সভাপতিগৰাকীয়ে কয়, "ট্ৰিপ্লতন্ত্ৰ যিহেতু অসমলৈ আহিছে, অসমৰ খিলঞ্জীয়া মানুহে নিজৰ জন্মভূমিত ভাষিকভাৱে আৰু জনসংখ্যাৰ ফালৰ পৰা সংখ্যালঘুত পৰিণত হোৱাৰ শংকাৰে অস্তিত্বৰ সংগ্ৰাম কৰি আছে-সেই কথাহে দেশৰ জনসাধাৰণৰ মাজলৈ লৈ যাওক।" উল্লেখ্য, শনিবাৰে আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে ট্ৰিপ্লতন্ত্ৰক সমালোচনা কৰি কৈছিল যে ট্ৰিপ্লতন্ত্ৰৰ আদৰ্শৰ সৈতে আছুৰ আদৰ্শৰ কোনো মিল নাই। CJPৰ কাম-কাজ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলিও তেওঁ মন্তব্য কৰিছিল। সমীৰণ ফুকনে ট্ৰিপ্লতন্ত্ৰৰ দৰে শক্তিৰ ওপৰত দৃষ্টি ৰাখিবলৈও বিশেষ আহ্বান জনাইছিল। তেওঁ কৈছিল, "CJPৰ কাম-কাজবিলাক অসমৰ উত্তৰণক লৈ নহয়। ট্ৰিপ্লতন্ত্ৰৰ মতাদৰ্শৰ লগত টুটুত্ৰহুৰ কোনো মিল নাই। অনাগত দিনতো সেই মতাদৰ্শৰে মিলি যোৱাৰ অৱকাশ নাই। অসমত CJP -এ পৰিৱেশ-পৰিস্থিতি উত্তপ্ত কৰি ৰখাৰ চেষ্টা চলাইছে।" পৰিদৰ্শনৰ অছিলাৰে অসমৰ পৰিৱেশ উত্তপ্ত কৰিব বিচাৰিছে নেকি ট্ৰিপ্লতন্ত্ৰ-এ, কাৰোবাৰ পৃষ্ঠপোষকতাত আহি অসম উত্তপ্ত কৰাৰ কুচ-কাৱাজ কৰিছে নেকি বুলি সমীৰণ ফুকনে প্ৰশ্ন তুলিছিল। তেওঁৰ এই বক্তব্যৰ পাছতে ৰাজ্যজুৰি বিষয়টোক লৈ ব্যাপক বিতৰ্কৰ সৃষ্টি হয়। এই পৰিপ্ৰেক্ষিতত দেওবাৰে আছুৰ সভাপতি উৎপল শৰ্মাই এই সন্দৰ্ভত দিয়া মন্তব্যই বিশেষ তাৎপৰ্য বহন কৰিছে। ইপিনে, আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনৰ বক্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ট্ৰিপ্লতন্ত্ৰৰ অসম ৰাজ্যিক সমিতিয়ে। CJPৰ ৰাজ্যিক সমন্বয়ক শ্বেইখ ছাহিল উদ্দিন শ্বাহে কয়, "সমীৰণ ফুকনে এই কথা ক'ব বুলি আশা কৰা নাছিলোঁ। অভিজ্ঞতাৰ পৰা আমাৰ শিকাওক, আমি শিকিম। সদৌ অসম ছাত্ৰ সন্থাৰ সত্তাটোৰ প্ৰতি আমাৰ শ্ৰদ্ধা আছে। আমি নতুন। আমি নতুনকৈ ভাৰতখনক লৈ চিন্তা কৰিছোঁ। আমি Gen Zসকলে আছুৰ পৰা পৰামৰ্শহে বিচাৰোঁ। ট্ৰিপ্লতন্ত্ৰ-এ গণতন্ত্ৰ ৰক্ষা কৰাক লৈ যি কথা কৈছে, তাত বিৰোধ কৰিবলগীয়া কোনো কথা নাই। আছুৰ সাধাৰণ সম্পাদকগৰাকীৰ মন্তব্যত নতুন প্ৰজন্মই দুখ পাইছে। এনেকুৱা ধৰণৰ কথা-বতৰাত নতুন প্ৰজন্মৰ মন ভাঙি যাব। আমাক পৰামৰ্শ দিয়ক, ভুল হ'লে দেখুৱাই দিয়ক। তেওঁলোকৰ পৰামৰ্শই আমাক আগুৱাই যোৱাত সহায় কৰিব। জাতীয় সংগঠনৰ পৰা আমি পৰামৰ্শ বিচাৰোঁ। অসমৰ বিদ্যালয়ৰ সমস্যা, সামাজিক সমস্যা সন্দৰ্ভত আমি সকলোৰে পৰা পৰামৰ্শ বিচাৰিছোঁ।"

# পৰীক্ষা দিবলৈ ওলাই যোৱা নৱম শ্ৰেণীৰ ছাত্ৰীৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৪ অক্টোবৰ ঃ** বৰপেটাৰোডৰ নিচুকাত সংঘটিত এক মৰ্মান্তিক ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। পৰীক্ষা দিবলৈ বিদ্যালয়লৈ ওলাই যোৱা নৱম শ্ৰেণীৰ এগৰাকী ছাত্ৰীৰ ৰহস্যজনকভাৱে মৃত্যু হোৱা ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, মৃত ছাত্ৰীগৰাকীৰ নাম মঞ্জুৱা বেগম। পৰিয়ালৰ লোকৰ মতে, ঘটনাৰ সময়ত ঘৰত কোনো নাছিল। পিতৃ-মাতৃয়ে জীয়ৰীক বিদ্যালয়লৈ পঠিয়াই খেতিপথাৰলৈ ওলাই গৈছিল। কিছু সময় পিছত পিতৃ-মাতৃ ঘৰলৈ উভতি আহি জীয়ৰীগৰাকীক মৃত অৱস্থাত প্ৰত্যক্ষ কৰে। ঘটনাটোৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। ছাত্ৰীগৰাকীয়ে কিয় এনে চৰম সিদ্ধান্ত ল'বলগীয়া হ'ল, সেই সন্দৰ্ভত বিভিন্ন প্ৰশ্ন উত্থাপিত হৈছে। ঘটনাটোৰ আঁৰত আন কোনো কাৰণ আছে নেকি, সেয়াও তদন্তৰ জৰিয়তেহে স্পষ্ট হ'ব। ঘটনাটোৱে পৰিয়ালটোৰ লগতে অঞ্চলবাসীক গভীৰভাৱে মৰ্মাহত কৰিছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰি মৃত্যুৰ প্ৰকৃত কাৰণ উদঘাটনৰ চেষ্টা চলাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন